## ১.০ প্ৰথম অধ্যায়

# বৰপেটা জিলাৰ সমাজ-সাংস্কৃতিক ইতিহাস

১.১ ভৌগোলিক পৰিসৰ

১.২ বৰপেটা নামৰ উৎপত্তি

১.৩ জলবায়ু

১.৪ নদ-নদী আৰু পাহাৰ-পৰ্বত

১.৫ চৰ-চাপৰি

১.৬ প্ৰাকৃতিক সম্পদ

১.৭ জনসংখ্যা

১.৮ শিক্ষা

১.৯ যাতায়াত

১.১০ ধৰ্ম আৰু জনগাঁথনি

১.১১ অৰ্থনৈতিক জীৱন

১.১২ বৰপেটাৰ উল্লেখযোগ্য সাংস্কৃতিক আৰু ঐতিহাসিক ঘটনাৱলী

১.১৩ সাহিত্যিক ঐতিহ্য

১.১৪ বৰপেটাৰ যাত্ৰা আৰু নাট

১.১৫ উৎসৱ-পাৰ্বণ

১.১৬ বৰপেটাৰ মঠ-মন্দিৰ, সত্ৰানুষ্ঠান

১.১৭ সত্ৰৰ স্থাপত্য আৰু ভাস্কৰ্য

১.১৮ সাজ-পাৰ

১.১৯ আ-অলংকাৰ

১.২০ খাদ্যাভাস

১.২১ লোক-সাহিত্য

১.২২ লোকবাদ্য

১.২৩ লোকবিশ্বাস

১.২৪ লোক ক্ৰীড়া

১.২৫ বৰপেটাৰ উপভাষা

১.২৬ সামগ্ৰিক আলোচনা

# ১.০ প্ৰথম অধ্যায়

# বৰপেটা জিলাৰ সমাজ-সাংস্কৃতিক ইতিহাস

### ১.১ ভৌগোলিক পৰিসৰ ঃ

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন অন্যতম ৰাজ্য হ'ল অসম। অসমৰ নামনি অংশত অৱস্থিত এখন উল্লেখযোগ্য জিলা হ'ল বৰপেটা। ২৬°২' উত্তৰ অক্ষৰেখাৰ পৰা ২৬°৫০' লৈ আৰু ৯০°৪০' পূৰ্ব দ্ৰাঘিমা ৰেখাৰ পৰা ৯১°২৪' লৈ থকা ভূখণ্ডই বৰপেটা জিলা।[১] জিলাখনৰ পূৱ দিশত নলবাৰী জিলা, পশ্চিম দিশত বঙাইগাঁও জিলা, উত্তৰ দিশত বাক্সা জিলা আৰু দক্ষিণ দিশত কামৰূপ আৰু গোৱালপাৰা জিলা অৱস্থিত। জিলাখনৰ মুঠ ভৌগোলিক এলেকা ২,৬৪৫ বৰ্গ কিঃমিঃ।[২] ১৮৪১ চনত বৃটিছ চৰকাৰে বৰপেটাক সদৰ হিচাপে লৈ বৰপেটা মহকুমা গঠন কৰে।[৩] ১৯৮৩ চনলৈকে বৰপেটা অবিভক্ত কামৰূপৰ এটা মহকুমা আছিল। ১৯৮৩ চনৰ এক জুলাইত বৰপেটাক অসমৰ এঘাৰতম জিলা হিচাপে ঘোষণা কৰা হয়।[৪] ১৮৮০ খ্ৰীঃত বৰপেটাত লোকেল ব'ৰ্ড আৰু ১৮৮৪ খ্ৰীঃত প্ৰথমখন মিউনিচিপাল বোৰ্ড গঠনৰ চৰকাৰী ঘোষণা হৈছিল।[৫] বৰপেটাৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে ৰাজ্যৰ ৰাজধানীলৈ দূৰত্ব ১২৬ কিঃমিঃ। বৰপেটাৰ উত্তৰ ফালৰ কিছু অংশ বাক্সা জিলাত অন্তৰ্ভুক্ত হৈছে। বৰপেটা জিলাৰ মহকুমা দুটা— বৰপেটা মহকুমা আৰু বজালী মহকুমা; ৰাজহ খণ্ড আঠটা —বৰপেটা, চেঙা, বাঘবৰ, কলগাছিয়া, সৰ্থেবাৰী, বৰনগৰ, বজালী আৰু সৰুপেটা। উন্নয়ন খণ্ড ১১টা— বৰপেটা, সৰুক্ষেত্ৰী, চেঙা, গোমাফুলবাৰী, পাকাবেতবাৰী, কলগাছিয়া, চকচকা, ৰূপসী, মন্দিয়া, গোবৰ্দ্ধনা, ভৱানীপুৰ আৰু বজালী; আৰক্ষী চকী ১১খন, বিধানসভা সমষ্টি আঠটা; পৌৰসভা দুখন— বৰপেটা আৰু বৰপেটাৰোড; টাউন কমিটি পাঁচখন।[৬] ২০২১ চনৰ দহ ফেব্ৰুৱাৰীত অসমত নৱগঠিত ৩৪ তম্ জিলা বজালী আনুষ্ঠানিকভাৱে গঠিত হয় যদিও পুনৰ ২০২৩ চনত ইয়াক বৰপেটা জিলাৰ উপ-জিলা হিচাপে ঘোষণা কৰা হয়। অৱশ্যে আমাৰ গৱেষণা গ্ৰন্থত বৰপেটা আৰু বজালী মহকুমাক সামৰি অবিভক্ত বৰপেটা জিলাক অধ্যয়নৰ ক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰা হৈছে।

**১.২ বৰপেটা নামৰ উৎপত্তি ঃ**

জিলাখনৰ সদৰ ঠাই বৰপেটাৰ নাম অনুসৰি জিলাখনৰ নাম হৈছে বৰপেটা। চৰিত পুথিসমূহতো বৰপেটা নামৰ উল্লেখ পোৱা যায়। চৰিত পুথিত মাধৱদেৱে বৰপেটাত সত্ৰ স্থাপন কৰাৰ কথা উল্লেখ আছে।[৭] চৰিত পুথিত বৰপেটা শব্দই (বিল) আৰু ভূ-খণ্ড দুয়োটাৰে নিৰ্দেশ কৰিছে। দৈতাৰি ঠাকুৰ ৰচিত গুৰু চৰিততো বৰপেটা নামৰ ব্যৱহাৰ কৰিছে। ‘বৰপেটা’ নামটোৰ সম্পৰ্কে নানা লোক-ব্যুৎপত্তি প্ৰচলিত আছে। ‘বৰপেটা’ এই ঠাইখিনি এসময়ত ব্ৰহ্মপুত্ৰৰ পেট বা মাজত আছিল। এই ঠাইখিনি বাম হোৱাত বৰপেট বা বৰপেটা নাম পালে।[৮] আন এক মত অনুসৰি ‘বৰপেটাৰ ভূখণ্ড থকা ঠাইখিনিত ডাঙৰ পিটনি আছিল আৰু সেই অনুসাৰে ইয়াৰ নাম বৰপিট; বৰপীঠ আৰু সময়ৰ পৰিৱৰ্তনত বৰপেট বা বৰপেটা হয়।[৯] বহুতে এই বুলি কয় “শংকৰী কলা-কৃষ্টি আদি কৰি পবিত্ৰ বৈষ্ণৱ একশৰণ ভাগৱতী ধৰ্ম তথা হৰিনাম ধৰ্মৰ আটাইখিনি বস্তুৰ ইয়াতে ভঁড়াল আৰু সেই হিচাপে সেই ভূমিখণ্ডৰ নাম হ’ল বৰপাট - বৰপাটা - বৰপেটা। বৰ (প্ৰধান) পাট (বেদী)”[১০] আহোম ৰজা শিৱসিংহই বৰপেটা সত্ৰক মাটিবাৰী দান কৰে। এই সকলো তথ্য তামৰ ফলিত লিপিৱদ্ধ কৰি দিয়ে। ফলিখনত বৰপেটা আৰু পোৰাভিঠা দুয়োটা নামৰ উল্লেখ পোৱা যায়।[১১] কিংবদন্তি মতে, বৰপেটা সত্ৰ ভৱিষ্যতে বৰনদী অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ তলী হ’বগৈ।[১২] বৰপেটা সত্ৰক ব্ৰহ্মপুত্ৰ নদীয়ে আহি সেৱা জনাব বুলিও লোকসমাজত কোৱা হয়। বৰপেটাৰ দহটা নাম পোৱা যায়। সেইকেইটা হ’ল - (ক) তাঁতীকুছি (খ) ইচ্ছাকুছি (গ) বৰপেটা (ঘ) পোৰাভিঠা (ঙ) বৃন্দাবন (চ) মথুৰা (ছ) চৌখুটি স্থান (জ) নৰৰত্ন সভা (ঝ) পুষ্পক বিমান আৰু (ঞ) কামপুৰ।[১৩]

**তাঁতীকুছি ঃ** শিৱসাগৰ জিলাৰ খনা খোকোৰা গাঁৱৰে তাঁতীসকল আহি বাস কৰা ঠাইখনৰ নাম তাঁতীকুছি হয়। কথা গুৰুচৰিতত ‘তান্তিকুছি’ নামটোৰ উল্লেখ আছে।[১৪] এই ঠাইতে নৰনাৰায়ণক দিবলৈ শংকৰদেৱে বৃন্দাবনী বস্ত্ৰ বোৱাইছিল।

**ইচ্ছাকুছি ঃ** বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া আতাৰ উপৰিপুৰুষ খনা-খোকোৰা গাঁৱৰ পৰা আহিছিল। “বৰপেটা সত্ৰৰ দক্ষিণ মূৰত অৱস্থিত অঞ্চলটোৰ পুৰণি নাম আছিল ইচ্ছাকুছি, য’ত মথুৰা দাস বুঢ়া আতাই শিক্ষা লাভ কৰিছিল।”[১৫] এই নামৰ পৰাই ঠাই খণ্ডৰ নাম ইচ্ছাকুছি হ’ল। বৰ্তমান ইচ্ছাপুৰহাটী নামেৰে এখন হাটী আছে।

**বৰপেটা ঃ** “মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৃপাগুণে মাধৱদেৱে হৰি নাম ধৰ্মত ‘পাট’ (বেদী/সিংহাসন) আনি তাঁতীকুছিত থাপনা কৰিছিল আৰু সময়ত এই ঠাই বৰ (প্ৰধান) ধৰ্মস্থান হোৱা হেতুকে ঠাইৰ নাম ‘বৰপাট’ বা বৰপাটা হৈছিল।[১৬] বৰপেটা সত্ৰত ব’হাগৰ সাত তাৰিখে অনুষ্ঠিত হোৱা থান বন্দনাৰ ঘোষাত ‘বৰপাটা’ নামৰ উল্লেখ আছে।[১৭] পৰৱৰ্তী কালত বৰপাটাৰ পৰাই বৰপেটা নাম হোৱাৰ থল আছে।

**পোৰাভিঠা ঃ** মাধৱদেৱে নিৰ্মাণ কৰা সত্ৰ বনপোৰা জুইত জাহ গৈছিল। এই পোৰা ভিঠাতে বৰপেটা সত্ৰ পুনৰ নিৰ্মাণ কৰা হৈছিল। শিৱসিংহই দান কৰা তামৰ ফলিতো পোৰাভিঠা নামৰ উল্লেখ আছে।[১৮]

**বৃন্দাবন ঃ** বৰপেটাৰ মনোৰম প্ৰাকৃতিক পৰিৱেশে সুন্দৰীদিয়াৰ পৰা তাঁতীকুছিলৈ আহি থাকোঁতে মাধৱদেৱক মুগ্ধ কৰিছিল। বৰপেটাৰ বৃন্দাবন সদৃশ পৰিৱেশ দেখি 'আলো ভাই চল আইস যাই বৃন্দাবনে' শীৰ্ষক বৰগীত ৰচনা কৰিছিল।[১৯] এই স্থানতে শংকৰদেৱে বৃন্দাবনী বস্ত্ৰ বোৱাইছিল। এতিয়াও বৰপেটা সদৰত বৃন্দাবন নামে হাটী এখন আছে।

**মথুৰা ঃ** মাধৱদেৱে গোপাল তাঁতীক পবিত্ৰ মথুৰা সদৃশ বৰপেটা সত্ৰত সত্ৰাধিকাৰ পাতি মথুৰা দাস নাম দিছিল। সেয়ে বৰপেটাক মথুৰাপুৰী বুলিও জনা যায়।

**চৌখুটী স্থান ঃ** মাধৱদেৱে বৰপেটা সত্ৰৰ চাৰি কোণত খুটি স্থাপন কৰি সীমা নিৰ্দ্ধাৰণ কৰিছিল। বৰপেটা সত্ৰক সেয়েহে চাৰিখুটীৰ স্থান বা চৌখুটি স্থান নামেৰে জনা যায়।[২০]

**নৱৰত্ন সভা ঃ** বৰপেটা সত্ৰ নৱ-বৈষ্ণৱ ধৰ্মৰ ন-জন আতাপুৰুষৰ আধ্যাত্মিক চৰ্চাৰ কেন্দ্ৰস্থল আছিল। মথুৰাদাস বুঢ়াআতা, শ্ৰীৰাম আতা, নাৰায়ণ দাস ঠাকুৰ আতা, ভৱানীপুৰীয়া গোপাল আতা প্ৰমুখ্যে ৰত্ন সদৃশ এই আতাপুৰুষৰ সভা-আলোচনাৰ স্থান আছিল বৰপেটা।

**পুষ্পক বিমান ঃ** বৰপেটাৰ লগত শ্ৰীকৃষ্ণৰ মহিমা জড়িত হৈ আছে। দ্বাৰকাৰ পৰা বেদনিধি সহিতে শ্ৰীকৃষ্ণ আহি থাকোঁতে পুষ্পক বিমান ইয়াত ৰখাইছিল বুলি পুৰা-কাহিনীত পোৱা যায়। "বৰপেটা কীৰ্তনঘৰৰ ভাঁজঘৰৰ ভিতৰত উত্তৰ ফালৰ কোঠালীত থকা ৰন্ধ্ৰটো শ্ৰীকৃষ্ণই মৰা শৰৰ ৰন্ধ্ৰ বুলি জন-প্ৰবাদ আছে। স্থানীয় লোকে ইয়াক তেলৰ মঠা বুলি কয়।"[২১]

**কামপুৰ ঃ** দ্বিতীয় বৈকুণ্ঠপুৰী সদৃশ বৰপেটা সত্ৰ অতি পবিত্ৰ স্থান। এই স্থানত মনেৰে কামনা কৰিলে ফলিয়াই বুলি বিশ্বাস কৰা হয়। "আজিও সত্ৰ চৌহদৰ দক্ষিণফালে থকা বদুলা বা পদ্ম আতাৰ ভিঠিত সন্তানহীন দম্পতিয়ে সন্তান কামনা কৰি শৰাই আগবঢ়ায়।"[২২] সেই অনুসৰি হয়তো কামপুৰ নামেৰে জনাজাত হৈছিল।

**১.৩ জলবায়ু ঃ**

নদ-নদীৰে পৰিপূৰ্ণ বৰপেটাৰ জলবায়ু সেমেকা আৰু আদ্ৰতাপূৰ্ণ। অসমৰ সেমেকা জলবায়ু বৰপেটা অঞ্চলতো বিৰাজমান। ঋতু অনুসৰি প্ৰকৃতিয়ে ভিন্ন ৰূপ লয়। গ্ৰীষ্ম মৌচুমী বায়ুৰ প্ৰভাৱত গ্ৰীষ্ম আৰু শীত কাল অনুভূত হয়। মাৰ্চৰ পৰা মে' মাহলৈ গ্ৰীষ্মকাল, জুনৰ পৰা ছেপ্তেম্বৰলৈ বৰ্ষা আৰু অক্টোবৰৰ পৰা ফেব্ৰুৱাৰীলৈ শীতকাল। ব'হাগত শিল-বৰষুণ-ধুমুহাৰে 'বৰদৈচিলা' ধুমুহা-বতাহ আহে। জুন, জুলাই আৰু আগষ্ট মাহত বৰষুণৰ পৰিমাণ আটাইতকৈ বেছি। নৱেম্বৰ মাহৰ পৰা মাৰ্চ মাহলৈকে

খৰাং বতৰ। প্ৰতি বছৰে বৰষুণৰ প্ৰভাৱত জিলাখন বানপানীৰ কবলত পৰে। গ্ৰীষ্মকালত অতিবৃষ্টিৰ ফলত আদ্ৰতা বৃদ্ধি পায়। চৰ অঞ্চলৰ জলবায়ু সামগ্ৰিক জলবায়ুতকৈ পৃথক নহয় যদিও সমতল ভূমিতকৈ চৰ অঞ্চলত বায়ু প্ৰবাহ বেছিকৈ অনুভূত হয়। চাৰিওফালৰ জলৰাশিয়ে জলবায়ু সেমেকাই ৰাখে।

**১.৪ নদ-নদী আৰু পাহাৰ-পৰ্বত ঃ**

বৰপেটা জিলা প্ৰাকৃতিক সম্পদেৰে চহকী। জিলাখনৰ উত্তৰ ভাগত মানাহ ৰাষ্ট্ৰীয় উদ্যান আছিল। উদ্যানখন বৰ্তমান বাক্সা জিলাৰ অন্তৰ্ভুক্ত। বৰপেটা জিলাৰ উত্তৰ অঞ্চল কিছু ওখ, মধ্য আৰু দক্ষিণ অঞ্চল দ'। উত্তৰ অঞ্চলটো হাবি-জংঘলেৰে পৰিপূৰ্ণ আছিল। দক্ষিণৰ অঞ্চলটোৰ মাটি এঢলীয়া। বৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণত ফুলৰা, চতলা, বাঘবৰ নামেৰে পাহাৰৰ তিনিটা টিলা আছে। জিলাখনৰ পশ্চিম দিশেৰে বুৰঞ্জী প্ৰসিদ্ধ মানাহ নৈখন বৈ গৈছে। পূৰ্বৰ বগৰীবাৰী পৰগনাৰ মাজেৰে গৈ ব্ৰহ্মপুত্ৰত মিলিছে। "মানাহৰ এটা সোঁত মথনগুৰিত বেলেগ হৈ গোৰৰ্দ্ধনা-হাউলী অঞ্চলৰ মাজেৰে বৈ গৈ বৰপেটা চহৰৰ অলপ দূৰ উত্তৰে চাউলখোৱাত পৰিছিল। বুৰঞ্জী আৰু গুৰু চৰিতত এই শাখা নদীখন 'মানাহ' আৰু 'সৰু মানাহ' বুলি উল্লেখ আছে।"[২৩] ইয়াৰ পাৰত ঐতিহ্যমণ্ডিত বৰনগৰত কোঁচৰজা নৰনাৰায়ণে উপৰাজধানী স্থাপন কৰিছিল। চাউলখোৱা নদী বৰপেটা সদৰৰ মাজেৰে বৈ গৈছে। মানৰ আক্ৰমণৰ সময়ত বৰপেটাৰ্লৈ মানসকল চাউলখোৱাৰে সোমাইছিল। "শংকৰী যুগত চাউলখোৱা নদীখনক 'বুঢ়ী লুইত' বা 'বুঢ়ী লোহিত্য' বুলিছিল।"[২৪] বৰপেটাৰ বেঁকী নদীখন মানাহ নদীৰ গতিপথ পৰিৱৰ্তনৰ ফলত উৎপত্তি হৈছিল। বেঁকী নদী বাঘবৰৰ মাজেদি গৈ ব্ৰহ্মপুত্ৰত পৰিছে। ইয়াৰ বাহিৰেও পল্লা, ভেলেঙী, পহুমাৰা, কালদিয়া আদি উপনৈসমূহ জিলাখনৰ মাজেৰে প্ৰবাহিত হৈছে। বৰপেটা জিলা নৈ-উপনৈৰ উপৰিও বিল, জলাশয় আদিৰেও পৰিপূৰ্ণ। বৰঘোপা, ফিঙুৱা, চিলেটী, কহুৱা-টাঙা, বৰকানা, ঢৌমাৰী, কাপলা আদি বিল আছে। সৰুক্ষেত্ৰীৰ দক্ষিণ-পূৱত অৱস্থিত কাপলা বিল বুৰঞ্জী প্ৰসিদ্ধ। এই বিলৰ পাৰতে ব্যাসকুছি, বৰকাপলা আদি বৈষ্ণৱ-সত্ৰ প্ৰতিষ্ঠা হৈছে।

**১.৫ চৰ-চাপৰি ঃ**

"চৰ বুলি ক'লে চৌপাশে পানীৰে আগুৰি থকা ওখ বালিচহীয়া ভূ-খণ্ডক বুজায়।"[২৫] চৰ সৃষ্টি হয় বহল নদীতল ক্ৰমে বাম হৈ অহাৰ ফলত। নদীতলত বালিৰ বান্ধ (Sandar) সৃষ্টি হৈ পানী কমিলে ওলাই পৰে। এইবোৰেই চৰ। নদীৰ গতিৰ পৰিৱৰ্তনেও চৰৰ সৃষ্টি কৰে। নৈৰ পাৰৰ বা চৰৰ চাৰিওকাষৰ নদীয়ে সৃষ্টি কৰা বালিচহীয়া ভূখণ্ড হ'ল চাপৰি। বৰপেটা জিলাত নদ-নদীৰ সংখ্যা বেছি যদিও চৰ-চাপৰিসমূহ ব্ৰহ্মপুত্ৰ নদী আৰু বেকী নদীৰ মাজতহে গঢ়ি উঠিছে। প্ৰাকৃতিক দুৰ্যোগ, যেনে ঃ বানপানী, গৰা খহনীয়া আদিৰ সৈতে মিতিৰালি কৰি জীয়াই থকা চৰ-চাপৰিসমূহৰ জনসংখ্যাৰ অধিকাংশই ইছলাম ধৰ্মাৱলম্বী লোক। চৰ-চাপৰিৰ জনবসতিৰ ঘনত্ব বেছি। চৰবোৰৰ মাটি নদীৰ পলসে সাৰুৱা কৰি তোলে। এই চৰ-

চাপৰিক লৈ এক নদীকেন্দ্ৰিক সংস্কৃতি গঢ় লৈ উঠিছে। নদীকেন্দ্ৰিক লোক-সাহিত্যত চৰ-চাপৰিয়ে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। বৰপেটা জিলাৰ সদৰৰ পৰা চৰ-চাপৰিবোৰ প্ৰায় বিশ কিঃমিঃ দূৰত্বৰ পৰা চল্লিছ-পঞ্চাছ কিঃমিঃ দূৰত্বত অৱস্থিত। যাতায়াত ব্যৱস্থাৰ ক্ষেত্ৰত জলপথেই একমাত্ৰ ব্যৱস্থা। সদৰৰ পৰা নদীৰ ঘাটলৈ আৰু তাৰ পৰা ফেৰী, ইঞ্জিনযুক্ত ডাঙৰ নাও (স্থানীয় ভাষাত ভূটভূটী), টুলুঙা নাও আদি যাতায়াতৰ একমাত্ৰ সম্বল। বৰ্তমান বৰপেটা সদৰৰ দক্ষিণত ভেলেঙী নদীৰ পাৰত মন্দিয়া ঘাট আছে। এই ঘাটৰ পৰা বিভিন্ন চৰ-চাপৰিলৈ সাধাৰণ নাও আৰু ভূটভূটী চলে।

ব্ৰহ্মপুত্ৰ নদী বৰপেটাৰ দক্ষিণ সীমাৰে পূবৰ পৰা পশ্চিম দিশলৈ প্ৰবাহিত হৈছে। নদীখন পশ্চিম অংশত বাঘবৰ মৌজাৰ মাজেৰে প্ৰবাহিত হৈছে। পূব অংশত বগৰিবাৰী মৌজাৰ মাজেৰে প্ৰবাহিত হৈছে। বগৰিবাৰী মৌজাৰ প্ৰধান চৰ-চাপৰিবোৰ হ'ল - নলজাহী, গান্ধীৰ চৰ, চৈলাৰ চৰ, কাছিমপুৰ চৰ, গোধুনি, দক্ষিণ গোধুনি, হাতেমচৰ, মাজৰ চৰ, কানমাৰ ননকে, বৰখোলাৰ চৰ, ধামাপাৰা, হাতেম চৰ, হেঁপাচা, মহিশখুটি, ভেঙ্গেলীমাৰী, তাৰাবাৰীৰ চৰ, চেনিমাৰী চৰ, আতিয়াৰ চৰ, নিজ পৰুৰা, পৰুৰা, খোলাবান্ধাৰ চৰ, মহচৰ ননকে, মৰিচাকান্দি, নিৰলাৰ চৰ, টঙ্গালীয়া পৰা, চাং বান্ধা, আন্দাভাঙ্গা, কলতলিৰ চৰ, আদুৰিপাৰা, পুঠিমাৰীৰ চৰ, বৰদিয়া চৰ ইত্যাদি। বাঘবৰ মৌজাৰ ভিতৰত পৰা প্ৰধান চৰ চাপৰিবোৰ হ'ল- আলোপতি চৰ, বাঘমাৰা চৰ, মাজৰ চৰ, নিচানদিৰ চৰ, ফুলৰাৰ চৰ, ভাতনাপাইতিৰ চৰ, ধূলা উৰিৰ চৰ, ধৰ্মপুৰ, মাথাভাঙাৰ চৰ, কদমতলাৰ চৰ, সুখাৰজাৰ, মৌখোৰা চৰ, দলাৰ চৰ, ডেউলদিৰ চৰ ইত্যাদি। এই চৰবোৰৰ নামকৰণৰ আঁৰতো একোটা কাহিনী লুকাই আছে। বৰপেটা জিলাৰ পশ্চিম অংশইদি উত্তৰৰ পৰা দক্ষিণলৈ প্ৰবাহিত হোৱা বেকী নদী ব্ৰহ্মপুত্ৰত পৰিছে। বেঁকী নদীতো ভালেমান চৰ-চাপৰি আছে। বেঁকী নদীৰ চৰ-চাপৰিবোৰ হ'ল- মজিদভিঠা, বালিকুৰি, উদমাৰী, শালমাৰা, সাউৰাচৰ, শালমাৰা, কাউৰজাহী, কৈমাৰী, বাখোখাইতী, দাকুমাৰী, খাৰবল্লী আদি।

**১.৬ প্ৰাকৃতিক সম্পদ ঃ**

বৰপেটা এসময়ত হাবি-জংঘলেৰে পৰিপূৰ্ণ আছিল। মানাহ ৰাষ্ট্ৰীয় উদ্যান বৰপেটা জিলাত আছিল। মানাহ অভয়াৰণ্যক ১৯৭৩ চনত ব্যাঘ্ৰ প্ৰকল্প আৰু ১৯৮৫ চনত ইউনেস্কোই বিশ্ব ঐতিহ্যক্ষেত্ৰ (World Heritage Site) হিচাপে ঘোষণা কৰে। ১৯৯০ চনত ৰাষ্ট্ৰীয় উদ্যান হিচাপে ই ঘোষিত হয়।[২৬] অভয়াৰণ্যখন বৰ্তমান বাক্সা জিলাৰ অন্তৰ্গত। জৈৱ-বৈচিত্ৰ্যৰে ভৰা অৰণ্যখন সোণালী বান্দৰ, এশিঙীয়া গঁড়, নল-গাহৰি, হৰিণ, ঢেঁকীয়াপতীয়া বাঘ, বিভিন্ন চৰাই-চিৰিকটি, কীট-পতংগ আদিৰ বাসস্থান। ৰাষ্ট্ৰীয় উদ্যানখনলৈ দেশী-বিদেশী বিভিন্ন পৰ্যটকৰ আগমন ঘটে। জিলাখনৰ সৰ্বমুঠ ভৌগোলিক ক্ষেত্ৰ ৩,২৪,৫০০ হেক্টৰৰ মুঠ বনাঞ্চল ২৩.৬৯ শতাংশ।[২৭] জিলাখনত বহুতো সৰু-বৰ হাবি-বননি আছে। বহুতো বিৰল আৰু বিলুপ্তপ্ৰায় চৰাই-চিৰিকটি বিল, জলাশয় আদিত আশ্ৰয় লৈ আছে। নৈ-উপনৈবোৰত মাছ-কাছৰ লগতে শিহু আদিও

দেখা যায়। বৰপেটাৰ সমগ্ৰ অঞ্চল গছ-গছনি, নল-খাগৰিৰে পৰিপূৰ্ণ আছিল। নৈপৰীয়া বালি অঁহীয়া মাটিত শিমলু, মদাৰ আদি গছ সহজে গজে। হলখ, বট, বকুল, আম, কঁঠাল, সোণাৰু, জাম, খকুন, ভোমোৰা, শিলিখা, বৰুণ, বগৰী, আমলখি, আঁহত, জৰী, কৰৈ, নাহৰ আদি গছৰ উপৰিও বাঁহ-বেত অতি সহজলভ্য। বৈষ্ণৱ সত্ৰসমূহৰ নিৰ্মাণো স্থানীয় গছ-গছনিৰে হৈছিল। "১৬শ শতিকাৰ শেষভাগত মাধৱদেৱে সত্ৰসমূহত বিশেষকৈ বৰপেটা সত্ৰত আমগছ, কেতেকী ফুল আদি ৰুই তেতিয়াৰ কালতে বৃক্ষৰোপণ আঁচনি আৰম্ভ কৰিছিল। বৰপেটা সত্ৰৰ কেতেকীবাৰীত ৰোৱা কেতেকী ফুলে আজিও অতীতৰ মহিমামণ্ডিত পবিত্ৰ স্মৃতি বহন কৰি আহিছে। যাৰ কাৰণে এই অঞ্চলৰ লোকে প্ৰথম বৃক্ষ ৰোপণ আঁচনিৰ অধিকাৰী হিচাপে গৌৰৱ কৰিব পাৰে।"[২৮]

**১.৭ জনসংখ্যা ঃ**

বৰপেটা এখন জনবহুল জিলা। ২০০১ চনৰ লোকপিয়ল অনুসৰি জিলাখনৰ জনসংখ্যা আছিল ১৩,৯৪,৭৫৫ গৰাকী।[২৯] ২০১১ চনৰ লোকপিয়লত জনসংখ্যা বৃদ্ধি হৈ ১৬,৯৩,৬২২ গৰাকী হয়। জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল ২১.৬৩ শতাংশ।[৩০] ২০01 চনত প্ৰতি ১,০০০ জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা আছিল ৯৪১ আৰু ২০১১ চনত প্ৰতি ১,০০০ জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা হয় ৯৫৩। ২০১১ চনৰ লোকপিয়ল অনুসৰি জিলাখনৰ জনসংখ্যা হ'ল [৩১]

| | | |
|---|---|---|
| মুঠ জনসংখ্যা | - | ১৬,৯৩,৬২২ |
| পুৰুষ | - | ৮,৬৭,০০৪ |
| মহিলা | - | ৪,২৬৬ |
| ঘনত্ব | - | ৬৩২ |

**১.৮ শিক্ষা ঃ**

মধ্য যুগত শিক্ষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ আছিল বৰপেটা জিলা। বৰপেটা জিলাৰ সত্ৰ-নামঘৰসমূহ আধ্যাত্মিক চিন্তা-চৰ্চাৰ কেন্দ্ৰ আছিল। হিন্দুসকলে সংস্কৃত টোলত শিক্ষাগ্ৰহণ কৰিছিল। মুছলমানসকলে 'মোক্তাব'ত শিক্ষাগ্ৰহণ কৰিছিল। আধুনিক শিক্ষা-ব্যৱস্থাৰ অগ্ৰগতিৰ লগে লগে বৰপেটা জিলায়ো যথেষ্ট আগুৱাই যায়। বৰ্তমান বৰপেটা জিলাত বিশ্ববিদ্যালয়, মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, প্ৰাথমিক বিদ্যালয়, আইন মহাবিদ্যালয়, পলিটেক্‌নিক মহাবিদ্যালয়, আই টি আই, চিকিৎসা মহাবিদ্যালয়, শিক্ষা আৰু শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান, বি. এড. মহাবিদ্যালয় ইত্যাদি স্থাপন হৈছে। ২০১৯ চনত পাঠশালাৰ বজালী মহাবিদ্যালয়খন উন্নীত কৰি ভট্টদেৱ বিশ্ববিদ্যালয় গঠন কৰা হয়। সৰ্থেবাৰীৰ নসত্ৰত এখন বেচৰকাৰী বিশ্ববিদ্যালয়— 'কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়' স্থাপন হৈছে। বিশ্ববিদ্যালয়খনৰ অধীনত মহাবিদ্যালয়, নাৰ্চিং মহাবিদ্যালয় আদি স্থাপন হৈছে। অসমৰ পঞ্চমখন

চিকিৎসা মহাবিদ্যালয় বৰপেটা জিলাত আছে। ২০১১ চনত ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি, বৰপেটাৰ সন্তান ফকৰুদ্দিন আলী আহমেদৰ নামত ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল স্থাপন হয়। ২০১৭-২০১৮ চনৰ Directorate of Secondary Education ৰ তথ্য অনুসৰি বৰপেটা জিলাত প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় ২৮৪ খন, ম'ডেল স্কুল ৫ খন, জুনিয়ৰ কলেজ ৩ খন, সংস্কৃত টোল ৭ খন, মাদ্ৰাছা ১১ খন আছে।[৩২] নিম্ন প্ৰাথমিক বিদ্যালয় ১৯৪১ খন আৰু উচ্চ প্ৰাথমিক বিদ্যালয় ৩৩৪ খন। চৰ-চাপৰিসমূহতো অসমীয়া মাধ্যমৰ প্ৰাথমিক, উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন হৈছে। বাঘমাৰা চৰ হাইস্কুল, খোলাবান্ধা হাইস্কুল, চেনিমাৰী চৰৰ আজাদ মেমোৰিয়েল হাইস্কুল আদি চৰ অঞ্চলৰ শিক্ষাৰ প্ৰতিষ্ঠান। আলোপতি চৰৰ লুইতপৰীয়া মহাবিদ্যালয় ২০১৩ চনত প্ৰাদেশীকৃত হয়। ইয়াৰ আৰ্হিৰে বাঘমাৰা চৰ, আলোপতি চৰত জুনিয়ৰ কলেজ স্থাপন হৈছে। বৰপেটাৰ গণককুছি গাঁৱত এখন পলিটেক্নিক কলেজ আছে। বৰপেটা জিলাৰ হাউলীত শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান এখন আছে। জিলাখনত নৰ্মাল স্কুল এখন আৰু চৰকাৰী বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ দুখন আছে।

২০১১ চনৰ লোকপিয়ল অনুসৰি জিলাখনত শিক্ষিতৰ হাৰ ৬৩.৮১ শতাংশ। গাঁৱত শিক্ষিতৰ হাৰ ৬১.৪৭ শতাংশ আৰু চহৰত শিক্ষিতৰ হাৰ ৮৫.২৮ শতাংশ। ২০১১ চনৰ লোকপিয়ল মতে-[৩৩]

| | | |
|---|---|---|
| মুঠ শিক্ষিত ব্যক্তি | - | ৮,৯৭,০৫৮ |
| শিক্ষিত মহিলা | - | ৩,৯৪,০২০ |
| শিক্ষিত পুৰুষ | - | ৪,৯৯,০৩৪ |
| পুৰুষ শিক্ষিতৰ হাৰ | - | ৫৫.৬৩ শতাংশ |
| মহিলাৰ শিক্ষিতৰ হাৰ | - | ৪৪.৩৭ শতাংশ |

**১.৯ যাতায়াত ঃ**

সু-যাতায়াত ব্যৱস্থাই এখন ঠাইৰ বিকাশক ত্বৰান্বিত কৰে। মানৱ সভ্যতাৰ বিকাশত পৰিৱহন ব্যৱস্থাৰ যথেষ্ট গুৰুত্ব আছে। মধ্য যুগত বৰপেটাৰ পৰিৱহন ব্যৱস্থা উন্নত নাছিল। ব্ৰহ্মপুত্ৰ, চাউলখোৱা, পল্লা, পহুমাৰা নৈ-উপনৈসমূহত জল পৰিৱহনেই মূল ব্যৱস্থা আছিল। ৰাস্তা-ঘাট আৰু ৰেল পথ নোহোৱাৰ বাবে জল পৰিৱহন ব্যৱস্থাৰ ব্যৱহাৰ হৈছিল। শংকৰী যুগত শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱে জিলাখনত নাৱেৰে ভ্ৰমি বৰপেটা, বাৰাদি, সুন্দৰীদিয়া, গণককুছি, কমাৰকুছি আদিত সত্ৰ স্থাপন কৰাৰ উল্লেখ চৰিত পুথিত পোৱা যায়।[৩৪] শংকৰদেৱে চাউলখোৱা নদীৰে উজাই আহি গয়াজানেৰে বৰপেটাত প্ৰৱেশ কৰাৰ সময়ত গয়াজানৰ প্ৰবল ধাৰৰ বাবে সোমাই অহাত কষ্টৰ সন্মুখীন হৈছিল।[৩৫] নৰনাৰায়ণৰ ৰাজত্বকালত বৰপেটাত নাৱৰ প্ৰচলন আছিল। মানৰ আক্ৰমণৰ সময়ত এজাকমান শত্ৰুৱে চাউলখোৱা নদীয়েদি আহি বৰপেটা আক্ৰমণ কৰিছিল।[৩৬] জিলাখনৰ দক্ষিণৰ অঞ্চল দ; জলাশয়, নদীৰে পৰিপূৰ্ণ।

বহৰি ঘাট, তাৰাবাৰী ঘাট, খোলাবান্ধা ঘাট আদি এসময়ৰ ব্যস্ত ঘাট আছিল। বৰপেটাৰ নৈ-উপনৈ, জানত ব্যক্তিগত নাও আৰু চৰকাৰী বাস্পচালিত নাও চলিছিল। বৰ্তমান সময়ত চৰ-চাপৰি অঞ্চলৰ বাবে জলপথেই প্ৰধান ব্যৱস্থা। মন্দিয়া ঘাটৰ পৰা বিভিন্ন চৰলৈ নাও আৰু কাঠৰ ছৈ দিয়া ভূটভূটী চলে। চৰৰ কৃষিজাত উৎপাদন নাওসমূহে পৰিৱহন কৰে। চাউলখোৱা, মানাহ আদি নদীত সৰু কাঠৰ নাও কিছুমান বৰ্তমান চলা দেখা যায়। ৰজা নৰনাৰায়ণৰ ৰাজত্বকালত কোঁচ সৈন্য অহা-যোৱা কৰাৰ বাবে কোঁচবিহাৰৰ পৰা বৰপেটাৰ মাজেৰে লক্ষীমপুৰৰ নাৰায়ণপুৰলৈ আলিবাট নিৰ্মাণ কৰা হৈছিল। এই আলিবাটটো গোহাঁইকমল আলিবাট নামেৰে জনা যায়।[৩৭] বৰপেটা জিলাৰ কেবাখনো ঠাইক আলিবাটটোৱে সংযোগ কৰিছে। বৰপেটাক ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথে সংযোগ কৰিছে। জিলাখনৰ ৰাষ্ট্ৰীয় ঘাইপথ সহিতে মুঠ পথৰ দৈৰ্ঘ্য ২০৫৭ কিঃমিঃ। ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য ১০৩ কিঃমিঃ, ৰাজ্যিক ঘাইপথৰ দৈৰ্ঘ্য ১২০ কিঃমিঃ, মুখ্য জিলাপথ ১৭১ কিঃমিঃ, গাঁৱলীয়া পথৰ দৈৰ্ঘ্য ১৯২৭ কিঃমিঃ।[৩৮] ৰাষ্ট্ৰীয় ঘাইপথে হাউলী, পাঠশালা, সৰভোগ ইত্যাদি প্ৰধান ঠাইবোৰক সংযোগ কৰিছে। অসম চৰকাৰৰ গড়কাপ্তানী বিভাগে জিলাখনৰ ৰাস্তা-ঘাট মেৰামতি আৰু নিৰ্মাণৰ কাম কৰে। স্থল পৰিৱহনৰ ক্ষেত্ৰত চৰকাৰী বাছ সেৱাৰ উপৰিও বেচৰকাৰী বাছ সেৱাই মুখ্য ভূমিকা গ্ৰহণ কৰিছে।

ৰেলপথে জিলাখন বহিঃৰাজ্যৰ লগত সংযোজিত কৰিছে। সৰভোগ, গুৱাগাছা, বৰপেটাৰোড, পাঠশালাত ৰেল ষ্টেচন আছে। বৰপেটাৰোড ষ্টেচনটো যথেষ্ট গুৰুত্বপূৰ্ণ। উজনি আৰু নামনিমুৱা প্ৰায়ভাগ ৰেলগাড়ী, মালগাড়ী ইয়াত ৰাখে। বিভিন্ন মালপত্ৰ, চুপাৰি, মৰাপাট আদি বৰপেটাৰোড ষ্টেচনৰ পৰা বহিঃৰাজ্যলৈ যায়।

**১.১০ ধৰ্ম আৰু জনগাঁথনি ঃ**

বৰপেটা জিলা বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বাসস্থান। শাক্ত, শৈৱ, বৈষ্ণৱ, ইছলাম, বড়ো জনগোষ্ঠীয় বাথৌ আদি ধৰ্মৰ লোক অতীজৰে পৰা জিলাখনত বসবাস কৰি আহিছে। বৰপেটা জিলা যোড়শ শতিকাত নৱ-বৈষ্ণৱ ধৰ্মৰ মূল কেন্দ্ৰস্থল হৈ পৰে। মিছনেৰীসকল অহাৰ পিছত বহু লোক খ্ৰীষ্টান ধৰ্মত দীক্ষিত হয়। ইয়াৰ উপৰিও অলপ সংখ্যক জৈন, বৌদ্ধ, শিখ ধৰ্মাৱলম্বী লোক আছে। হিন্দু আৰু ইছলাম মুখ্য ধৰ্ম। জিলাখনৰ শংকৰী ধৰ্মৰ প্ৰভাৱ সম্পৰ্কে পদ্মনাথ গোহাঞিবৰুৱাই এনেদৰে মন্তব্য কৰিছে - "শংকৰী সমাজ সংস্কাৰৰ চিন-চাব বৰপেটীয়া অসমীয়াৰ গাত যিমান ডাঠকৈ বহিছিল, আন অসমীয়াৰ গাত সিমানকৈ বহা নাছিল।"[৩৯] ২০১১ চনৰ লোকপিয়ল অনুসৰি জিলাখনৰ বিভিন্ন ধৰ্মাৱলম্বী লোকৰ জনসংখ্যা এনেধৰণৰ ঃ[৪০]

| | | |
|---|---|---|
| হিন্দু | - | ২৯.১১ শতাংশ |
| মুছলিম | - | ৭০.৭৪ শতাংশ |

| | | |
|---|---|---|
| খ্ৰীষ্টান | - | ০.০৬ শতাংশ |
| শিখ | - | ০.০১ শতাংশ |
| জৈন | - | ০.০০২ শতাংশ |

জিলাখনৰ চৰ অঞ্চল প্ৰব্ৰজিত মুছলমান অধ্যুষিত অঞ্চল। বৰপেটা সদৰ, বৰনগৰ, পাঠশালা, সৰ্থেবাৰী, গজিয়া, সৰুপেটা আদি হিন্দু অধ্যুষিত অঞ্চল। কলগাছিয়া, মন্দিয়া, বাঘবৰ, তাৰাবাৰী, সত্ৰকনৰা, কালঝাৰ, কাদং, মাজদিয়া, দাবালীয়াপাৰা আদি মুছলমান অধ্যুষিত অঞ্চল। বৰপেটাৰোড, পাঠশালা আদি ঠাইত শিখ, খ্ৰীষ্টান আদি লোক স্থায়ীভাৱে বসবাস কৰি আহিছে। "প্ৰাচীন কামৰূপৰ জন-প্ৰব্ৰজনৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় প্ৰব্ৰজনকাৰীসকলৰ ভিতৰত অষ্ট্ৰিক-মংগোলীয় গোষ্ঠীৰ লোকসকলেই হ'ল কামৰূপৰ আদিম অধিবাসী।"[৪১] অবিভক্ত কামৰূপৰ অংশ বৰপেটাত আৰ্য ভিন্ন গোষ্ঠীৰ বড়ো-কছাৰী লোক আছে। কৈৱৰ্ত সম্প্ৰদায়ৰ লোক বৰপেটা সদৰ, বৰনগৰ আদি অঞ্চলত বিস্তৃত হৈ আছে। সৰভোগ, বাঘমাৰা, পাঠশালা, ভৱানীপুৰ, বৰপেটাৰোডৰ উত্তৰ অঞ্চল, বেন্নিবাৰী, মৌটুপুৰী আদি জনবসতি অধ্যুষিত অঞ্চল। ব্ৰাহ্মণ, কলিতা, কায়স্থ, কেওঁট আদি জাতিৰ লোক জিলাখনৰ বাসিন্দা। বৰপেটা জিলা নানা বৃত্তিগত সম্প্ৰদায়ৰ বাসস্থান। যোড়শ শতিকাত বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাই বৰপেটাৰ ২২ খন হাটীত নানা বৃত্তিগত সম্প্ৰদায় সংস্থাপিত কৰিছিল। তাঁতী, হীৰা, কুমাৰ, কমাৰ, মুখী, বণিয়া বৃত্তিগত সম্প্ৰদায়ৰ লোকে সত্ৰৰ বিভিন্ন সেৱাৰ কাম কৰে।[৪২] ইয়াৰ উপৰিও বঙালী, বিহাৰী, মাৰোৱাৰী আদি লোকো জিলাখনত আছে।

**১.১১ অৰ্থনৈতিক জীৱন ঃ**

বৰপেটা জিলাত বসবাস কৰা লোকসকলৰ মূল জীৱিকাৰ সম্বল কৃষি যদিও ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো তেওঁলোক নিয়োজিত হৈ জীৱন-জীৱিকা পৰিচালনা কৰি আহিছে। তলত এই সম্পৰ্কীয় দিশসমূহৰ বিষয়ে আলোচনা কৰা হৈছে —

**১.১১.১ ব্যৱসায়-বাণিজ্য ঃ**

বৰপেটা বেহা-বেপাৰৰ প্ৰধান কেন্দ্ৰ। নদ-নদীৰে পূৰ্ণ বৰপেটা জিলাৰ জল পৰিৱহন ব্যৱস্থা সুচল হোৱাৰ বাবে বেহা-বেপাৰ কৰাত সুবিধা হৈছিল। "যোড়শ শতিকাত নাৱেৰে বেপাৰ কৰি ফুৰা ধনী সদাগৰসকলৰ ভিতৰত ভবানন্দ সাউদ প্ৰখ্যাত আছিল। পিছলৈ তেওঁ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ সান্নিধ্যলৈ আহি নাৰায়ণ দাস ঠাকুৰ আতা নাম পাইছিল।[৪৩] ঊনৈশ শতিকাৰ শেষভাগত বৰপেটা সদৰৰ পূবৰ নখান্দা নদীৰে সুদূৰ পদ্মা, গংগা, মেঘনা আদি নদীয়েদি ব্যৱসায়ীবোৰ বাংলাদেশৰ বৰিশাল, ঢাকা, চিৰাজগঞ্জ আদি নৈৰ বন্দৰৰ পৰা বেহা-বেপাৰৰ বাবে বৰপেটালৈ আহিছিল। প্ৰকাণ্ড

নাওবোৰে নাৰিকল, গুড়, মিঠৈ আদি বস্তু আনিছিল আৰু যাওঁতে ধান, মৰাপাট আদি লৈ গৈছিল।[৪৪] ১৯৪৭ চনত পাকিস্তান গঠনৰ ফলত বৰপেটাৰ এই সমৃদ্ধিশালী কাৰবাৰ বন্ধ হয়।[৪৫] হাদিৰাচকী অসমৰ পশ্চিম সীমান্তৱৰ্তী ব্যৱসায়ৰ অন্যতম কেন্দ্ৰস্থল আছিল। ১৭৩৯ চনত হাদিৰাচকীত গৌৰীনাথ সিংহ আৰু কেপ্তেইন ৱেলছৰ মাজত চুক্তি সম্পাদিত হয়।[৪৬] চুক্তিমৰ্মে হাদিৰাচকীত আমদানি আৰু ৰপ্তানি সামগ্ৰীৰ শুল্ক আদায়ৰ চকী স্থাপন কৰা হয়। বৰপেটাত বিজয়সিংহ চৰ্দাৰ বংশৰ হৰিপ্ৰসাদ চৌধুৰীয়ে হাদিৰাত চকীয়ালৰ কাম কৰিছিল। ব্যৱসায় কৰিবলৈ বৰপেটা আৰু সুন্দৰীদিয়াৰ বহুতো লোক হাদিৰাচকীলৈ গৈছিল। "হাদিৰাচকীৰ পৰা ৰপ্তানি সামগ্ৰী আছিল প্ৰধানকৈ মুগা, লা, সোণ, হাতীদাঁত; গঁড়ৰ শিং, কপাহ, শুকান জলকীয়া, দেৱদাৰু কাঠ, আদা, সুৰগা, সৰু ঘোঁৰা, চুপাৰি, সৰিয়হ; আমদানি সামগ্ৰীৰ ভিতৰত আছিল প্ৰধানকৈ লোণ, তাম আৰু সীহ আদি ধাতু, কপাহ, বিলাতী পছম আৰু মছলা।[৪৭] ১৮৩৫ চনত হাদিৰাচকী উঠাই দিয়া হয়। ভূটানৰ লগতো বৰপেটাৰ বেহা-বেপাৰ চলিছিল। ভূটানৰ পৰা সৈন্ধৱ লৱণ, অগৰু কাঠ, চীনা ৰেচম আদি আমদানি কৰা হৈছিল। কপাহী কাপোৰ, জন্তুৰ ছাল, ম'হৰ শিং, এড়ী সূতা, কাপোৰ আদি ৰপ্তানি কৰা হৈছিল। বৰপেটাৰ বেপাৰীয়ে উজনি অসমলৈও বেপাৰ কৰিবলৈ গৈছিল। Assam District Gazetteeত বি. চি. এলেনে এনেদৰে কৈছে— "There is however a considerable trade in rice, pulse and mustard and the merchants of Barpeta extend their operations as far as the Majuli in Sibsagar."[৪৮] বেঁকী, নখান্দা আদি নদীৰে ভাঁহি অহা কাঠবোৰ বৰপেটাৰ লোকে বিক্ৰী কৰিছিল। জিলাখনৰ বিভিন্ন ঠাইত চাবোন, মম, বেকাৰী, ধানভঙা কল, ইটাৰ ভাটা, কাঠৰ মিল, প্ৰেছ আদি ক্ষুদ্ৰ উদ্যোগ আছে। পৰম্পৰাগত কুটীৰ শিল্পও জিলাখনৰ বিভিন্ন ঠাইত আছে। কয়াকুছিৰ ঢাৰি শিল্পই আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। সৰ্থেবাৰীৰ কাঁহ-পিতলৰ শিল্প, বৰপেটাৰ অলংকাৰ শিল্প, গুৰু আসন শিল্প, হাতীদাঁতৰ শিল্পৰ ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম আছে। কমাৰ, কুমাৰ, হীড়া, সোণাৰী, তাঁতী আদি বহুতো বৃত্তিগত সম্প্ৰদায় বৰপেটাত সিঁচৰতি হৈ আছে। এই লোকসকল নানা কুটীৰ শিল্প উৎপাদনৰ লগত জড়িত হৈ আছে। বাঁহ-বেতৰ শিল্প, ঢকুৰাৰ সামগ্ৰী তৈয়াৰ কৰা শিল্প উদ্যোগ, মৃৎ শিল্প, আতচবাজী শিল্প আদি বৰপেটাৰ উল্লেখযোগ্য কুটীৰ শিল্প। বৰ্তমান সময়ত বৰপেটাৰোড, হাউলী, সৰভোগ, বহৰি, মন্দিয়া, কলগাছিয়া আদি বেহা-বেপাৰৰ কেন্দ্ৰ হিচাপে গঢ়ি উঠিছে। হাউলীৰ চুপাৰী অসমৰ বাহিৰলৈও ৰপ্তানি হয়। সৰভোগৰ দৈ, ক্ৰীম আদি অসমৰ বিভিন্ন জিলালৈ যায়।

### ১.১১.২ কৃষি ঃ

বৰপেটাৰ অৰ্থনৈতিক জীৱন মূলতঃ কৃষিৰ লগত জড়িত। জিলাখনৰ মাটি আৰু জলবায়ু কৃষি উপযোগী। বৰপেটা জিলাত প্ৰধানকৈ ধান, মাহজাতীয় শস্য, তৈল শস্য, মৰাপাট, কুঁহিয়াৰ, শাক-

পাচলি, মছলা, উদ্যান শস্য আদিৰ খেতি কৰা হয়। আহু খেতি আৰু শালি খেতি দুয়োবিধ কৰা হয়। আহুৰ বতৰত ইৰিধান ৰোপণ কৰা হয়। ধানৰ ভিতৰত জহাধান, বৰাধান, বাওধান আদি কৰা হয়। উন্নত জাতৰ ভিতৰত মাচুৰী বা আইজং, কালজাৰ-১, মনোহৰ আদি অন্যতম জাত। ৰবি শস্যৰ ভিতৰত মৰাপাট, সৰিয়হ, তিল, আলু, জলকীয়া, পানীলাউ, আদা, ৰঙালাউ প্ৰধানতঃ ৰোপণ কৰা হয়। মৰাপাট জিলাখনত উৎপাদিত অন্যতম বাণিজ্যিক শস্য (cash crop)। বাম আৰু দ দুয়ো প্ৰকাৰৰ ভূমিতেই মৰাপাটৰ খেতি কৰা হয়। সমবায় ভিত্তিত ক্ষুদ্ৰ মৰাপাট কল আছে। জিলাখনৰ চৰ-চাপৰি অঞ্চলৰ লোকসকলে উৎপাদন কৰা ফলমূল, শস্য, মৰাপাট আদি জিলাখনৰ লগতে আন আন ঠাইলৈও ৰপ্তানি হয়। বৰপেটাৰ চৰৰ বালিচহীয়া মাটিত উৎপাদিত তৰমুজ, কুঁহিয়াৰ, কল, আনাৰস আদিয়ে অসমৰ ফল-বজাৰৰ বৃহৎ চাহিদা পূৰণ কৰিছে। মন্দিয়া বজাৰ, বহৰি বজাৰ, কাদং বজাৰ, ময়নবড়ী বজাৰ, কাছমাৰা বজাৰ, দলগোমা বজাৰত চৰ-চাপৰিৰ উৎপাদিত দ্ৰব্যৰ বেচা-কিনা হয়। উন্নত হাইব্ৰীড বীজ ৰোপণ কৰি জিলাখনত উন্নত কৃষি-পদ্ধতিৰ প্ৰচলন হৈছে। কিছুমান ঠাইত জলসিঞ্চনৰ বাবে নলী-নাদৰ (deep tube well) ব্যৱস্থা আছে। জিলাখনৰ বহুতো ঠাইত মীন পালন কেন্দ্ৰ গঢ়ি উঠিছে। আধুনিক বিজ্ঞানসন্মত পদ্ধতি প্ৰয়োগ কৰি মাছৰ পোনা উৎপাদন কৰা হয়। দাবালীয়াপাৰাত উৎপাদিত মাছৰ পোনা ৰাজ্যৰ বিভিন্ন স্থানলৈ যায়। তদুপৰি খাল, বিলসমূহত মীন পালন কৰা হয়। বৰপেটাৰোডৰ পৰা পাঁচ কিঃমিঃ দূৰত্বত বাৰাপেটাত চৰকাৰী পশু পালন ফাৰ্ম এখন আছে। ১৯৭৩-৭৪ চনত ভাৰত চৰকাৰ আৰু অষ্ট্ৰেলিয়া চৰকাৰৰ মাজত হোৱা চুক্তি অনুসৰি বাৰাপেটা ফাৰ্ম স্থাপন কৰা হয়। এই ফাৰ্মখনত অষ্ট্ৰেলিয়াৰ পৰা অনা উন্নত জাতৰ জাৰ্চি গৰু আৰু স্থানীয় গৰুৰ বৰ্ণশংকৰ জাতৰ সৃষ্টি কৰে। ফাৰ্মখনে বৰ্ণশংকৰ জাত আৰু গাখীৰ উৎপাদনত বিশেষ অৰিহণা আগবঢ়াইছে। ১৯৭১ চনত অবিভক্ত বৰপেটাৰ ককিলাবাৰীত এখন কেন্দ্ৰীয় কৃষি ফাৰ্ম স্থাপন হৈছিল। অৱশ্যে বৰ্তমান ফাৰ্মখন বাক্সা জিলাৰ অন্তৰ্গত। ফাৰ্মখনে উন্নত জাতৰ বীজ উৎপাদনৰ জৰিয়তে বৰপেটা অঞ্চলৰ কৃষকৰ মাজত জাগৰণ আনিছিল।

**১.১২ বৰপেটাৰ উল্লেখযোগ্য সাংস্কৃতিক আৰু ঐতিহাসিক ঘটনাৱলী ঃ**

বৰপেটাৰ সাংস্কৃতিক জীৱন অতি চহকী। অসমৰ সংস্কৃতি জগতৰ বহুতো বৰেণ্য ব্যক্তি বৰপেটাত জন্ম হৈছে। বৰপেটা জিলা বহুতো সাংস্কৃতিক ঘটনাৰ সাক্ষীস্বৰূপ। মৈৰা চৰাইয়ে চালি ধৰাৰ দৰে প্ৰদৰ্শন কৰা চালি নৃত্য সত্ৰীয়া সংস্কৃতিৰ অন্যতম সম্পদ। "মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে বৰপেটা সত্ৰত এই চালি নাচৰ সৃষ্টি কৰে।"[৪৯] ভোৰতাল নৃত্য বীৰ নাম বা থিয় নামৰ পৰা উদ্ভৱ হোৱা নৃত্য। বৰপেটা সত্ৰৰ ভকত মহানন্দ সূত্ৰধাৰৰ দ্বাৰা এই নৃত্য প্ৰৱৰ্তন কৰা বুলি কোৱা হয়।[৫০] পৰৱৰ্তী সময়ত সত্ৰৰ বুঢ়াভকত নৰহৰি বুঢ়াভকতে ভোৰতাল নৃত্য জনপ্ৰিয় কৰি তোলে। নৰহৰি বুঢ়াভকতে ভাৰতীয় গণনাট্যৰ

মঞ্চৰ লগত জড়িত হৈ সৰ্বভাৰতীয় স্তৰত সত্ৰীয়া সংস্কৃতিক সু-প্ৰতিষ্ঠিত কৰি তোলে। কামৰূপী লোকগীতক সৰ্বভাৰতীয় পৰ্যায়লৈ লৈ যোৱা ৰামেশ্বৰ পাঠক বৰপেটা জিলাৰ সন্তান। ভাৰত চৰকাৰৰ সংগীত নাটক অকাদেমি বঁটা লাভ কৰা দুলাল ৰয়, প্ৰভাত শৰ্মা, জগন্নাথ বায়ন, ৰামকৃষ্ণ তালুকদাৰ বৰপেটাৰ গৌৰৱ। পুৰুষোত্তম দাস গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ প্ৰতিষ্ঠা কালৰ বিশিষ্ট সুৰকাৰ, গীতিকাৰ আছিল। ওস্তাদ খগেন্দ্ৰ নাথ দাস, দয়াল সূত্ৰধাৰ, যোগেশ ভৰালী, গোকুল পাঠক আদি সংগীত-ক্ষেত্ৰৰ বিশিষ্ট লোক। বৰপেটাৰ গুৰুপ্ৰসাদ দাসে ৰে'লৰ নতুন ব্ৰেক পদ্ধতিৰ উদ্ভাৱন কৰিছিল। এই ব্ৰেকক 'জে পি ব্ৰেক' নামেৰে জনা যায়। অসমৰ ভ্ৰাম্যমাণ নগৰী পাঠশালা বৰপেটা জিলাত অৱস্থিত।

বৰপেটা জিলাৰ ঐতিহাসিক ঘটনাৱলীৰ ভিতৰত উল্লেখযোগ্য হ'ল - হাদিৰাচকীৰ ৰণ, বৰনগৰ, লাছিমা বিদ্ৰোহ আদি। হাদিৰা চকী ব্ৰহ্মপুত্ৰৰ পাৰৰ বাঘবৰ আৰু ময়নবড়ীৰ মাজত অৱস্থিত। হাদিৰা চকী ঐতিহাসিক ঘটনাৰ সাক্ষী। আহোম ৰজা চন্দ্ৰকান্ত সিংহ মানৰ হাতত ইয়াতে পৰাজিত হৈছিল।

বৰনগৰত থকাৰ সময়ত ১৫৪৭ চনত কোঁচ ৰজা নৰনাৰায়ণে ভায়েক গোঁহাই কমলৰ হতুৱাই কোঁচবিহাৰৰ পৰা লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰলৈ গোঁহাই কমল আলি বান্ধি উলিয়ায়।[৫১] এই আলি বৰপেটা জিলাৰ মাজেৰে গৈছে। সৰুক্ষেত্ৰীৰ লাছিমাত ব্ৰিটিছ খাজনা নীতিৰ প্ৰতিবাদত ১৮৯৪ চনত কৃষক বিদ্ৰোহ হৈছিল। ইয়াৰ বৰনগৰ অঞ্চলটোৱে নানা ঐতিহাসিক উত্থান-পতনৰ সাক্ষ্য বহন কৰিছে। মহাৰাজ নৰনাৰায়ণৰ ৰাজত্ব কালত বৰনগৰ ৰাজধানী আছিল। বৰনগৰ শিক্ষা, সংস্কৃতি আধ্যাত্মিক চৰ্চাৰ কেন্দ্ৰস্থল আছিল। ব্ৰিটিছ শাসন কালত এই (ছয় পৰগনা) নামৰ জিলা এখন গঠন কৰিছিল। তাত বাউসী, চকাবাউসী, বৰনগৰ, বৰপেটা, বগৰিবাৰী, নগৰবেৰা নামৰ ছয়খন পৰগনাৰ অন্তৰ্ভুক্ত হৈছিল। স্বাধীনতা আন্দোলনৰ সময়ত বৰনগৰত থকা বিমান ঘাটি ব্ৰজনাথ শৰ্মাৰ নেতৃত্বত জ্বলাই দিয়া হৈছিল।[৫২]

**১.১৩ সাহিত্যিক ঐতিহ্য ঃ**

লিখিত সাহিত্যৰ লগতে লোকসাহিত্য বা জন-সাহিত্যলৈও বৰপেটা জিলাৰ যথেষ্ট অৱদান আছে। জিলাখনৰ বৈচিত্ৰ্যপূৰ্ণ লোকসাহিত্যৰ অন্যতম সম্পদ হ'ল ডাকৰ বচনসমূহ। "অসমীয়া পণ্ডিত সকলৰ মতে ডাক-প্ৰবচনৰ স্ৰষ্টা ডাকপুৰুষৰ জন্ম হৈছিল বৰপেটাৰ ওচৰৰ লেহিডঙৰা গাঁৱত।[৫৩] ডাকৰ বচনত এনেদৰে পোৱা যায়। "লেহিডংৰা ডাকৰ গাঁও। সাতশ সাতোটা পুখুৰী নাও। সেই গাঁৱত উপজিল ডাক। উপজিয়া ডাকে বোলে বাক।"[৫৪] বৰপেটাৰ নিংনি ভাওৰা লোককথাৰ ক্ষেত্ৰখনৰ মনোৰঞ্জক কৌতুহলী চৰিত্ৰ। প্ৰাক্‌শংকৰী যুগত কবিৰত্ন সৰস্বতীৰ জন্ম হৈছিল বৰপেটা অঞ্চলৰ ছোট শিলা নামে গাঁৱত। কবিৰত্ন সৰস্বতীৰ ভণিতাত এনেদৰে উল্লেখ পোৱা যায় —

"ছোট শিলা নাম আছে এক গ্ৰাম য'ত গ্ৰাম মধ্যে সাৰ।
আছিল তথাত জগত প্ৰখ্যাত চক্ৰপাণি শিকদাৰ।।

তাহান তনয় অতি শুভনয় কবিৰত্ন সৰস্বতী।

দ্ৰোণপৰ্ব পদ জয়দ্ৰথ বধ কৌতূহলে নিগদিত।।[৫৫]

শংকৰদেৱৰ সমসাময়িক পাঁচালী কবি পীতাম্বৰ বৰপেটা অঞ্চলৰ লোক আছিল। নাৰায়ণ দাস ঠাকুৰ আতাক বৰপেটাত প্ৰৱেশ কৰি শংকৰদেৱে প্ৰশ্ন কৰাত সেই অঞ্চলৰ বিশিষ্ট লোক হিচাপে পীতাম্বৰ কবিৰ নাম কৈছিল।[৫৬] পীতাম্বৰ কবিয়ে ঊষা পৰিণয়, ভাগৱতৰ দশমস্কন্ধ, মাৰ্কণ্ডেয় চণ্ডী আৰু নল দময়ন্তী ৰচনা কৰিছিল। বৰপেটা নৱ-বৈষ্ণৱ সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল হে পৰে। শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱৰ লগতে আতাপুৰুষসকলে বৰপেটাত সত্ৰ স্থাপন কৰি সাহিত্য সৃষ্টি কৰি থৈ গৈছে। শংকৰদেৱে পাটবাউসীত ১৮ বছৰ ৬ মাহ কাল থাকে। পাটবাউসী সত্ৰত কীৰ্তনঘোষাৰ বাকী থকা অংশ সমাপ্ত কৰে। ভাগৱতৰ বিভিন্ন স্কন্ধৰ ভাঙনি পাটবাউসী সত্ৰতে কৰে। "বলিছলন, নিমিনৱসিদ্ধ সংবাদ, কুৰুক্ষেত্ৰ কাব্য আদি পুথি, পাৰিজাত হৰণ, ৰুক্মিণীহৰণ, কেলিগোপাল, কালীয় দমন প্ৰভৃতি নাট আৰু আদ্য দশম, ভক্তি ৰত্নাকৰ আদি গ্ৰন্থ ইয়াত ৰচনা কৰে। পাটবাউসীত থাকোঁতেই শংকৰদেৱে উত্তৰাকাণ্ড ৰামায়ণ ৰচনা কৰে আৰু মাধৱদেৱক আদিকাণ্ড ৰচিবলৈ আজ্ঞা কৰে।"[৫৭] উজনি অসমৰ পৰা আহি মাধৱদেৱে বৰপেটাৰ বিভিন্ন স্থানত সত্ৰ স্থাপন কৰি সাহিত্য চৰ্চা কৰিছিল। "১৫৬৮ চনত এওঁৰ ওপৰত পন্থৰ সৰ্বভাৰ দি শংকৰদেৱ বৈকুণ্ঠী হয়। ইয়াৰ অলপ দিন পিছত মাধৱদেৱে পাটবাউসীত এবছৰমান থাকি সুন্দৰীদিয়াত স্থায়ী সত্ৰ পাতে আৰু শাস্ত্ৰ ৰচনা আৰু নামধৰ্ম প্ৰচাৰত আত্মনিয়োগ কৰে; মাজে মাজে কামৰূপৰ নানা ঠাইত ভ্ৰমণ কৰি ধৰ্ম প্ৰচাৰৰ কাম কৰে। ইয়াৰ পিছত তেওঁ তাঁতীকুছি গাঁৱলৈ গৈ বৰপেটা সত্ৰ থাপনা কৰি ৰয়।"[৫৮] মাধৱদেৱে বৰপেটা জিলাৰ বিভিন্ন সত্ৰত জীৱনৰ বেছিখিনি সময় অতিবাহিত কৰে। বৰপেটা, বাৰাদি, পাটবাউসী, গণককুছি, সুন্দৰীদিয়া সত্ৰত মাধৱদেৱে প্ৰায়খিনি গীত, পদ, নাট ৰচনা কৰে। মাধৱদেৱে গণককুছি সত্ৰত ১৮ বছৰ ৬ মাহ কাল আৰু সুন্দৰীদিয়া সত্ৰত ১৪ বছৰ ৬ মাহ আছিল বুলি কয়।[৫৯] সুন্দৰীদিয়াত থাকোঁতে নামঘোষা ৰচনা কৰে।[৬০] তদুপৰি ভক্তিৰত্নাৱলীৰ ভাঙনি, চোৰধৰা, পিম্পৰা গুচোৱা, ভোজনবিহাৰ সুন্দৰীদিয়াত থাকোঁতে ৰচনা কৰে। "জয়গুৰু শংকৰ সৰ্বগুণাকৰ আদি গুৰু ভটিমাটি, প্ৰাতস সময়ে যশোৱা জননী' ভটিমা, দুই-এটি বৰগীত তেওঁ গণককুছিত থাকোঁতে বিভিন্ন সময়ত ৰচনা কৰে।[৬১] শংকৰদেৱে বেহাৰলৈ যোৱাৰ সময়ত মাধৱদেৱক মাতি গ্ৰন্থ ৰচনা কৰিবলৈ দিয়াৰ কথা গুৰু চৰিতত উল্লেখ আছে।[৬২] অসমীয়া গদ্য সাহিত্যৰ জন্মদাতা বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যৰ জন্ম হৈছিল বৰপেটা জিলাৰ বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰামত সুদূৰ যোড়শ শতিকাত। গদ্যত ৰচিত ভট্টদেৱৰ কথা-গীতা, কথা-ভাগৱত, কথা-ৰত্নাৱলী নব্য-ভাৰতীয় আৰ্যভাষাত ৰচিত অন্যতম প্ৰাচীন গদ্য। বৰপেটা অঞ্চলৰ ভৱানীপুৰত গোপালদেৱে সত্ৰ পাতে। কাল সংহতিৰ প্ৰৱৰ্তক গোপাল আতাই উদ্ধৱযান, জন্মযাত্ৰা, নন্দোৎসৱ অংকীয়া নাট ৰচনা কৰে। গোপাল

আতাৰ কন্যা আই পদ্মপ্ৰিয়া হ'ল প্ৰথম অসমীয়া মহিলা কবি। ইয়াৰ বাহিৰেও ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, ৰমানন্দ দ্বিজ, নাৰায়ণ দাস ঠাকুৰ আতা আদি বৈষ্ণৱ আতাপুৰুষ আৰু ভক্তই বৰপেটাত নাট, গীত, পদ, চৰিত সাহিত্যৰ সৃষ্টি কৰি থৈ গৈছে।

কুৰি শতিকাত বৰপেটা জিলাৰ যিসকলে সাহিত্য চৰ্চা কৰে, তাৰ ভিতৰত বাণীকান্ত কাকতি, প্ৰসন্নলাল চৌধুৰী, অম্বিকাগিৰী ৰায়চৌধুৰী, চন্দ্ৰপ্ৰভা শইকীয়ানী, তিলক দাস, যাদৱ চন্দ্ৰ দাস, কোহিৰাম দাস, অৰ্জুন চন্দ্ৰ দাস, ৰামচন্দ্ৰ দাস, সোণাপতি দেৱশৰ্মা, চিন্তাহৰণ পাটগিৰি, ব্ৰজনাথ শৰ্মা, দীননাথ শৰ্মা, যমুমেশ্বৰী খাটনিয়াৰ, হলিৰাম ডেকা, হিতেশ ডেকা, হৰিনাথ শৰ্মা দলৈ, ৰত্ন ওজা, গোকুল পাঠক আদি অন্যতম। বৰপেটাত জন্মগ্ৰহণ কৰা সাহিত্যিকসকলৰ লগতে কৰ্মসূত্ৰে বৰপেটাত আহি বিভিন্নজনে সাহিত্য চৰ্চা কৰে। ঊনৈশ শতিকাৰ মাজভাগত আনন্দৰাম ঢেকিয়াল ফুকনে বৰপেটাত মহকুমাধিপতি হৈ থকা সময়ত অসমীয়া ভাষাৰ স্বতন্ত্ৰতা, পঢ়াশালিত অসমীয়া ভাষাৰ উপযোগিতা আৰু আৱশ্যকতা সম্বন্ধে আলোচিত পুথি 'A few Remarks on the Assamese Language and on the Vernacular Education in Assam'ৰ ভালেখিনি লিখি উলিয়ায়।[৬৩] সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ পিতৃ দীননাথ বেজবৰুৱাই বৰপেটাত মুঞ্চিফ হৈ থাকোঁতে লক্ষ্মীনাথ বেজবৰুৱাই শৈশৱৰ কিছু সময় বৰপেটাত অতিবাহিত কৰিছিল। বৰপেটাত থকা কালছোৱাত শংকৰী সংস্কৃতিয়ে বেজবৰুৱাৰ মন আকৃষ্ট কৰিছিল। এই প্ৰসংগত লক্ষ্মীনাথ বেজবৰুৱাই মোৰ জীৱন সোঁৱৰণত এনেদৰে লিখিছে - "দেউতাৰ সৈতে আমি বৰপেটাৰ কীৰ্তনঘৰলৈ গৈছিলোঁ। কীৰ্তনঘৰৰ বৰখুটা, বৰগছা আৰু কাথিত অৰ্থাৎ বহল পিৰালিত বহি বুঢ়ী ভকতনীসকলে নাম গোৱা দেখিছিলোঁ।"[৬৪] বৰপেটাত মাটিৰ হাকিম হৈ থকাৰ কালছোৱাত ৰজনীকান্ত বৰদলৈয়ে মানৰ আক্ৰমণৰ পটভূমিত 'মনোমতী' উপন্যাস ৰচনা কৰে। বৰপেটাৰ দক্ষিণহাটীত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম হৈছিল ১৮০৭ শকত। 'বীণা', 'তুমি', 'অনুভুতি', 'স্থাপন কৰ স্থাপন কৰ', 'বেদনাৰ উল্কা', 'আজি বন্দো কি ছন্দেৰে' আদি তেওঁৰ কবিতাৰ পুথি। ৰায়চৌধুৰীয়ে একে ৰাতিৰ ভিতৰতে 'বন্দিনী ভাৰত' নামৰ বিদ্ৰোহমূলক নাট ৰচনা কৰি মুখস্থ কৰে। সৰ্থেবাৰীৰ অসম কঁহাৰ সংঘৰ অন্যতম প্ৰতিষ্ঠাপক কোহিৰাম দাসে 'হেমকোষ অভিধান' সংকলনত বিশেষ ভূমিকা লৈছিল। অবিভক্ত কামৰূপ জিলাৰ বৰপেটা মহকুমাৰ বাতিকুৰিহাত বাণীকান্ত কাকতিৰ জন্ম হয়। তেওঁ অসমীয়া ভাষাৰ প্ৰথম গৱেষণামূলক গ্ৰন্থ "Assamese Its Formation and Development" ৰচনা কৰে। ইয়াৰ বাহিৰেও 'পুৰণি অসমীয়া সাহিত্য', 'সাহিত্য আৰু প্ৰেম', 'কলিতা জাতিৰ ইতিবৃত্ত' আদি ভাষা, সাহিত্য, সংস্কৃতি বিষয়ক ভালেমান গ্ৰন্থ ৰচনা কৰে। ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে কৈছে যে "অসম আৰু ভাৰতবৰ্ষই বাণীকান্ত কাকতিৰ দৰে এগৰাকী তীক্ষ্ণ মেধাৰী আৰু উচ্চ আদৰ্শবাদী পুৰুষ লাভ কৰি ভাগ্যবান হৈছিল।"[৬৫] বজালী মহকুমাৰ বামুণকুছিৰ

দীননাথ বেজবৰুৱাই 'আৱাহন' মাহেকীয়া আলোচনী সম্পাদনা কৰিছিল। বিদ্রোহী কবি প্রসন্নলাল চৌধুৰীয়ে 'নীলাম্বৰ' আদি নাট ৰচনা কৰে। বৰপেটা দহাটীৰ নাট্যশিল্পী গিৰিশ চন্দ্ৰ চৌধুৰীয়ে 'মণিপুৰৰ যুদ্ধ', 'শিৱাজী মহাৰাজ', 'ছক্রেটিছ' আদি গ্রন্থ ৰচনা কৰে। এসময়ত যথেষ্ট জনপ্রিয়তা অর্জন কৰা পা-ফু চিৰিজ, ৰহস্য চিৰিজ ডিটেকটিভ উপন্যাসৰ ৰচক প্রেম নাৰায়ণ দত্তৰ জন্ম হৈছিল বজালীৰ ৰতনপুৰ গাঁৱত। বৰপেটাৰ সৰ্থেবাৰীত জন্মগ্রহণ কৰা হলিৰাম ডেকা উচ্চ ন্যায়ালয়ৰ প্রথম অসমীয়া ন্যায়াধীশ আছিল। 'অলকালৈ চিঠি', 'অৰুণালৈ চিঠি' তেওঁৰ দ্বাৰা ৰচিত পত্রোপন্যাস।

ইয়াৰ বাহিৰেও বহুতো কবি-সাহিত্যিকে বৰপেটাক পটভূমি হিচাপে লৈ বা বৰপেটা জিলাৰ ঐতিহ্যত আপ্লুত হৈ সাহিত্য ৰচনা কৰিছে। নিজৰা কবি শৈলধৰ ৰাজখোৱাই শিৱসাগৰৰ পৰা বৰপেটালৈ বদলি হৈ অহাৰ সময়ত বাঘবৰৰ ফুলৰা পাহাৰত থকাৰ সময়ত 'পাষাণ প্রতিমা' শীর্ষক কবিতাটো ৰচনা কৰে। তাৰ পিছত বৰপেটাৰ দৌল আৰু তিথি উৎসৱ দেখি 'বৰপেটা' শীর্ষক কবিতাটোৰে মনৰ ভাব এনেদৰে প্রকাশ কৰে[৬৬]—

"অসমৰ কাশীপুৰী দ্বাৰকা মথুৰাপুৰী
অসমৰ বৰপেটা ধাম,
চাই যোৱা বাটৰুৱা পৰাণ জুৰাই যোৱা
শুনি যোৱা হৰিগুণ নাম।"

কবি গীতিকাৰ কেশৱ মহন্তই ১৯৭৬ চনত টিহু অধিৱেশন উপলক্ষে ৰচনা কৰিছিল 'বৰপেটা, এনেকৈয়ে থাক' নামৰ কবিতাটি[৬৭]—

"বৰপেটা, এনেকৈয়ে থাক
যাদুঘৰ থাকে যেনেকৈ
অথবা
শিপা থাকে যেনেকৈ মাটিৰ গৰ্ভত
একান্ত গোপনে"

অতুল চন্দ্ৰ হাজৰিকাই বৰপেটাৰ ঐতিহ্যময় শংকৰী সংস্কৃতিক 'নৱ বৃন্দাবন' শীর্ষক কবিতাৰ মাজেৰে এনেদৰে প্রকাশ কৰিছে[৬৮] —

"শঙ্কৰ গুৰুৰ মাধৱ প্ৰভুৰ
বৰপেটা বৃন্দাবন,
মথুৰা দাসৰ মথুৰা নগৰ
পুলকিত তনু মন।"

পদ্মনাথ গোহাঞিবৰুৱাই ১৯১৯ চনৰ ২৭ ডিচেম্বৰত বৰপেটাত অনুষ্ঠিত হোৱা আসাম এছ'চিয়েছনৰ কনফাৰেন্সত বৰপেটা সম্পৰ্কে কৈছিল "অসমীয়াৰ অসমীয়াত্ব নিখুঁতকৈ কোনোবা অসমীয়াৰ গাত ৰৈছে যদি, সি বৰপেটীয়া অসমীয়াৰ গাত।"[৬৯] বৰ্তমান সময়ত অক্ষয় কুমাৰ মিশ্ৰ, উদয় নাথ, এম ইলিমুদ্দিন দেৱান, ধ্ৰুৱকুমাৰ তালুকদাৰ, ভূপেন্দ্ৰ নাথ চৌধুৰী, অমিয়া মহন্ত, দয়ানন্দ পাঠক, বিভা ভৰালী, ইছমাইল হোছেইন আদি ব্যক্তি বৰ্তমান সময়ৰ বৰপেটা জিলাৰ সাহিত্য চৰ্চা কৰি থকা ব্যক্তি।

**১.১৪ বৰপেটাৰ যাত্ৰা আৰু নাট ঃ**

"গান-বাদ্য আদিৰ চৰ্চাতো বৰপেটীয়া ৰাইজক অসমৰ বাট লগাওঁতা (Pioneer) বুলিব পাৰি।"[৭০] শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱৰ লগতে শিষ্য-প্ৰশিষ্যসকলে বৰপেটাৰ সত্ৰসমূহত অংকীয়া নাট ভাওনাৰ চৰ্চা কৰিছিল। বৰপেটা সত্ৰৰ ৰঙিয়াল গৃহত (ৰঙ্গাবন) মাধৱদেৱে গীত, পদ, বাদ্য, ভাওনাৰ চৰ্চা কৰিছিল।[৭১] ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পৰৱৰ্তী কালত বৰপেটাত বঙালী যাত্ৰাগানৰ প্ৰচলন হয়। আধুনিক প্ৰথাৰে গঠন কৰা তিথিৰাম বায়নৰ যাত্ৰা দলে উজনি অসমৰ ৰাইজকো মোহিত কৰিছিল।[৭২] বৰপেটাৰ তিথিৰাম বায়নৰ যাত্ৰাগানৰ 'পালা' দেখি, শিৱসাগৰৰ অসমীয়া ভদ্ৰ লোকসকলৰ ভিতৰত বাঙ্গলা গান কৰিবৰ ধুম উঠিল।[৭৩] ১৮৬০ চনৰ পৰা ১৮৬৭ চনলৈ এই নাট্যদলে নাট পৰিৱেশন কৰিছিল। বৰপেটাৰ প্ৰথম ভ্ৰাম্যমাণ যাত্ৰাদলৰ নায়ক তিথিৰাম বায়নে অসমৰ নগৰে-নগৰে যাত্ৰাভিনয় কৰি নাৱেৰে ব্ৰহ্মপুত্ৰ নদীয়েদি উজাই গৈ সুদূৰ শিৱসাগৰ, লক্ষীমপুৰ আদি উজনি অসমৰ বহুতো ঠাইত নাট মঞ্চস্থ কৰিছিল।[৭৪] ১৮৮৮ চনত বজালী মহকুমাৰ স্বৰ্গীয় ভোগীৰাম কাকতিৰ নেতৃত্বত গঠন হোৱা যাত্ৰাদলটোৱে কেবাখনো নাট মঞ্চস্থ কৰে। বৰপেটাৰ ডুবি দেৱালয়ত দেৱদাসী নৃত্যৰ পৰম্পৰা এটা গঢ় লৈ উঠিছিল। "ইয়াতেই ১৯২৭ চনত কেইগৰাকীমান দেৱদাসী সম্প্ৰদায়ৰ ছোৱালীক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছিল সৰ্বপ্ৰথম সহ অভিনয়ৰ নাট্যদল 'নাটৰৰ গান'।"[৭৫] পৰৱৰ্তী সময়ত বান্ধৱ নাট্য সমিতি, অম্বিকাগিৰী ৰায়চৌধুৰীৰ নাট্যদল, সন্তৰাম চৌধুৰীৰ নাট্যদল, পাঠশালা নাট্য সমিতি, মিলন মন্দিৰ নাট্য সমাজ, মিলন সংঘ, বৰপেটা কলা সংঘ আদি নাট্যগোষ্ঠী আৰু নাট্যদলে বৰপেটা জিলাৰ নাটকৰ ক্ষেত্ৰখনৰ গুৰি ধৰিছিল। অম্বিকাগিৰিৰ 'সনাতন সংগীত সমাজে' বঙালী যাত্ৰা গানৰ পৰিৱৰ্তে অসমীয়া ভাষাত নাট মঞ্চস্থ কৰাৰ আন্দোলন গঢ়ি তুলিলে। প্ৰসন্নলাল চৌধুৰী, গণেশলাল চৌধুৰী আদি মিলন মন্দিৰ নাট্য সমাজত নাট্যকৰ্মীসকলে কলিকতাৰ মিনাৰ্ভা হলৰ জোখ-মাফ আনি ১৯৩১ চনত মিলন মন্দিৰ ৰংগমঞ্চ গঢ়ি তোলে। বিংশ শতাব্দীত নতুন কলা-কৌশল, সংলাপ নৃত্য গীতেৰে ব্ৰজনাথ শৰ্মাই 'কালিকা অপেৰা পাৰ্টি', 'কহিনুৰ অপেৰা' আদি ভ্ৰাম্যমাণ যাত্ৰা দলৰ জন্ম দিয়ে।

বৰপেটা জিলাৰ পাঠশালা ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্মভূমি। ১৯৬৩ চনত অচ্যুত লহকৰ আৰু সদা লহকৰৰ নেতৃত্বত 'নটৰাজ থিয়েটাৰ' গঠন হয়। নতুন ভ্ৰাম্যমাণ ৰংগমঞ্চ, কলা-কুশলী সহিতে নটৰাজ থিয়েটাৰে নতুনত্বৰ সূচনা কৰে। পৰৱৰ্তী সময়ত পাঠশালাত অসমৰ জনপ্ৰিয় নাট্যগোষ্ঠী 'কহিনুৰ', 'আৱাহন' আদি থিয়েটাৰৰ জন্ম হয়। বৰপেটা জিলাত লোকনাটৰ পৰম্পৰা প্ৰাচীন কালৰ পৰাই চলি আহিছে। 'ওজাপালি', 'পুতলা নাচ', 'কুশান গান', 'খোউলা গান', 'ঢুলীয়াৰ নাচ' আদি লোক নাট বৰপেটা জিলাত প্ৰচলিত। বৰনগৰ অঞ্চলৰ ভেৰভেৰীৰ লক্ষ্মীনাৰায়ণ পূজাত কুশান গান প্ৰদৰ্শন কৰা হয়।[৭৬] খোউলা গানৰ বিশেষত্ব হ'ল ইয়াত দল বিশেষে নটাৰ পৰা বাৰটা খোল একেলগে বজায়।[৭৭] খোউলা গান বৰ্তমান সময়ত লুপ্তপ্ৰায়। জিলাখনৰ নাগাৰা নাম, থিয়নাম, সংকীৰ্তন বা খঞ্জুৰী নাম আদিক অৰ্ধনাটকীয় সমলবিশিষ্ট লোকনাট বুলিব পাৰি। কেতবোৰ নাগাৰা নামদলত মূল পাঠকজনে নানা অংগী-ভংগীৰে অভিনয় প্ৰদৰ্শন কৰে। মহাভাৰত, ৰামায়ণ আদিৰ কাহিনী গীত আকাৰে পৰিৱেশন কৰাৰ লগতে চৰিত্ৰৰো অভিনয় কৰে। সৰ্থেবাৰী, চেঙা আদিৰ সভা-মহোৎসৱবোৰত ঢুলীয়াৰ যাত্ৰা প্ৰদৰ্শন কৰা হয়। সভা-মহোৎসৱ, মনসা পূজা আদিত ওজাপালি প্ৰদৰ্শন কৰা হয়। ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল। ব্যাসকুছিৰ আপী ওজা দল, দেওধাই নৃত্য আদি পৰিৱেশ্য কলা বৰপেটা জিলাত আছে। বজালী অঞ্চলৰ অকয়াত সাধিৰাম দাসৰ পুতলা নাচৰ দল, ভালুকী গাঁৱৰ হৰগোবিন্দ শৰ্মাৰ পুতলা নাচৰ দল, অসম পুতলা নাচৰ দল আদিয়ে অসমৰ বিভিন্ন ঠাইত পুতলা নাচ প্ৰদৰ্শন কৰে। বৰপেটা জিলাৰ শেহতীয়া পুতলা নাচৰ অনুষ্ঠানটো হ'ল মুগুৰীয়া গাঁৱৰ 'দেৱদাসী পাপেট থিয়েটাৰ'।[৭৮] বৰপেটাৰ শেহৰাম ৰাজমেধিয়ে বৰপেটা সত্ৰত পুতলা নাচ প্ৰদৰ্শনৰ আৰম্ভণি কৰিছিল।[৭৯]

**১.১৫ উৎসৱ-পাৰ্বণ ঃ**

সত্ৰকেন্দ্ৰিক বৰপেটা জিলাৰ লোকসমাজে শ শ বছৰ ধৰি নানা উৎসৱ-পাৰ্বণ পালন কৰি আহিছে। জিলাখনত পালিত হোৱা উৎসৱসমূহক লোক-উৎসৱ আৰু সত্ৰৰ লগত জড়িত উৎসৱ— এই দুটা ভাগত বিচাৰ কৰিব পাৰি। দোমাহী (দম্‌হী), বৈষ্ণৱ আতাপুৰুষসকলৰ তিথি, দৌলোৎসৱ, পঁচতি আদি সত্ৰকেন্দ্ৰিক উৎসৱ। অৱশ্যে সত্ৰকেন্দ্ৰিক উৎসৱসমূহ সত্ৰৰ ভিতৰত নিৰ্দিষ্ট নীতি-নিয়মেৰে উদ্‌যাপিত হয়। লোক-সমাজত এই উৎসৱসমূহৰ লগত কেতবোৰ লোকাচাৰ পালন কৰা হয়। সামাজিক উৎসৱৰ ভিতৰত বিবাহ (বিয়া), তোলনী বিয়া (ধুৰেনী), অন্নপ্ৰাসন বা ভাতমুখত দিয়া, কাণ বিন্ধনি, গণনি, সখীপতা, আমতি, জেউঠা, দেৱী পূজা, ভঠেলি, পুতুলি বিয়া আদি উল্লেখযোগ্য। দুৰ্গাপূজা, লক্ষ্মীপূজা আদি শাক্ত ধৰ্মৰ লগত জড়িত উৎসৱ। জিলাখনৰ মুছলমান সমাজত ছুন্নৎকৰণ, ওলিমা, ছিন্নি কৰা, পুযুৰা বা মাগন তোলা, দোস্তীকৰণ আদি উৎসৱ পালন কৰা হয়। বড়ো জনজাতিৰ লোকসকলে বৈশাগু, দোমাছী, খেৰাই উৎসৱ, বাথৌ উৎসৱৰ লগতে মেৰু ৰাজাৰ বা গাঁও ৰাজাৰ পূজা পালন

কৰে। বিহাৰী লোকসকলে ষট্ পূজা পাতে। খ্ৰীষ্টান ধৰ্মাৱলম্বীসকলে বৰদিন পালন কৰে। সৰ্থেবাৰীৰ সভা-মহোৎসৱ, হাউলীৰ ৰাস-মহোৎসৱ আদিয়ে ভিন্ন ধৰ্মাৱলম্বী মানুহৰ সম্প্ৰীতিৰ নিদৰ্শন বহন কৰে। সৰ্থেবাৰীৰ সভা-মহোৎসৱ মাঘী পূৰ্ণিমাত অনুষ্ঠিত হয়। হোমৰ দিনা সৰুক্ষেত্ৰী অঞ্চলৰ ৰাইজ একত্ৰিত হৈ 'সভাৰ খলা'ত নাম গায়। গজিয়া, ব্যাসকুছি, জনিয়াতো সভা-মহোৎসৱ অনুষ্ঠিত হয়। ইয়াৰ লগত সংগতি ৰাখি ঢুলীয়া, যাত্ৰাগান আদি আয়োজন কৰা হয়। বৰপেটা চহৰৰ পৰা দহ কিঃমিঃ দূৰৈত থকা বৰবিলাত 'পখলা গোহাঁই থান'ত পখলা গোহাঁই সভা, চেঙাত পাঁচদিনীয়াকৈ চেঙাৰ সভা হয়। বজালীৰ চৌখুটী গাঁৱত 'ৰণাৰ সভা' মাঘ মাহত অনুষ্ঠিত হয়। মাজদিয়াত ছাটা পাচপীৰ দৰ্গাহ শ্বৰীফৰ উৎসৱ পালন কৰে। ব'হাগৰ পৰা চ'তলৈকে বৰপেটাত নানা উৎসৱ-অনুষ্ঠান পতা হয়। ব'হাগৰ দোমাহীত লোক-সমাজত নানা লোকাচাৰ পালন কৰা হয়। তিতা খোৱা, সাতশাক খোৱা, জালৰ আঞ্জা খোৱা, থুপা দিয়া (ধোৱা দিয়া), গৰু বিহুৰ গধূলি আৰু বৰদোমাহীৰ পুৱা ওচৰ-চুবুৰীয়াৰ ঘৰত চপৰা দলিওৱা প্ৰথা, আদি লোকাচাৰ ব'হাগ বিহুত পালন কৰা হয়। বৰপেটাৰ বিহু সংক্ৰান্তি আদি সত্ৰীয়া ৰীতিত আৱদ্ধ।[৮০] ব'হাগৰ দোমাহীত প্ৰতিবছৰে পৰম্পৰাগত লোকাচাৰসমূহ পালন কৰাৰ উপৰিও সত্ৰক কেন্দ্ৰ কৰি কেতবোৰ বিশেষ নিয়ম পালন কৰা হয়। ব'হাগৰ এক তাৰিখে প্ৰতি বছৰে বৰপেটা সত্ৰত বৰ্ষফল গণনা কৰা হয়। ব'হাগৰ দোমাহীৰ সাত বিহুৰ দিনা বৰপেটা সত্ৰৰ দালানৰ সমুখত ২২খন হাটীৰ বাপুসকলে থিয়নাম গায়। মাঘ বিহু বৰপেটা সত্ৰত পাঁচদিনীয়াকৈ পালন কৰা হয়। ঘৰে ঘৰে মেজি জ্বলোৱাৰ উপৰিও সত্ৰৰ বাকৰিত মেজি জ্বলোৱা হয়। পঁচতি, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পেকযাত্ৰা, বৈষ্ণৱ ধৰ্মগুৰুসকলৰ আৱিৰ্ভাৱ তিথি মহোৎসৱ আদি উলহ-মালহেৰে লোক-সমাজখনে পালন কৰে। বৰপেটা জিলাৰ বৰপেটা সত্ৰত উদ্‌যাপিত 'দেউল' উৎসৱৰ বিশেষ ঐতিহ্য আছে। দৌল-মহোৎসৱৰ লগত সংগতি ৰাখি ঘোষা কীৰ্তন, ওজাপালি, যাত্ৰানাট আদি প্ৰদৰ্শন কৰা হয়। বৰপেটাৰ দৌল উৎসৱ চাবলৈ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে। হাউলীৰ ৰাস-মহোৎসৱৰ সুকীয়া ঐতিহ্য আছে। আহিন মাহত লখিমী সবাহ পতা হয়। গাঁও-ভূঁইবোৰত কৃষিকেন্দ্ৰিক নখোৱা উৎসৱ আঘোণ মাহত ধান চপোৱাৰ সময়ত পালন কৰে। আঘোণৰ পূৰ্ণিমাত মহোহো উৎসৱ পালন কৰে। বৰপেটাত ইয়াক ভাউলহল বুলি কোৱা হয়। গৰখীয়া ল'ৰাবোৰে খুজি-মাগি পোৱা টকাৰে পূৰ্ণিমাত লগভাত খাই উৎসৱৰ সামৰণি মাৰে। জেঠ মাহত গৰ্ভধাৰণ কৰা বা জেঠ মাহত জন্ম হোৱা সন্তানৰ অপায়-অমংগল দূৰ কৰাৰ বাবে জেঠ মাহৰ এটা দিনত সন্তানটোক আত্মীয়-কুটুম্বসহিতে ভালকৈ খাবলৈ দিয়া হয়। ইয়াক 'জেউঠা' উৎসৱ বোলে। আমৰ ম'ল, লিচুৰ ম'ল, বেতৰ গাজ, বাঁহৰ গাজ, জিকাৰ ফুল, নলৰ আগৰ ভাজিৰে জেউঠা দিয়া হয়। ন-কইনাক শৰণ লোৱাই জ্যেষ্ঠজনেও যাতে তেওঁৰ হাতৰ ৰন্ধা গ্ৰহণ কৰিব পাৰে, এই উদ্দেশ্যে 'হাইহাল' নামৰ

অনুষ্ঠান এটা পতা হয়।[৮১] ইয়াৰ উপৰিও সত্যনাৰায়ণ পূজা, মনসা পূজা, শিৱৰাত্রি, কালীপূজা, চৰগ পূজা আদিও বৰপেটা জিলাত পতা হয়। শাৰদীয় দুৰ্গাপূজাৰ নৱমীত সৰ্থেবাৰী অঞ্চলৰ অবিবাহিতা মহিলাসকলে দেৱী পূজা পাতে। দেৱীৰ চৰণত ফুলৰ সলনি 'ফুলৰ কানি' বস্ত্ৰ বাহী নোহোৱাকৈ অৰ্পণ কৰে। দঙৰকুছি, ক'লনি আদি ঠাইত চৰগ পূজাত পিঠিত বৰশী লৈ কিছুমান দুঃসাহসিক কাৰ্য প্ৰদৰ্শন কৰা হয়।

বিবাহ হ'ল এক আকৰ্ষণীয় সামাজিক অনুষ্ঠান। বৰপেটাত বিবাহ অনুষ্ঠানত কইনা ধৰা, খাটাকৰা (বিয়াৰ তাৰিখ নিৰ্ধাৰণ কৰা), চাইনা পাতা (ৰভা দিয়া), সুৱাগৰ ধান বন্ধা, সান্দাখুন্দা (সান্দহ গুৰি খুন্দা) তেলৰভাৰ (জোৰোণ), বিবাহৰ পৰৱৰ্তী অনুষ্ঠান সংলা দিয়া, নেওতা আদি পৰ্ব আছে। বৰপেটাত বিবাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা এক অতি জনপ্ৰিয় সংগীতৰ লোক-অনুষ্ঠান হ'ল 'বৈঠকী' বা 'বৈঠগী'। বিয়াৰ আগদিনা নিশা এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। বৈঠকী অনুষ্ঠিত হয় বিয়াৰ ৰভা তলীত।

**১.১৬ বৰপেটাৰ মঠ-মন্দিৰ, সত্ৰানুষ্ঠান ঃ**

কোনো এখন ঠাইৰ মঠ-মন্দিৰ, সত্ৰানুষ্ঠান আদিয়ে সামাজিক, সাংস্কৃতিক আদি বিভিন্ন দিশৰ প্ৰতিনিধিত্ব কৰে। বৰপেটা জিলাত স্থানবিশেষে শৈৱ, শাক্ত আৰু বৈষ্ণৱ তিনিওটা ধৰ্ম প্ৰচলিত। ষোড়শ শতিকাৰ পৰা নৱ-বৈষ্ণৱ ধৰ্মৰ বিশেষ কেন্দ্ৰস্থল হিচাপে জিলাখন পৰিগণিত হয়। মধ্যযুগত শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, নাৰায়ণ দাস ঠাকুৰ আতা, শ্ৰীৰাম আতা, গোপাল আতা আদি বৈষ্ণৱ ধৰ্মগুৰুসকলৰ মুখ্য কৰ্মভূমি আছিল বৰপেটা অঞ্চল। বৰপেটাৰ সমাজ, সংস্কৃতি, সাহিত্য, সুকুমাৰ কলা, স্থাপত্য শিল্প সকলোতে নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বিদ্যমান। বৰপেটা জিলাৰ কিছু সত্ৰ আৰু মঠ-মন্দিৰ হ'ল ঃ

**পৰিহৰেশ্বৰ দেৱালয় ঃ** এই দেৱালয় বজালী পৰগণাৰ দক্ষিণফালে আছে। এই দেৱালয় আহোম ৰজা শিৱসিংহৰ দিনত স্থাপন কৰা হৈছিল। দেৱালয়খনত দেৱদাসী নৃত্যৰ প্ৰচলন আছিল।

**ভোগেশ্বৰ গোসাঁইৰ মন্দিৰ ঃ** বজালীৰ উলুৱা গাঁৱৰ ওচৰত এই মন্দিৰটো আছে। মন্দিৰটো অতি পুৰণি। মন্দিৰটো সম্পৰ্কে লোকসমাজত নানা প্ৰবাদ আছে।

**বৰনগৰৰ গৰখীয়া গোসাঁইৰ থান ঃ** এই থানখন বৰনগৰ অঞ্চল আৰু বৰ্তমানৰ সৰভোগত অৱস্থিত। থানখনত দৌলগৃহ সহিতে কীৰ্তনঘৰ এটা আছে। পূব দিশত এটা পুখুৰী আছে। থানখনত আদিতে গৰখীয়াহঁতে সৰুকৈ মন্দিৰ সাজি স্নান কৰিছিল বুলি প্ৰচলিত আছে। গৰখীয়া গোসাঁই থানখনৰ উৎপত্তি হয় শ্ৰীমন্ত শংকৰদেৱৰ দিনতে।[৮২]

**তেলনীয়া গোসাঁইৰ থান ঃ** এই থানখন গৰখীয়া গোসাঁইৰ থানখনৰ ওচৰতে অৱস্থিত। প্ৰবাদ আছে যে এই ঠাইডোখৰত হেনো এটি তেলৰ চাকি আপোনা আপুনি জ্বলি উঠিছিল।[৮৩]

**ৰাজাটিপ ঃ** ৰাজাটিপ বৰনগৰৰ মাজভাগত গোহাঁই কমল আলিৰ দক্ষিণ গণকবাৰীত অৱস্থিত। পুৰণি টিপটোত কীৰ্তনঘৰ এটা সাজি ৰাইজে নাম-কীৰ্তন কৰে। ৰাজাটিপৰ কাষেৰে গ'লে দৰা-কইনাই অলপ জিৰাই সেৰা লৈ যোৱাৰ প্ৰথা আছে। জনশ্ৰুতি আছে যে শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰি নিওঁতে ৰাজাটিপত ৰথ ৰখাই কিছু সময় জিৰাইছিল।

**পখলা গোসাঁইৰ থান ঃ** নগাঁৰৰ ওচৰৰ বিষ্ণুপুৰত এই থানখনি অৱস্থিত। কীৰ্তনঘৰটোত নাম-প্ৰসংগ কৰা হয়। মানস কৰিলে সিদ্ধ হয় বুলি প্ৰবাদ আছে। এই থানত সভা-মহোৎসৱ অনুষ্ঠিত হয়।

**গণককুছি সত্ৰ ঃ** মাধৱদেৱে এই সত্ৰখন স্থাপন কৰে। এই সত্ৰখনৰ আহোম ৰজাই দান দিয়া ১৬ বিঘা নিষ্পিখেৰাজ পট্টাৰ মাটি আছে। মাধৱদেৱৰ সহিতে ইয়াত শ্ৰীৰাম আতা আৰু ৰাম আতাও আছিল। মাধৱদেৱে কেইবাটাও বৰগীতৰ লগতে শাস্ত্ৰৰ শ্লোকৰ ভাঙনি ইয়াতে কৰে। গণককুছি সত্ৰত মাধৱদেৱ ১৮ বছৰ ৬ মাহ আছিল বুলি কয়।[৮৪] এই সত্ৰখন বৰপেটা সত্ৰৰ পৰা এক কিঃমিঃ দক্ষিণে অৱস্থিত।

**বৰপেটা সত্ৰ ঃ** বৰপেটা সত্ৰ মাধৱদেৱে প্ৰতিষ্ঠা কৰে। বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া আতাই সত্ৰখনক নতুন ৰূপত প্ৰতিষ্ঠা কৰে। মথুৰাদাস বুঢ়া আতাই সত্ৰৰ আৰ্থ-সামাজিক ভেটি টনকিয়াল কৰি তুলিছিল। হাটী প্ৰথাৰ সূচনাৰ লগতে বৰপেটা সত্ৰত পোন প্ৰথমে গণতান্ত্ৰিক পদ্ধতিৰ সূচনা কৰিছিল।[৮৫] বৰপেটা সত্ৰৰ প্ৰতিটো কাম নিয়াৰিকৈ পৰিচালনা কৰিবলৈ 'বংশৰা'ৰ সৃষ্টি কৰিছিল।[৮৬] এই সত্ৰত মাধৱদেৱে স্থাপন কৰা ৰঙিয়াল গৃহ আছে। বৰপেটা সত্ৰ আতাপুৰুষসকলৰ মিলনভূমিস্বৰূপ নিকা সংহতিৰ সত্ৰ। ইয়াত পালন কৰা দৌল উৎসৱ বিখ্যাত। প্ৰতি বছৰে সত্ৰখনলৈ অসমৰ লগতে দেশী-বিদেশী বহুতো পৰ্যটকৰ আগমন ঘটে। বৰপেটা সত্ৰৰ অধীনত ২২ খন ভকতৰ হাটী আৰু বহুতো নিষ্পিখেৰাজ পট্টাৰ মাটি আছে। আহোম ৰজা শিৱসিংহই বৰপেটা সত্ৰক ভূমি দান কৰিছিল।

**সুন্দৰীদিয়া সত্ৰ ঃ** এই সত্ৰখনিও মাধৱদেৱে স্থাপন কৰা। গুৰুজনাই ১৪ বছৰ ৬ মাহ কাল ইয়াত কটাইছিল বুলি কোৱা হয়।[৮৭] নাৰায়ণ দাস ঠাকুৰ আতাই সুন্দৰীদিয়া সত্ৰক ন-ৰূপত সজাই তুলিছিল। মাধৱদেৱে তেওঁৰ ভালেমান সৃষ্টি এই সত্ৰতে কৰে। নামঘোষা এই সত্ৰতে সমাপ্ত কৰিছিল। এই সত্ৰৰ অক্ষয় বন্তি গুৰু-আসনৰ সন্মুখত পূৱ মুৱাকৈ জ্বলোৱা হয়। গোপাল আতা, বৰবিষ্ণু আতা আদি পুৰুষসকল এই সত্ৰত মিলিত হৈছিল। বৰ্তমান মাধৱদেৱৰ ব্যৱহৃত ভালেমান বস্তু সংৰক্ষিত হৈ আছে। সুন্দৰীদিয়া সত্ৰত কুলুপীয়া ঘোষাৰ প্ৰচলন আছে।

**পাটবাউসী সত্ৰ ঃ** পাটবাউসী সত্ৰ শ্ৰীমন্ত শঙ্কৰদেৱে স্থাপন কৰিছিল। এইখন শঙ্কৰদেৱৰ জীৱনৰ শেষৰ ফালৰ সত্ৰ। এই পাটবাউসী সত্ৰ শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱৰ মিলন-ক্ষেত্ৰ আছিল। ধৰ্ম চৰ্চাৰ লগতে সাংস্কৃতিক ৰাজধানী সদৃশ হৈ পৰিছিল। পাটবাউসী সত্ৰত গুৰুজনাই ভালেখিনি সাহিত্য সৃষ্টি কৰিছিল। পাটবাউসী পূৰ্বতে বৰলজাৰ নামেৰে পৰিচিত আছিল। শংকৰদেৱে সত্ৰ স্থাপন

কৰাৰ পৰৱৰ্তী সময়ত পাটবাউসী নামেৰে প্ৰখ্যাত হ'ল। বৰলজাৰত গুৰুজনাই সত্ৰৰ নিৰ্মাণ কৰোঁতে শ্ৰীকৃষ্ণৰ মুখামৃত পাইছিল আৰু গুৰুজনাই ভকতসকলক দি বাকীখিনি ঢাকি কপাট মাৰি থৈছিল বাবে পাটবাউসী নাম হ'ল।[৮৮] এই সত্ৰত থকাৰ সময়তে ৰজা নৰনাৰায়ণক দিবলৈ তাঁতীকুছিৰ তাঁতীৰ সহায়ত বিখ্যাত 'বৃন্দাবনী বস্ত্ৰ' তৈয়াৰ কৰি উলিয়াইছিল।[৮৯] ইয়াতে চান্দসায়ে শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰে। পাটবাউসী সত্ৰত দামোদৰদেৱৰ সৈতে শংকৰদেৱৰ সংগ লাভ হয় আৰু ৰামৰাম গুৰুৰ তাত শৰণ লয়।[৯০] পাটবাউসী সত্ৰৰ ওচৰতে দামোদৰদেৱে স্থাপন কৰা সত্ৰ আছে।

**জনিয়া সত্ৰ ঃ** এই সত্ৰখনি বৰপেটা সদৰৰ পৰা আঠ কিঃমিঃ পশ্চিমে জনিয়া গাঁৱত অৱস্থিত। ইয়াত দুখন সত্ৰ আছে। প্ৰথমখন নাৰায়ণ দাস ঠাকুৰ আতাই স্থাপন কৰা আৰু আনখন পুৰুষোত্তম ঠাকুৰে স্থাপন কৰা। এই সত্ৰত পুৰুষোত্তম ঠাকুৰৰ 'ন-ঘোষা' পাঠ কৰা হয়।

**ন-সত্ৰ (বাসুদেৱ দেৱালয়) ঃ** গণককুছি আৰু পাটবাউসী সত্ৰৰ মাজত এই সত্ৰখনি অৱস্থিত। সত্ৰখনত শিলৰ চতুৰ্ভুজ বাসুদেৱৰ মূৰ্তি আছে। এই সত্ৰক আহোম স্বৰ্গদেউ শিৱসিংহই মাটি দান কৰিছিল।

**ৰাখাল থান (বিলৰতাৰি হাটী) ঃ** মাধৱদেৱে সুন্দৰীদিয়া এৰি আহি গোপাল আতাৰ লগত বৰপেটালৈ আহোঁতে দল্লিদবাৰ পথাৰৰ ওখ ঠাইত জিৰণি লয়।[৯১] এই ঠাইত বৃন্দাবন সদৃশ সুন্দৰ প্ৰাকৃতিক পৰিৱেশ দেখি মাধৱদেৱে 'আলো ভাই চল আইস যায় বৃন্দাবনে' শীৰ্ষক বৰগীতটো ৰচনা কৰে। এই ঠাইতে ৰাখাল থানখন আছে। বৰপেটা সত্ৰৰ পৰা অকণমান দূৰত থানখন অৱস্থিত।

**বৰবাৰী বা মিঠা আমৰ তল ঃ** বৰবাৰী বা মিঠা আমৰ তল বা কেতেকীবাৰী বৰপেটাৰ বৃন্দাবন হাটীত আছে। ইয়াতে মাধৱদেৱে নিজ হাতেৰে ৰোপণ কৰা কেতেকী ফুলৰ বাৰী, মিঠা আমৰ পুলি, নাগেশ্বৰৰ গছ আছে; এটা কীৰ্তনঘৰ আছে। তাত নাম-প্ৰসংগ অনুষ্ঠিত হয়। ইয়াৰ কুৱাত বিবাহ আদি শুভকাৰ্যৰ বাবে পানীতোলা হয়।

**কুমাৰকুছি ঃ** চূণপোৰাৰ পৰা আহি কুমাৰকুছি সত্ৰত মাধৱদেৱে এবছৰ কাল থাকে।[৯২] কুমাৰকুছি নখন্দা নৈৰ পাৰত অৱস্থিত।

**চূণপোৰা ভিঠি ঃ** শংকৰদেৱে বৰপেটাত গয়া জানেৰে সোমাই এই ঠাইতে ছমাহকাল থাকে। এই ভিঠিৰ ওচৰতে হীৰা সম্প্ৰদায়ৰ মানুহ আছে। চূণপোৰা ভিঠিত থকাৰ সময়তে শংকৰদেৱে নাৰায়ণ দাস ঠাকুৰ আতা, পীতাম্বৰ কবি, চাকিয়া মাজি, জন্তিৰ মধাইক লগ পায়।[৯৩]

**বাৰাদি সত্ৰ ঃ** বাৰাদি সত্ৰ মাধৱদেৱে স্থাপন কৰে। ইয়াতে মাধৱদেৱৰ মাতৃৰ শ্ৰাদ্ধ সমাপন কৰা হৈছিল।

**কনৰা সত্ৰ ঃ** নাৰায়ণ দাস ঠাকুৰ আতাৰ সত্ৰ। সত্ৰখনি বৰপেটাৰ দক্ষিণ-পশ্চিম দিশত অৱস্থিত আছিল। ১৮৯৭ চনত ভূঁইকপৰ পিছত সত্ৰৰ মানুহখিনি আহি বৰপেটা সত্ৰৰ দক্ষিণ ফালে নতুনকৈ সত্ৰখন স্থাপন কৰে।[৯৪]

**গজিয়া সত্ৰ ঃ** কনৰা সত্ৰৰ পৰা অহা মানুহখিনিয়ে গজিয়াত এই সত্ৰ স্থাপন কৰে।

**বামুণা সত্ৰ ঃ** সত্ৰখন বৰপেটাৰ ওচৰৰ বামুণা গাঁৱত আছে। সত্ৰখনি দৈত্যাৰি ঠাকুৰে স্থাপন কৰিছিল।

**গুৱাগাছা ঃ** মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে এই সত্ৰখন স্থাপন কৰিছিল। এই সত্ৰ আতাপুৰুষসকলৰ মিলনক্ষেত্ৰ আছিল। এই সত্ৰত থাকিয়ে ৰামচৰণ ঠাকুৰে চৰিত পুথি ৰচনাৰ কাম কৰে। "মহাপুৰুষদ্বয়ৰ উপৰিও বদ্‌লা আতা, গোপাল আতা, শ্ৰীৰাম আতা, নাৰায়ণ দাস ঠাকুৰ আতা, হৰিহৰ আতা প্ৰমুখ্যে আতাপুৰুষসকলৰ পদৰেণুৰে ৰঞ্জিত গুৱাগাছা সত্ৰ। হৰিহৰ আতাই মধুপুৰত থকা সেৰাৰ বস্তু ভোটৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰাৰ বাবে সাময়িকভাৱে গুৱাগাছা সত্ৰত সংৰক্ষণ কৰে।[৯৫]

**ময়নবৰী সত্ৰ ঃ** নাৰায়ণ দাস ঠাকুৰ আতাই স্থাপন কৰা সত্ৰ। সত্ৰখনে হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ আদৰ্শ বহন কৰে। ব্ৰহ্মপুত্ৰত জাহ যোৱাৰ পিছত সৰভোগত সত্ৰখন নতুনকৈ স্থাপন কৰা হয়।

**কালঝাৰ সত্ৰ ঃ** কালঝাৰ সত্ৰ পল্লা নৈৰ পাৰত গোপাল আতাই স্থাপন কৰিছিল। সত্ৰখন কাল-সংহতিৰ অন্তৰ্গত।

**ভৱানীপুৰ সত্ৰ ঃ** গোপালদেৱে স্থাপন কৰা সত্ৰ। কালঝাৰ সত্ৰ আৰু ভৱানীপুৰ সত্ৰৰ উপৰিও জোৰাবাদি আৰু পোৰাভৰাল নামৰ আন দুখন সত্ৰ গোপালদেৱে নিজে স্থাপন কৰিছিল। "ভৱানীপুৰ সত্ৰত বৰযদুমণি, শ্ৰীৰাম বিপ্ৰ, সৰু যদুমণি, সনাতন, পুৰুষোত্তম, নাৰায়ণ আতা আদিয়ে গোপালদেৱত শৰণ লয়।"[৯৬]

**মৈৰামাৰা নমাটি সত্ৰ ঃ** হাউলীৰ মাজ মজিয়াত আছে। মুকুন্দদেৱে এই সত্ৰ স্থাপন কৰিছিল। সত্ৰখন দামোদৰীয়া সত্ৰ।

**গোমুৰা সত্ৰ ঃ** সৰুক্ষেত্ৰী মৌজাৰ সৰ্থেবাৰীৰ ওচৰত অৱস্থিত। সত্ৰখনত কেৱলীয়া ভকত আছে।

**আউনীআটি সত্ৰ, বেবেজীয়াপাৰা ঃ** বজালী মৌজাৰ বেবেজীয়া গাঁৱত অৱস্থিত। সত্ৰখনত বড়ো, কোঁচ, শৰণীয়া আদি বিভিন্ন জনগোষ্ঠীয় ভকত আছে।

**অকয়া সত্ৰ ঃ** অকয়া সত্ৰ বজালীৰ অকয়া গাঁৱত আছে। শিৱসিংহই এই সত্ৰক ৭৫০ বিঘা মাটি দান কৰিছিল।

**বনিয়াকুছি সত্ৰ ঃ** হৰিদেৱৰ শিষ্য জগন্নাথদেৱে ১৪৯২ চনত এই সত্ৰখনি স্থাপন কৰে।

এই সত্ৰ, মঠ-মন্দিৰসমূহৰ বাহিৰেও জিলাখনত বহুতো ধৰ্মীয় অনুষ্ঠান আছে। বৰপেটা জিলাত বৰ্তমান ৬৫ খন সত্ৰ আছে।[৯৭] ক্ষুদ্ৰ মাখিবাহা, বৰ মাখিবাহা আদি চৈতন্য পন্থী সৎসঙ্গী সত্ৰ। দামোদৰ পন্থী সত্ৰ হ'ল গোবিন্দপুৰ, ভালুকী, বৰকাপলা, নসত্ৰ, পোমাৰা, ব্যাসকুছি, কেওঁটকুছি আদি সত্ৰ। নসত্ৰ, বনিয়াকুছি, হালধিবাৰী, লাচিমা আদি হৰিদেৱী সত্ৰ। চতুৰ্ভুজ ঠাকুৰৰ ঘিলাঝাৰী সত্ৰ আছে। বৈঠাপুতা ঘাট সত্ৰ ব্ৰহ্মপুত্ৰৰ সমীপত বৰপেটাৰ দক্ষিণে বাঘবৰত অৱস্থিত। বাংলিপাৰাৰ থান, মনথৈ (ময়নবড়ি), ধূপগুৰি, শুভা, পোমাৰা আদি জিলাখনৰ আন আন থান-সত্ৰ। ইছলামধৰ্মী লোকসকলৰ

বাবে মছজিদ, দৰগাহ আদি জিলাখনত আছে। ভেল্লা দৰগাহ আহোম ৰজাদিনীয়া। বৰপেটাৰোড আদি অঞ্চলত নতুনকৈ গীৰ্জাও স্থাপন হৈছে।

**১.১৭ সত্ৰৰ স্থাপত্য আৰু ভাস্কৰ্য ঃ**

বৰপেটা জিলাৰ সত্ৰসমূহে নৱ-বৈষ্ণৱ ধৰ্মৰ স্থাপত্যৰ আদৰ্শ তথা আৰ্হি বহন কৰে। সত্ৰীয়া স্থাপত্য প্ৰায়খিনি একে গঢ়ৰ। সত্ৰসমূহত বাটচ'ৰা বা ক'ৰাপাত, ভাঁজঘৰ, মণিকূট গৃহ, দৌল গৃহ, মূল কীৰ্তনঘৰ, ভকতসকলৰ বাহা থাকে। সত্ৰৰ চাৰিওকাষে থকা ভকতবৃন্দৰ ঘৰৰ শাৰীক 'হাটী' বোলে। ইয়াৰ উপৰিও অতিথি শালা, ৰঙিয়াল গৃহ, ভাওনাৰ সাজঘৰ, ভঁৰালঘৰ আদিও থাকে। "সত্ৰৰ কৰপাট আদি ঘৰ-দুৱাৰ আৰু গাঁৱৰ নামঘৰেও গাঁৱলীয়া ৰাইজৰ কাৰুশিল্প চৰ্চাত সুযোগ আৰু প্ৰেৰণা যোগাইছে।"[৯৮] সত্ৰসমূহৰ পূব দিশত ভাঁজঘৰ থাকে। ভাঁজঘৰৰ ভিতৰত মণিকূট গৃহ থাকে। ভাঁজঘৰৰ চাল চেপেটা, অৰ্ধবৃত্তাকাৰ, তললৈ নামি অহা। ইয়াত বংগদেশীয় ঘৰৰ আৰ্হিৰ প্ৰভাৱ দেখা যায়।[৯৯] সত্ৰৰ ভাঁজঘৰৰ পশ্চিম দিশত মূল কীৰ্তনঘৰটো থাকে। "৫০ৰ পৰা ১০০ ফুটলৈ বহল আৰু ১০০ৰ পৰা ২০০ ফুটলৈ দীঘল, দুয়ো কাষে কাষে বহল বাৰাণ্ডাৰে এই কীৰ্তনঘৰ একোটা বিৰাট ঘৰ।"[১০০]

স্থানীয়ভাবে পোৱা কাঠ, বাঁহ, বেত আদি প্ৰাকৃতিক উপাদান সত্ৰ নিৰ্মাণত ব্যৱহাৰ কৰা হৈছিল। বৰপেটা, গণককুছি, সুন্দৰীদিয়া, পাটবাউসী আদি সত্ৰৰ স্থাপত্যসমূহ পূৰ্বতে কাঠ, বাঁহ, বেত, খেৰেৰে নিৰ্মাণ কৰা হৈছিল। সুন্দৰীদিয়া সত্ৰৰ মূল কীৰ্তনঘৰটো মাধৱদেৱে ভকতসকলৰ সৈতে লগ লাগি কাঠ-বাঁহ, নল-ইকৰাৰে নিৰ্মাণ কৰিছিল। বৰপেটা সত্ৰৰ কীৰ্তনঘৰ নিৰ্মাণ কৰিবলৈ বজালী পৰগণাৰ পৰা নাৰেৰে বাঁহ অনা হৈছিল।[১০১] দীঘল আৰু ডাঙৰ বাঁহৰ পৰা কামি, সৰু বাঁহৰ পৰা ৰুৱা প্ৰস্তুত কৰা হৈছিল। বৰপেটা সত্ৰ নিৰ্মাণ কৰিবলৈ দক্ষিণৰ পৰ্বতীয়া কৃষ্ণাই আতৈ, তেওঁৰ ল'ৰা ৰাম কাৰিকৰ আৰু বিভীষণ আতৈয়ে সহায় কৰিছিল। কৃষ্ণাই আতৈ আৰু বিভীষণ আতৈয়ে পাটদ্বাৰত মনোমোহা লতা-ফুল কাটিছিল।[১০২] বৰপেটা সত্ৰৰ ৰঙিয়াল গৃহটোৱে স্থাপত্য কলাৰ সুন্দৰ নিদৰ্শন বহন কৰে। ৰঙিয়াল গৃহ ৰং কৰিবলৈ চাংপতা আৰু বালিছন্দাৰ লগতে বেলৰ আঠা মিহলি কৰা হৈছিল। চৰিতপুথিত উল্লেখ আছে "তেহে ৰঙ্গাৱন গৃহ চাবলৈ দেশৰ প্ৰজা ভাগি আহিব ধৈলে।"[১০৩] "কথিত আছে যে মাধৱদেৱে প্ৰথমতে পঞ্চনখী গাঁঠি, ঠাকুৰ আতাই চৰাই, নখীয়া গাঁঠি আৰু শ্ৰীৰাম আতাই পিপলি গাঁঠি দিছিল।"[১০৪] সত্ৰৰ ভকতৰ বাহাসমূহো কাঠ, বাঁহ, খেৰেৰে নিৰ্মাণ কৰা হৈছিল। "বৰ্তমানৰ কীৰ্তনঘৰটো ১৯৬৩ খ্ৰীঃৰ মাৰ্চ মাহমানৰ পৰা আৰম্ভ কৰি ১৯৬৬ খ্ৰীঃ মানত কীৰ্তনঘৰৰ নৱ-নিৰ্মাণৰ কাম সমাপ্ত কৰে। ইয়াৰ অধিকাংশভাগ খুঁটা, মজিয়া, দুৱাৰমুখ মোজাইক কৰা হৈছে।"[১০৫] বৰপেটা সত্ৰৰ মূল প্ৰৱেশ পথটোৰ তোৰণখনক 'দালান' বুলি কোৱা হয়। বৰ্তমানৰ বৃহৎ আকৃতিৰ দালানখন ১৯৩১ চনত স্থানীয় আৰু পাঞ্জাৱী কেবাজনো মিস্ত্ৰীয়ে নিৰ্মাণ কৰি উলিয়ায়। ইয়াৰ উত্তৰ, দক্ষিণ আৰু পশ্চিম দিশত তিনিটা

বাটচ'ৰা আছে। ইয়াৰ চূড়াটোৰ উচ্চতা ১৮ মিটাৰ। বৰপেটা, গণককুছি, সুন্দৰীদিয়া আদি সত্ৰসমূহৰ দালান বা মূল তোৰণৰ ওপৰত সিংহৰ মূৰ্তি খোদিত আছে। সুন্দৰীদিয়া সত্ৰৰ পশ্চিমফালে বৰপেটা সত্ৰৰ আৰ্হিত দালান আছে। দালানৰ ওপৰত সৰু সৰু মঠ আছে। সুন্দৰীদিয়া সত্ৰৰ পূৱ ফালেও বাটচ'ৰা আছে। ইয়াৰ স্থাপত্য মনোৰম। প্ৰৱেশ পথৰ দুইফালে মঠৰ আকৃতি আছে। ওপৰত প্ৰতীকৰূপে সিংহ আছে। পকীৰে নিৰ্মিত বৰপেটাৰ কীৰ্তনঘৰটোৰ কেৱল পশ্চিম দিশৰ কোঠাটোত দুটা প্ৰকাণ্ড তুলসীৰ খুঁটা আছে। কালঝাৰ, সুন্দৰীদিয়া, বৰপেটা, পাটবাউসী আদি সত্ৰসমূহত একোটাকৈ মঠ আছে। বৰপেটা সত্ৰৰ মঠটো কৰ্দৈশিৰীয়া। "বৰপেটা সত্ৰৰ মঠ সজাৰ সময়ত চেপেটা ধৰণৰ ইটা ব্যৱহাৰ কৰা হৈছিল। ইটাবোৰ হাঁহ কণীৰ বগা বিজলেৰে মিহি কৰা হৈছিল। সেই সময়ত চিমেণ্টৰ অভাৱত শিলচূণ, শামুকচূণ, চকাচূণৰ লগত গুড়, মাহ, বৰালি মাছ, তেল, ধূনা আদি মিহলাই কড়াল তৈয়াৰ কৰা হৈছিল।"[১০৬] সুন্দৰীদিয়া সত্ৰৰ মঠ নিৰ্মাণতো অনুৰূপ কড়াল আৰু গাঁথনি প্ৰয়োগ কৰিছিল। মঠটো শিৱসাগৰৰ শিৱদৌলৰ আৰ্হিৰে কৰ্দৈশিৰীয়াকৈ নিৰ্মাণ কৰা হৈছিল। সুন্দৰীদিয়া সত্ৰৰ মঠটো আহোম স্বৰ্গদেউ প্ৰমত্তসিংহই নিৰ্মাণ কৰাইছিল। মূল মঠটোৰ বাহিৰত বাৰটা সৰু সৰু মঠ আছে। মঠত পোৰামাটিৰ মূৰ্তি আছে। মঠৰ সন্মুখভাগত কৃষ্ণ বলোৰাম আৰু তলত গৰুড় আৰু নাৰদৰ মূৰ্তি আছে। সত্ৰৰ দৌলবোৰত সাতটা 'থাক্' আছে।

বৰপেটা সত্ৰৰ ধৰ্ম সম্পৰ্কীয় মেল অনুষ্ঠিত কৰিবলৈ ভাঁজঘৰৰ পূৱ দিশত 'পাটচাং' এখন আছে। বাকীবোৰ সত্ৰত অৱশ্যে পাটচাং দেখা নাযায়। পাটচাঙৰ নিৰ্মাণৰ আৰ্হি জনজাতীয় চাংঘৰৰ লগত মিল আছে। পূৰ্বৰ পাটচাংখন বাঁহ-খেৰেৰে বনোৱা হৈছিল। পিছত ইয়াৰ খুঁটাবোৰ পকী কৰি দিয়ে। ওপৰৰ মজিয়া আৰু মজিয়াৰ পৰা চাৰিফুটমান ওপৰত কাঠৰ বেৰ আছে। ওপৰত টিনৰ চাল আছে। ই মাটিৰ পৰা ১.৯ মিটাৰ ওখ। মূল ঘৰটোৰ দৈৰ্ঘ্য ১৬ মিটাৰ, প্ৰস্থ ৬.৫ মিটাৰ আৰু ওখ ৮.৫ মিটাৰ।[১০৭] বালকসকলে পাটচাঙত উঠি নানা খেল-ধেমালি কৰে। জিলাখনৰ প্ৰায়বোৰ সত্ৰ বৰ্তমান পকীকৈ নৱ-নিৰ্মাণ কৰা হৈছে। পকী কৰা সত্ৰবোৰত টাইল্‌ছ, মোজাইক আদি খুওৱা হৈছে। ময়নবড়ী, কালঝাৰ আদি সত্ৰ নতুন আন্তঃগাঁথনিৰে নতুন ঠাইত স্থাপন কৰা হৈছে। সত্ৰসমূহৰ স্থাপত্যৰ ক্ষেত্ৰত আধুনিক যুগৰ নিৰ্মাণৰ সমল আৰু কৌশল ব্যৱহৃত হ'লেও ইয়াৰ মৌলিক ৰূপৰ পৰিৱৰ্তন হোৱা নাই। সত্ৰৰ স্থাপত্য সম্পূৰ্ণৰূপে থলুৱা।

সত্ৰৰ উপৰিও নৱ-বৈষ্ণৱ ধৰ্মৰ অন্যতম উপাসনাৰ স্থল নামঘৰ জিলাখনৰ বহুতো ঠাইত আছে। "সত্ৰত ইয়াক কীৰ্তনঘৰ বোলে আৰু জাতীয় ৰঙ্গমঞ্চ আৰু দৈনন্দিন প্ৰাৰ্থনা আদি কামৰ কাৰণে ৰাইজে সমিল-মিলভাৱে কৰি লোৱা ঘৰক নামঘৰ বা গোসাঁইঘৰ বোলে।"[১০৮] নামঘৰৰ নিৰ্মাণ-শৈলী অত্যন্ত সৰল আৰু গাম্ভীৰ্যপূৰ্ণ। নামঘৰবোৰ কাঠ, বাঁহ, বেতেৰে নিৰ্মাণ কৰা হৈছিল। কাঠৰ ডাঙৰ, মজবুত

গোলাকৃতিৰ খুঁটা পুৰণি নামঘৰবোৰত ব্যৱহাৰ কৰা হৈছিল। খুঁটাৰ আকাৰ-আকৃতিয়ে নামঘৰৰ স্থাপত্য আৰু গাঁথনিৰ আকৰ্ষণীয়তা বৃদ্ধি কৰিছে। আধ্যাত্মিক গাম্ভীৰ্যতা বঢ়োৱাতো ই সহায় কৰিছে। নামঘৰবোৰৰ কৰাপাতবোৰত বিভিন্ন নক্সাৰ লতা কটা হৈছিল। চ'তি আৰু ফুলচ'তিতো বিভিন্ন নক্সাৰ লতা কটা হৈছিল। নামঘৰবোৰৰ খুঁটা, চ'তি, কামি আদি হেঙ্গুল-হাইতালেৰে ৰং কৰা হৈছিল। নামঘৰবোৰ পূৱা-পশ্চিমাকৈ সজা হয়। নামঘৰৰ পশ্চিমত স্তুপ বা টুপ থাকে। টুপৰ ফালে মুখ্য দুৱাৰ থাকে। "দুৱাৰৰ দুই কাষে আৰু ওপৰৰ কাঠত পদুমফুল, লতা আদি কাটি দিয়ে। তাক 'মেহেৰাজী' বোলে। দুৱাৰত সিংহ কাটি দিলে তাক সিংহ দুৱাৰ বোলে। আন ফুল, লতা আদি কটা দুৱাৰক ফুল-তেতেলা কটা দুৱাৰ নাম দিয়া হয়।"[১০৯] নামঘৰত মণিকূট আৰু নামঘৰ থাকে। নামঘৰবোৰ দুইচলীয়া বা চাৰিচলীয়া হয়। নামঘৰৰ সভাঘৰটোৰ চাৰিওকাষে চাৰিফুটমান বাঁহ-বেতেৰে বেৰা দিয়া থাকে। মণিকূটটো বাঁহৰ বেৰেৰে আবৃত হৈ থাকে। মণিকূটত গুৰু-আসন থাকে। কৰাপাটৰ দুইকাষে কাঠেৰে বনোৱা ধৰ্মীয় চৰিত্ৰ জয়-বিজয়ৰ মূৰ্তি থাকে। বৰ্তমান অৱশ্যে নামঘৰবোৰ পকী কৰা হৈছে। মূৰ্তিবোৰো বিলাতী মাটিৰে নিৰ্মাণ কৰা হৈছে। সৰ্থেবাৰীৰ প্ৰতিটো চুপাতে একোটাকৈ নামঘৰ আছে। মৈৰামাৰা নামঘৰ, নাথ চুপা নামঘৰ, ভকুৱাটেপা নামঘৰ জিলাখনৰ কেইটামান উল্লেখযোগ্য নামঘৰ। বৰপেটাৰ হাটীসমূহত এক শ্ৰেণীৰ বিশেষ গৃহ দেখা যায়। যাক 'হাটীয়াৰ ঘৰ' বোলে। হাটীয়াৰ ঘৰটো হাটীৰ মেলৰ উপৰি প্ৰাৰ্থনাৰ বাবে ব্যৱহৃত হয়। 'হাটীয়াৰ ঘৰ'টোৰ স্থাপত্য নামঘৰৰ সভাঘৰটোৰ স্থাপত্যৰ লগত মিল আছে। হাটীয়াৰ ঘৰবোৰতো নানা ধৰ্মীয় চৰিত্ৰৰ ভাস্কৰ্য আছে। শংকৰদেৱৰ এই নামঘৰৰ সহজ-সৰল স্থাপত্য-কলা অসমীয়া স্থাপত্য কলাৰ অপূৰ্ব সংযোজন।

স্থাপত্যৰ লগতে সত্ৰীয়া ভাস্কৰ্যবোৰো মনোমোহা। সত্ৰ, নামঘৰত থকা মূৰ্তিবোৰ লোকশিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে। প্ৰায়বোৰ ভাস্কৰ্য কাঠত খোদাই কৰি প্ৰস্তুত কৰা। "দ্বাৰপালৰ মূৰ্তিবোৰ যেনে— সৰগীয় চৰাই গৰুড়, হনুমান আদিৰ লগতে গুৰু-আসন, মুখা, থাক্‌না (Book rest) নক্সাকৃত দুৱাৰ, ফলি আদি কাঠত কাটি উলিওৱা হয় আৰু প্ৰায়ে থলুৱা পৰম্পৰাগত দস্তুৰত চিত্ৰকৰণ কাৰ্য সম্পাদিত কৰা হয়।"[১১০] সত্ৰবোৰত লতাযুক্ত নক্সাবোৰ কাঠত কটা দেখা যায়। বৰপেটা সত্ৰৰ ভিতৰত কাঠৰ অৰ্ধমানৰ আকৃতিৰ হাতত লাৰু লৈ থকা হনুমান আৰু গৰুড় পক্ষীৰ মূৰ্তি আছে। সত্ৰৰ দুৱাৰৰ ফলিত কাটি উলিওৱা দ্বাৰপাল দুজন, দুৱাৰৰ কাপেলিত খোদিত ৰূপৰ কালপুৰুষ বৈকুণ্ঠ (নাৰায়ণ লক্ষ্মীসহ পাৰিষদসকলৰ সৈতে) আদিয়ে সত্ৰীয়া ভাস্কৰ্যৰ সুন্দৰ চানেকি বহন কৰে। গুৱাগাছা সত্ৰৰ গৰুড় পক্ষী, হনুমান, উদ্ধৱ আৰু উৰন্ত গৰুড় থকা গুৰু-আসন সত্ৰীয়া ভাস্কৰ্যৰ চানেকি। অকয়া সত্ৰত থকা কাঠৰ নৰসিংহ আৰু গৰুড় পক্ষীৰ ভাস্কৰ্য অতি সুন্দৰ। "বৰপেটা অঞ্চলৰ কিছুমান সত্ৰত কাঠত কাটি উলিওৱা উপাস্য দেৱতাৰ সৰু মূৰ্তি আৰু হাতী-দাঁতত কাটি উলিওৱা কল্পিত নক্সাৰ কলানৈপুণ্য

আজিও দেখা যায়।”[১১১] সত্ৰসমূহৰ বেৰবোৰত ঘঁৰিয়াল, কাছ, সিংহ, হাতী আদিৰ মূৰ্তি আছে। কিছুমান মূৰ্তি কাঠ, ধাতু আদিৰে আৰু কিছুমান চিমেণ্টেৰে তৈয়াৰ কৰা হৈছিল। জনিয়া সত্ৰৰ কীৰ্তনঘৰৰ বেৰত পৰম্পৰাগত নক্সাৰ দশাৱতাৰৰ মূৰ্তি আছে। পাটবাউসী থানৰ প্ৰৱেশ-দ্বাৰৰ দুৱাৰত নাৰায়ণৰ দশাৱতাৰৰ মূৰ্তি আছে। বৰপেটা সত্ৰৰ কীৰ্তনঘৰৰ উত্তৰ, দক্ষিণ আৰু পশ্চিমৰ কাথিত শ্ৰীকৃষ্ণৰ জীৱন-লীলা, ভাগৱতৰ বিভিন্ন চৰিত্ৰ, হৰিভক্তিৰ ফল, পাপীৰ শাস্তি আদি অৰ্থ প্ৰকাশক সুন্দৰ আধ্যাত্মিক চিত্ৰ আছে। এই চিত্ৰবোৰ কাঠত কটা। কাঠৰ এই ভাস্কৰ্যসমূহৰ বেছিভাগ লক্ষ্মীকান্ত ৰাজমেধিয়ে খোদিত কৰিছিল।[১১২] ইয়াত ব্যৱহৃত ৰঙে ভাস্কৰ্যসমূহক জীৱন্ত কৰি তুলিছে। বৰপেটাৰ ভকতপাৰাৰ শিক্ষক, শিল্পী অৰ্জুন দাসে চিত্ৰসমূহত ৰং বোলাইছিল। সত্ৰসমূহৰ বাহিৰৰ পকীবেৰৰ ওপৰত ঘঁৰিয়াল, হনুমান, সিংহ আদি আধ্যাত্মিক প্ৰতীকৰ মূৰ্তি কেতবোৰ দেখা যায়। জিলাখনৰ সত্ৰসমূহত হনুমানৰ মূৰ্তি, অনন্ত নাগৰ মূৰ্তি, কাঠৰ জালি কটা শিল্প, কলসী থকা খুঁটা, কালিন্দী আইৰ ব্যৱহৃত বিচনা (পাটবাউসী সত্ৰত), ভাওনাৰ মুখা আদি সংৰক্ষিত হৈ আছে। প্ৰায়বোৰ সত্ৰতে মহাপুৰুষ দুজনা আৰু আতা পুৰুষসকলে ব্যৱহাৰ কৰা সাঁচিপাত, পাটনাদ, পদশিলাসমূহ এতিয়াও সংৰক্ষিত হৈ আছে।

**১.১৮ সাজপাৰ আৰু প্ৰসাধন ঃ**

জাতি, ধৰ্ম, লিংগ, বয়স ভেদে মানুহৰ সাজপাৰৰ মাজত ভিন্নতা আছে। ধৰ্ম আৰু সমাজ জীৱনৰ আভাস বস্ত্ৰ আৰু অলংকাৰে দাঙি ধৰিব পাৰে। তাঁতীকুছি নামেৰে প্ৰসিদ্ধ বৰপেটাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে মথুৰাদাস বুঢ়া আতাৰ সহযোগত ছকুৰি হাত দীঘল, তিনিকুৰি হাত বহল বৃন্দাবনী বস্ত্ৰ বৈ উলিয়াইছিল।[১১৩] বৰপেটাৰ সাজপাৰক লোক-সাজপাৰ আৰু সত্ৰীয়া সাজপাৰ— এই দুটা ভাগত ভগাব পাৰি। বৰপেটাৰ মহিলাই তিনিবস্ত্ৰ— ৰিহা, মেখেলা আৰু চাদৰ পৰিধান কৰিছিল। বৰ্তমান মহিলাসকলে ব্লাউজ পৰিধান কৰে। বৰ কাপোৰ, খনীয়া কাপোৰ, বিবিধ চেলেং চাদৰ, এৰীয়া কাপোৰ, পাটৰ চাদৰ, চুৰিয়া, তিয়নি গামোচা, নৰা কাপোৰ, ফুলাম বৰ কাপোৰ, আঁচু দিয়া চেলেং আদি আহোম যুগৰ বস্ত্ৰৰ ব্যৱহাৰ আজিও দেখা যায়।[১১৪] জিলাখনৰ মহিলাসকলে বস্ত্ৰ ব'বলৈ কপাহ, এড়ী, পাট, মুগা আদি সূতাও ব্যৱহাৰ কৰে। মহিলাসকলে কপাহী সূতা, বালাম, কুৰিতলীয়া, মাছৰাজ, পাট, টচমুগা, মুগা আদিৰ মেখেলা পৰিধান কৰে। সম্ভ্ৰান্ত ঘৰৰ মহিলাই পাটৰ বস্ত্ৰ বেছিকৈ ব্যৱহাৰ কৰে। গাঁৱৰ মহিলাসকলে সূতাৰ মেখেলা বুকুত মেথনি মাৰি পিন্ধে আৰু গাটো গামোচাৰে ঢাকি লয়। ৰিহা বৰপেটা অঞ্চলৰ মহিলাৰ অতি আদৰৰ বস্ত্ৰ। কেছৰচা ৰিহা, আঁঠুতলীয়া ৰিহা, গুণাৰ কাম কৰা ৰিহা আদি বিভিন্ন ধৰণৰ ৰিহা এই ক্ষেত্ৰত উল্লেখযোগ্য। চাদৰৰ ভিতৰত পোন্ধৰতলীয়া সূতাৰ চাদৰ ঘৰত ব্যৱহাৰ কৰে। পুৰণি কালত বিয়াৰ দিনা সৰ্বাঙ্গ ঢাকিবলৈ 'দোলাই' নামৰ উচ্চখাপৰ বস্ত্ৰ ব্যৱহাৰ

কৰিছিল।[১১৫] পুৰুষসকলে ধূতি, চুৰিয়া, চেলেং চাদৰ, এৰীয়া চাদৰ আদি ব্যৱহাৰ কৰে। অৱশ্যে বৰ্তমান সময়ত লংপেণ্ট, পায়জামা, হাফপেণ্ট, বাৰ্মুদা, কুৰ্তা আদিৰ প্ৰচলন হৈছে। মহিলাসকলেও শাৰী, মেক্সি, চেলোৱাৰ-কামিজ আদি পৰিধান কৰিবলৈ লৈছে। ধৰ্মীয় অনুষ্ঠান, বিবাহ, উৎসৱ-অনুষ্ঠানত বয়স ভেদে পুৰুষ-মহিলাৰ সাজপাৰত কিছু সালসলনি ঘটে। ধৰ্মীয় আৰু বিবাহ অনুষ্ঠানত ৰিহাৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। বিধৱা মহিলাসকলে বগা বস্ত্ৰ বেছিকৈ পৰিধান কৰে। চুৰি, কেঁচি ব্যৱহাৰ নকৰাকৈ, সূতা নিছিঙাকৈ দহি ৰাখি তাঁতত বোৱা 'আনাকাটা' চাদৰ বা গামোচা বিশেষ শুভকামত ব্যৱহৃত হয়। গৰ্ভৱতী নাৰীয়ে আৰু বিবাহ উৎসৱত কইনাই  আনাকাটা চাদৰ পৰিধান কৰে। 'আক্‌ল' বস্ত্ৰখন নৱজাতকক প্ৰথম দিনা মেৰিয়াই দিয়ে। এই বস্ত্ৰখন শুধ বগা আৰু 'আনাকাটা'। জিলাখনৰ জনগোষ্ঠীয় মহিলাসকলে মোটা সূতাৰে তৈয়াৰী ৰং-বিৰঙৰ দখনা, ফাইলি, আৰনাই আদি বস্ত্ৰ পৰিধান কৰে।

জিলাখনৰ লোক-সমাজত ব্যৱহৃত সাজপাৰৰ উপৰিও সত্ৰসমূহত সত্ৰীয়া সাজ ব্যৱহাৰ কৰা হয়। সত্ৰৰ ভিতৰত ভকতসকলে সত্ৰীয়া সাজপাৰ পৰিধান কৰে। কেৱলীয়া ভকতসকলে সত্ৰৰ নিত্য-নৈমিত্তিক কামত চুৰিয়া আৰু সূতাৰ চেলেং চাদৰ পৰিধান কৰে। গলত ফুলাম গামোচাখন লয়। সত্ৰৰ গায়ন-বায়নে মূৰত শুধ বগা কাপোৰেৰে পাগুৰি মাৰে। গায়ন-বায়নে থোৰ উলমি যোৱাকৈ বগা চুৰিয়া আৰু গাত চাপকন চোলা পৰিধান কৰে।

ইয়াৰ বাহিৰেও অংগসজ্জাৰ বাবে ব'হাগ মাহৰ উৎসৱ-অনুষ্ঠানত মহিলাসকলে দুহাত জেতুকাৰে বোলাই লয়। চকুত কাজল আৰু সধৱা মহিলাই সেন্দূৰৰ ৰঙা ফোঁট লয়। বিভিন্ন ধৰণে খোপা বান্ধি তাত কপৌ, গোলাপ আদি ফুল গুজি লয়। নাৰীসকলে চুলিৰ সৌন্দৰ্য বঢ়াবলৈ তিল, শিলিখা, আমলখি আদিৰ ৰস মূৰ ধুবলৈ ব্যৱহাৰ কৰে। গ্ৰামাঞ্চলত ঔ-টেঙাৰ বীজ, খলিহৈ, মণিছালৰ গুটি আদিৰ ব্যৱহাৰ এতিয়াও আছে। ছালৰ সৌন্দৰ্য বঢ়াবলৈ গাখীৰৰ চামনি, কেঁচা হালধি, চন্দনৰ প্ৰলেপ, ছালকুঁৱৰী আদি ব্যৱহাৰ কৰে।

**১.১৯ অয়-অলংকাৰ ঃ**

বৰপেটাত মুনিহ-তিৰোতাই পৰিধান কৰা অলংকাৰৰ সুকীয়া বৈশিষ্ট্য আছে। বৈদিক যুগত অভেদ্য, বন্ধনীয়, প্ৰক্ষেপ্য, আৰোপ্য আদি অলংকাৰৰ ভাগ কৰা হৈছে।[১১৬] এইবোৰ অলংকাৰৰ প্ৰচলন বৰপেটাত আছে। আৰ্থিকভাৱে টনকিয়াল বৰপেটাৰ নাৰীসকল অলংকাৰ পৰিধানত চৌখিন আছিল। সাতসৰী হাৰ, প্ৰজাপতি হাৰ, নূপুৰ আদি অলংকাৰ মহিলাৰ মাজত প্ৰিয়। কাণত পিন্ধা 'থোকা সোণ' বা থুৰীয়া সোণ বা কাত্‌ৰা বৰপেটাৰ প্ৰায় প্ৰত্যেক ছোৱালীৰে বিয়াত দিয়া হয়। কেচেলুৰীয়া হাৰ, জোন মাদুলী, চেপ্‌টী মাদুলী, শিলিখা মাদুলী, গলপতা, ধৰ মাদুলী, হাতৰ বাৰু, কাপেলী, পাওজানি, ফোপোলা বিছা, হেমহাৰ, গামখাৰু আদি বৰপেটাৰ স্বৰ্ণশিল্পীয়ে তৈয়াৰ কৰা বিশেষ অলংকাৰ। আঢ্যৱন্ত মহিলাৰ মাজত সোণৰ অলংকাৰৰ প্ৰচলন বেছি। আৰ্থিকভাৱে দুৰ্বল মহিলাসকলৰ মাজত ৰূপৰ

অলংকাৰৰ প্ৰচলন বেছি। বৰপেটাৰ মহিলাই বিয়া-বাৰু, উৎসৱ-পাৰ্বণ আদিত নিজকে অলংকাৰেৰে সজাই ভাল পায়। চৰ-চাপৰিৰ মুছলমান মহিলাসকলৰ মাজত সোণৰ অলংকাৰতকৈ ৰূপৰ অলংকাৰৰ প্ৰচলন বেছি। ধান তাবিজ বা কণ্ঠি, ডিঙিত পিন্ধা হাসুলি বা হাস্‌লি, ভৰিত পিন্ধা খাৰু, কড়ি, মটৰ মালা, কামৰাঙা মালা, হাতৰ সৰু গাঁঠিত পিন্ধা বয়লা, ঝুৰিখাৰু, মুঠা খাৰু বা খুচৰীয়া খাৰু, কটা বাজু, মগৰদানা বাজু, ছেকল হাৰ, মাছিপাত, কদমা, কাণপাশা, নাকত পিন্ধা বুল্লগক, কঁকালত পিন্ধা মাঞ্জাৰ গোট আদি অলংকাৰ চৰ-চাপৰিৰ মহিলাৰ মাজত প্ৰচলিত। সোণৰ অলংকাৰৰ বাহিৰেও ৰূপত সোণ পানী চৰোৱা অলংকাৰৰ সমাদৰ বৰপেটাত বিশেষভাৱে লক্ষ্য কৰা যায়।

**১.২০ খাদ্যাভাস ঃ**

পৰম্পৰাগত খাদ্যাভাসৰ সৈতে সমাজৰ মাজত প্ৰচলিত বিশ্বাস আৰু জীৱন-যাপনৰ শৈলী জড়িত হৈ থাকে। মানুহে খাদ্যৰ বাবে সাধাৰণতে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। বৰপেটা জিলা নানা জাতি-জনগোষ্ঠীৰ বাসস্থান। বৰপেটাৰ থলুৱা বাসিন্দাসকল, বড়োসকল, চৰ-চাপৰিৰ ন-অসমীয়া লোকসকল, ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ পৰা আহি বসবাস কৰা বিহাৰী, নেপালী, মাৰোৱাৰী, বঙালী আদি লোকসকলৰ মাজত খাদ্যাভাসৰ কিছু পাৰ্থক্য পৰিলক্ষিত হয়।

খাদ্যাভাস সম্পৰ্কীয় নানা লোকবিশ্বাস বৰপেটাত প্ৰচলিত হৈ আছে। বৰপেটাৰ লেহীডঙৰাত জন্ম হোৱা ডাকপুৰুষৰ নামত প্ৰচলিত বচনত পৰম্পৰাগত লোক ৰন্ধন প্ৰণালী আৰু কোন মাহত কি ভক্ষণ কৰিব লাগে তাৰ নিৰ্দেশ এনেদৰে আছে—

"শোকোতাৰ পাত বেসুয়াৰৰ বোল।
তৈলৰ ওপৰে দিয়া তোল।।
পোৰোলা সাক ৰোহিত মাহ।
ডাকে পেলে সেই ব্যঞ্জন সাঁচ।।
মাগুৰ মাছক কচি কুটিয়া।
হালধি মৰিচ হিঙ্গক দিয়া।।"[১১৭]

আকৌ কোন মাহত কি খাদ্য ভক্ষণ কৰিলে শৰীৰ সুস্থ-সবল হৈ থাকে, তাৰ নিৰ্দেশ ডাকৰ বচনত পোৱা যায়। ডাকৰ বচনবোৰে প্ৰকৃততে জিলাখনত প্ৰচলিত খাদ্য-পৰম্পৰাকে সূচিত কৰে।

"আঘোণত খাবা চৰাই।
পুহত পিঠা, মাঘত কৰাই।।
ফাগুনত মৌ, চ'তত ঔ, ব'হাগত বৰ।
ইয়াক খালে পুৰুষৰ গুচে কৰ্মজৰ।।"[১১৮]

চ'তত কলদিল নাখায়। আহিন-কাতিৰ দোমাহীত কচু খালে অতি উত্তম। ভাদ মাহত পানীলাও খালে ভাল। চ'তত বেলৰ চৰ্বতে গা শাঁত পেলায়। পুহৰ পঁইতা মাঘত খালে হাতীৰ সমান শক্তি লাভ কৰে। ভাদ মাহত কলপছলা নাখায় আদি খাদ্যৰ লগত জড়িত অনেক লোকবিশ্বাস লোক-সমাজখনত আছে। বৰপেটাত গোসাঁই দৌলত থকাৰ সময়ত বা গুৰু দুজনা আৰু আতাপুৰুষসকলৰ তিথিত অন্ন সিজোৱা নহয়। লঘু আহাৰহে গ্ৰহণ কৰা হয়।

বৰপেটা অঞ্চলৰ মুখ্য আহাৰ হ'ল ভাত। নিৰামিষ আৰু আমিষ দুয়োবিধ আহাৰেই বৰপেটাত প্ৰচলিত। বৰপেটা জিলা খাল-বিল, পিতনিৰে ভৰপূৰ হোৱাৰ বাবে ইয়াত মাছ-কাছৰ অভাৱ নাই। চৰিতপুথিতো বিভিন্ন মাছ-পাচলিৰে ৰন্ধন কৰাৰ কথা উল্লেখ আছে।[১১৯] পূৰ্বতে বৰপেটাৰ জান, বিলসমূহত বন্তিপুৰা প্ৰথা আছিল।[১২০] সত্ৰৰে পৰিৱেষ্টিত জিলাখনত আদিতে সত্ৰৰ মাটিত থকা লোকসকলে কুকুৰা চৰাই আৰু কণী অস্পৃশ্য বুলি নাখাইছিল। বৰ্তমান অৱশ্যে কুকুৰাৰ মঙহ প্ৰচলিত। বিশেষকৈ জিলাখনৰ জনগোষ্ঠীয় লোকসকলে দৈনন্দিন খাদ্যৰ উপৰিও ধৰ্মীয় কাম-কাজতো কুকুৰা, গাহৰি মাংস ব্যৱহাৰ কৰে। জিলাখনত গৰু-ম'হৰ খুঁটি থকাৰ বাবে গাখীৰ, দৈ, ক্ৰীমৰ অভাৱ নাছিল। সত্ৰৰ বাহাত থকা আতৈসকলে হাতীখুজীয়া বাতিত ম'হৰ এঠা দৈ-গাখীৰ আৰু এখামোচ গুৰেৰে সুন্দৰকৈ ভকতসকলক খাবলৈ দিছিল।[১২১]

জিলাখনত প্ৰতিবছৰে বানপানীয়ে পলস পেলায় যায়। চৰ-চাপৰিৰ লগতে কৃষিপথাৰৰ সাৰুৱা মাটিত সেউজীয়া শাক-পাছলি নদন-বদন হৈ উঠে। লাও, কোমোৰা, জিকা, পটল, আলু, ৰঙালাউ, আদি পাচলি হেলচি, বাবৰি, লাই, লফা, কচু, খুতুৰা আদি শাকৰ বিবিধ ব্যঞ্জন বৰপেটাৰ লোকসকলে খায়।

ঋতু অনুসৰি তথা উৎসৱ-পাৰ্বণৰ লগত সংগতি ৰাখি খাদ্যাভাসৰো কিছু পৰিৱৰ্তন হয়। মাঘ মাহৰ দোমাহীৰ 'গাতাৰ আলু' বৰপেটাবাসীৰ প্ৰিয় ব্যঞ্জন। প্ৰতিখন হাটীৰ লোকে এই আলুভজা মিলিজুলি ভক্ষণ কৰে। ব'হাগৰ বিহুত বৰপেটাৰ প্ৰত্যেক ঘৰত 'জালৰ আঞ্জা' ৰন্ধা হয়। ঔষধি গুণযুক্ত ভেদাইলতা, নৰসিংহ, জালুক, জলকীয়া, আইজং, কালজিৰা, চফগুটি, আদা, নহৰু, বেতৰ শিপা, বাঁহৰ গাজ, পানী লাউৰ শিপা আদি পটাত পিহি জালৰ আঞ্জা প্ৰস্তুত কৰা হয়। বৰপেটা অঞ্চলত ব'হাগৰ বিহুত সাতশাক খোৱাৰ পৰম্পৰা আছে। জগন্নাথৰ নামত কেঁচা পিঠাগুৰি, নাৰিকল, চেনি, ঘিউৰে কেঁচা লাড়ু প্ৰস্তুত কৰা হয়। তদুপৰি কেঁচা পিঠাগুৰি, মিঠৈ, জালুক খুন্দি পকা লাড়ু প্ৰস্তুত কৰে। টেক্‌লি পিঠা, চিৰা, তিলপিঠা, খোলাচাপৰি পিঠা, পানী পিঠা, বৰাৰ পিঠা, লাড়ু আদি উৎসৱ-পাৰ্বণৰ লগতে দৈনন্দিন জীৱনৰো প্ৰিয় খাদ্য। সত্ৰত নাইবা ধৰ্মীয় উৎসৱত মগুমাহ, বুট, চাউল, নাৰিকল, আদা, নিমখ, কুঁহিয়াৰ, কল আদি নৈবেদ্য হিচাপে আগবঢ়োৱা হয়। মাঘৰ বিহুত বৰাচাউল, নাৰিকল, আদা, বাদাম, সোণালী মগু, মাহ, বাদাম আদি মাটিৰ খোলাত ভাজি মাহকৰাই প্ৰস্তুত কৰে।

আন অসমীয়া লোকসকলৰ দৰে বৰপেটা জিলাৰ লোকসকলৰো খাৰ অতি প্ৰিয় ব্যঞ্জন। কলগছৰ খাৰ, ভীমকলৰ বাকলিৰ খাৰ, অমিতাৰ খাৰ, ডখৰা খাৰ অতি প্ৰিয়। আঠিয়া কলৰ বাকলি, গা-গছ, কলৰ মূঢ়াৰ পৰা প্ৰস্তুত কৰা খাৰক কলাখাৰ বোলে। 'ডখৰা খাৰ' এবিধ সুস্বাদু খাৰ। 'ডখৰা খাৰ' প্ৰস্তুত কৰোঁতে সাধাৰণতে মেটেকা, পুনি, ভীমকল গছ শুকাই লৈ (বিশেষকৈ কাতিমাহৰ ৰ'দত) পুৰি ছাঁইখিনি পানী দি ঝৰে। পিছত পানীখিনিত অলপ নিমখ দি পগাই পগাই ডাঠ কৰে আৰু ইয়াক ডোখৰা ডোখৰ কৰি ল'ব পাৰি বাবে এই খাৰৰ নাম বৰপেটীয়া ভাষাত ডখৰা খাৰ।[১২২] শুক্ল পক্ষত খাৰ প্ৰস্তুত কৰিলে বগা বৰণৰ আৰু কৃষ্ণপক্ষত খাৰ প্ৰস্তুত কৰিলে কলা বৰণৰ হয় বুলি বৰপেটা জিলাত জনবিশ্বাস আছে। কলা সৰিয়হৰ গুৰিৰে খাৰলি প্ৰস্তুত কৰা হয়। পঁইতা ভাতৰ লগত জলকীয়া, সৰিয়হৰ তেল সানি কৃষক সমাজত পৰম তৃপ্তিৰে খাৰলি খোৱা হয়।

বৰপেটা জিলাত ব'হাগ মাহত ঔষধি গুণযুক্ত ভেদাইলতা, পচতীয়া, নৰসিংহ, সৰু মানিমুনি, বৰ মানিমুনি, কছাৰী মছলাৰ পাত ৰ'দত শুকুৱাই গুৰি প্ৰস্তুত কৰা হয়। এই গুৰিক বৰপেটাত 'তিতাৰ গুৰা' বোলে। ব'হাগত প্ৰস্তুত কৰা তিতাৰ গুৰা গোটেই বছৰ জুৰি খাব পৰাকৈ সাঁচি ৰখা হয়। মাগুৰ, শিঙি আদি সৰু মাছেৰে বনোৱা তিতাৰ গুৰাৰ জোল অতি সুস্বাদু। ই মুখৰ ৰুচি বঢ়োৱাত সহায় কৰে। পচা কোমোৰাৰ শুকান ভাজি এবিধ প্ৰিয় ব্যঞ্জন। মাছৰ টেঙাৰ আঞ্জাখনো অতি প্ৰিয়। কৰ্দৈ, থেকেৰা টেঙা, অমৰা টেঙা, চেঙেৰী, আমলখি, ঔ-টেঙা, বগৰী আদি মাছৰ সৈতে জোল বনোৱা হয়। মাটি মাহৰ দাইলত ঔটেঙা দিয়া হয়। সৰু মাছেৰে কলপছলাৰ আঞ্জা বনোৱা হয়। তিতাৰ ভিতৰত চিৰতা তিতা, শেৱালী ফুলৰ তিতা, হেলচী শাক, ব্ৰাহ্মী শাক, দোৰোণশাক আদি খোৱা হয়। এইবোৰে পেলু নিবাৰণ কৰে। পানীয়ৰ ভিতৰত ৰঙা চাহ আৰু গাখীৰ চাহ খায়। তদুপৰি তেতেলি, ঠেকেৰা টেঙাৰ সুথি, বেল, পকা ভীমকল, সোণতৰা টেঙা পানীত তিয়াই থৈ চ'তত প্ৰস্তুত কৰা হয়। খাই উঠাৰ পিছত মুহুদি মাৰিবলৈ তামোল পাণৰ ব্যৱহাৰ কৰে। শুকান শিলিখা, আমলখি আদিও খোৱাৰ পিছত মুখ শুদ্ধিৰ বাবে খায়।

চৰ-চাপৰিৰ মুছলমানসকলৰ মাজত জলকীয়াৰ ব্যৱহাৰ বেছি। 'মৰিছ বটা', শুকান মাছ বটা তেওঁলোকৰ অতি প্ৰিয় খাদ্য। ভাপা পিঠা, দুধৰ পিঠা, ভজা পিঠা, মুৰি, চিৰা আদি জলপান হিচাপে গ্ৰহণ কৰে। চিন্নি ভাত তেওঁলোকৰ মাজত প্ৰিয়। মছজিদত মানস কৰি ৰাইজক চিন্নি ভাত দিয়ে। চাউল আৰু মছলা, মাংস একেলগ কৰি চিন্নি ৰন্ধা হয়। থলুৱা মুছলমানসকলৰ মাজত খেজুৰ পোলাও, কোৰ্মা, কাবাব, চেৰৈ, বিৰিয়ানী আদি প্ৰাচ্যৰ খাদ্যাভাসৰ প্ৰভাৱ দেখা যায়।

বৰপেটা জিলাৰ জনজাতীয় লোকসকলৰ খাদ্য কিছু সুকীয়া। তেওঁলোকে তেল মছলা, গাখীৰৰ ব্যৱহাৰ কমকৈ কৰে। শুকাই সংৰক্ষণ কৰা মাছ-মঙহৰ ব্যৱহাৰ বেছি। বড়ো-কছাৰীসকলৰ মাজত

শুকান মাছ, চাঙত শুকোৱা গাহৰিৰ মাংসৰ প্ৰচলন আছে। শাক-পাচলিও শুকাই সংৰক্ষণ কৰি ৰাখে। বাঁহ গছৰ পৰা প্ৰস্তুত কৰা খৰিছা তেওঁলোকৰ প্ৰিয়। বড়োসকলৰ এবিধ প্ৰিয় খাদ্য হ'ল নাফাম (সিন্দল)। "২৫০ গ্ৰাম বগা কোমোৰাৰ বা কচুৰ ঠাৰি এবেলাৰ টান ৰ'দত দি এক কেজি শুকান মাছৰ লগত ঢেঁকী বা উৰালত খুন্দি বাঁহৰ চুঙাত ভৰাই কলপাতৰ সোপ দি থৈ দিয়ে। চুঙাৰ মুখত ফুটছাঁই দি থয়।"[১২৩] এনেকৈয়ে নাফাম তৈয়াৰ কৰা হয়। নাফাম বহু বছৰলৈ খাব পাৰি। বৰৌমা, পাত কুছীয়া মাছ আৰু ছাগলীৰ মাংসৰ লগত মিহলি কৰি খায়। তৰাৰ গজালি, মেস্কা টেঙাৰ পাত ব্যঞ্জনবোৰত ব্যৱহাৰ কৰে। মাটিমাহৰ দাইলত শুকান গাহৰি, খাৰ দি আঞ্জা বনোৱা হয়। মাংসৰ লগত পিঠাগুৰি মিহলি কৰি সুস্বাদু ব্যঞ্জন তৈয়াৰ কৰা হয়। পানীয় হিচাপে লাওপানী বা জুমায় ব্যৱহাৰ কৰে। আৰৈ চাউল, বৰা চাউলৰ লগত ঔষধি গছৰ শিপা মিহলাই জুমায় তৈয়াৰ কৰা হয়।

খাদ্যাভাসৰ লগত ৰন্ধন প্ৰণালী আৰু ৰান্ধনী ঘৰৰ পালনীয় নীতি-নিয়ম অভিন্ন হৈ থাকে। অসমীয়া সমাজত সাধাৰণতে ৰান্ধনীঘৰটো মূল ঘৰৰ পিছফালে খেৰ, বাঁহ, বেতেৰে সজা হয়। ঘৰটো অতি পবিত্ৰ স্থান হিচাপে গণ্য কৰা হয়। গা-পা ধুইহে ৰান্ধনীঘৰত প্ৰৱেশ কৰাৰ নিয়ম অসমীয়া সমাজত প্ৰচলিত। জুহালখন পূব বা দক্ষিণফালে মুখ কৰি পাতে। উত্তৰ আৰু পশ্চিম ফালে পতা নহয়। মাটিৰ চৰু, কলহ, লোৰ কেৰাহী, হেতা, পিতলৰ চৰু, পিতলৰ বাতি, কাঁহী আদি বাচন-বৰ্তন পাকঘৰৰ নিত্য ব্যৱহাৰ্য সামগ্ৰী। বাঁহৰ চুঙাত বিভিন্ন লাগতিয়াল দ্ৰব্য বাঁহৰ বেৰত সাঁচি থয়। বৰপেটাত আমতি, গুৰু দুজনাৰ তিথি, আতাপুৰুষসকলৰ তিথি আৰু গোসাঁই দৌলত থকা সময়ত জুহালত ভাত ৰন্ধা নহয়। বৰ্তমান অৱশ্যে পাকঘৰবোৰ পকী হৈছে। জুহালৰ সলনি গেছ, ষ্টোভৰ ব্যৱহাৰ হৈছে।

### ১.২১ লোক-সাহিত্য ঃ

লোক-সাহিত্যৰ মাজত এটা জাতিৰ বুৰঞ্জী লুকাই থাকে। লোক-সাহিত্য হ'ল লোক-সমাজৰ সঞ্চিত অভিজ্ঞতাৰ ভঁৰালস্বৰূপ। লোক-সাহিত্যক (ক) লোকগীত, (খ) ফকৰা-যোজনা আৰু প্ৰবচন, (গ) সাধুকথা এই তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি।[১২৪] বৰপেটা জিলাৰ জনসাধাৰণৰ মাজতো নানা প্ৰবাদ-প্ৰবচন, সাধুকথা, পটন্তৰ, লোকগীত আদিৰ প্ৰচলন হৈ আহিছে। লোক-সাহিত্যৰ মাজেৰে সমাজখনৰ লোকাচাৰ, লোকবিশ্বাস আদি নানা দিশ ফুটি উঠিছে। জিলাখনত অসংখ্য কাব্যিক আৰু মৌখিক সাহিত্য লোক-সমাজত প্ৰচলিত হৈ আছে। "বৰপেটা জিলাত নিংনি ভাউৰীয়া, পল্লাৰ ভোলা ভাউৰা, বৰনগৰৰ লৰফা ভাৰৰীয়া, সুন্দৰীদিয়াৰ গৌৰী ভাৰৰীয়া, হাউলীৰ মৌটুপুৰী গাঁৱৰ গীতিকাৰ গৰ্জন ভাৰৰীয়া, বজালীৰ বৰবাঙৰ ধনেশ্বৰ ভাৰৰীয়া, বাঙৰ আটহু ডাইনা পালি ভাৰৰীয়া প্ৰভৃতি ভাৰৰীয়াসকলে আৰু বৰপেটাৰ কেশৰ কাকতি, ভৱানীপুৰ কলবাৰীৰ কামেশ্বৰ দাস প্ৰমুখ্যে স্বভাৱ

কবিসকলে লোকৰঞ্জক গীত-পদ ফকৰা-যোজনা আৰু স্বভাৱ কবিতাৰে বৰপেটা জিলাৰ লোকসাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে।"[১২৫] বৰপেটাৰ লোক-সাহিত্যসমূহ হ'ল ---

**১.২১.১ ডাকৰ বচন ঃ**

বৰপেটা জিলাৰ লোক-সাহিত্যৰ উল্লেখযোগ্য সম্পদ হ'ল ডাকৰ বচনসমূহ। বৰপেটা সদৰৰ পৰা মাত্ৰ দহ কিঃমিঃ দূৰৈত অৱস্থিত লেহীডঙৰা গাঁৱত ডাকপুৰুষৰ ঘৰ আছিল বুলি বচনবোৰত উল্লেখ আছে। ৰন্ধন প্ৰকৰণ, কৃষিৰ লক্ষণ, বৃক্ষৰ লক্ষণ, জন্ম প্ৰকৰণ, সুপুৰুষৰ লক্ষণ, কুপুৰুষৰ লক্ষণ, জ্যোতিষ প্ৰকৰণ, বৰ্ষাৰ লক্ষণ আদি পাৰিবাৰিক আৰু সামাজিক আচাৰ-নীতিসমূহৰ ব্যাৱহাৰিক জ্ঞান ডাকপুৰুষৰ নামত প্ৰচলিত হৈ আছে। গৰুৰ গুণাগুণ সম্পৰ্কে ডাক পুৰুষে এনেদৰে কৈছে---

"গৰু কিনিবা চিকণ জালি।
দুই চাৰি ছয় দাঁন্তিয়া ভালি।।"[১২৬]

**১.২১.২ ভকতীয়া ফকৰা ঃ**

ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ দৰে অসমৰ বৰপেটা জিলাতো ফকৰা-যোজনা প্ৰচলিত হৈ আহিছে। শঙ্কৰী সংস্কৃতিৰ কেন্দ্ৰস্থান বৰপেটাৰ বৈষ্ণৱ পৰম্পৰাত অনেক ভকতীয়া ফকৰাৰ প্ৰচলন আছে। ভকতীয়া ফকৰাৰ জৰিয়তে বৈষ্ণৱ ধৰ্মৰ তত্ত্ব সম্পৰ্কীয় কথা প্ৰকাশ পায়। প্ৰতীকধৰ্মী ফকৰাত অৰ্থৰ গোপনীয়তা লক্ষ্য কৰা যায়। "শঙ্কৰী যুগৰ তেৰকুৰি ফকৰা নাৰায়ণ দাস ঠাকুৰ আতাই বৰনগৰৰ পৰা বৰপেটালৈকে এইখিনি ঠাইৰ পৰা সংগ্ৰহ কৰিছিল।"[১২৭] নাৰায়ণ দাস ঠাকুৰ আতাই তিনিশ তিনিকুৰি ফকৰা কমাতি পদ্মআতাক ধৰ্মৰ গূঢ়াৰ্থ শুনাইছিল। চৰিত পুথিতো আতাপুৰুষসকলৰ মুখত নানা ফকৰা উল্লেখ আছে।

"ভকত সৰু, ভকত ডাঙৰ, ভকত মাজশিলা।
চাঙৰ তলত ভকত আছে, দেখিলা কি নেদেখিলা।।"[১২৮]

ভকত সৰু হ'ল বৰবিষ্ণু আতা, ভকত ডাঙৰ নাৰায়ণ দাস ঠাকুৰ আতা, ভকত মাজশিলা হ'ল মথুৰা দাস বুঢ়া আতা আৰু চাঙৰ তলত ভকত হ'ল বদলা পদ্ম আতা।

**১.২১.৩ প্ৰবাদ বা যোজনা-পটন্তৰ ঃ**

বৰপেটা জিলাখনৰ গাঁৱে-ভূঁঞে অনেক যোজনা-পটন্তৰ প্ৰচলিত হৈ আহিছে। এই প্ৰবাদ পটন্তৰবোৰ কোনো ঘটনা বা অভিজ্ঞতাৰ পটভূমিত সৃষ্টি হোৱা। খাদ্যাভাস, সামাজিক লোকাচাৰ, বিশ্বাস, প্ৰকৃতি, পাৰিবাৰিক সম্পৰ্ক আদি যোজনা-পটন্তৰসমূহত প্ৰতিফলিত হৈছে। বৰপেটাৰ লোক-সমাজত প্ৰচলিত কেতবোৰ যোজনা-পটন্তৰ হ'ল—

(ক) তিৰীয়ে গিৰী, তিৰী নহলি যায় হতচিৰি।[১২৯]

(খ) সজা পায় বোজ দিয়ে,

ঢিলা পায় খিলা মাৰে।[১৩০]

(গ) মাহে পযে যাবা, বৰ পীৰাখন পাবা,

সপ্তাহে সপ্তাহে যাবা, থক্‌না গেজ্‌না খাবা।[১৩১] (অনাদৰ অৱহেলা)

(ঘ) ঘোঁৰাক চিনি কাণত, তিৰীক চিনি টানত।[১৩২]

**১.২১.৪ লোক-কবিৰ পদ ঃ**

বৰপেটাৰ বিখ্যাত নিংনি ভাৰৰীয়াৰ নামত প্ৰচলিত গীত-পদ অতি জনপ্ৰিয়।

কাশীত বাস, বেহাৰত ৰাস

আসামৰ হোলী, বৰপেটীয়া ছলি।[১৩৩]

গৌৰী ভাৱৰীয়াৰ নামত প্ৰচলিত পদ হ'ল ---

'মোৰ গৰুটুৰ অলল জহৰ বাত

মই বিচৰি গেলু মহানিমুৰ পাত।[১৩৪]

সমকালীন লোক-সাহিত্যত স্বাধীনতা সংগ্ৰাম, লোক সেৱাক লৈও নানা লোক-কবিতা ৰচিত হৈছে। সৰুক্ষেত্ৰী অঞ্চলত হোৱা লছিমাৰ কৃষক বিদ্ৰোহক লৈ এনেদৰে লোক-কবিতা ৰচিত হৈছিল—

'সৰুক্ষেত্ৰীত ৰাইজৰ মেল

জীৱন যুঁজৰ মোহিনী খেল।

খেলুৱৈ দৰ্শকে আমোদ পায়

জাতীয় জীৱনে গঢ়টি লয়।'[১৩৫]

**১.২১.৫ সাঁথৰ ঃ**

সাঁথৰসমূহ হ'ল প্ৰহেলিকাময় প্ৰশ্নবাণ সদৃশ। সাঁথৰৰ বৰ্ণনাৰ পৰা ইয়াৰ উত্তৰৰ ধাৰণা পাব পাৰি। সাঁথৰবোৰৰ মাজত লোক-সমাজৰ বুদ্ধিমত্তাৰ পৰিচয় পোৱা যায়। বৰপেটাৰ স্থানীয় উপভাষাৰ ব্যৱহাৰে সাঁথৰবোৰক বিশেষত্বপূৰ্ণ কৰিছে।

(ক) এনু এনু এনু ধৰ্‌বাৰ নাই ঠেনু।

উত্তৰ ঃ ডিমা (কণী)

(খ) সৰুতে কাপুৰ পিন্ধে ডাঙৰত লাংটা হয়।

উত্তৰ ঃ বাঁহৰ গজালি

বৰপেটাৰ সমাজত বিবাহ অনুষ্ঠানত 'হাঙাৰ বান্ধা' নামেৰে এক পৰম্পৰা আছে। যিটো পৰম্পৰা অনুসৰি দৰাক সাঁথৰ সোধা হয়। সাঁথৰৰ উত্তৰ দিব নোৱাৰিলে দৰাই জৰিমনা ভৰিব লাগে।

**১.২১.৬ সাধুকথা ঃ**

জিলাখনৰ মঠ-মন্দিৰ, দেৱালয়, পৌৰাণিক স্থান, পাহাৰ আদিক কেন্দ্ৰ কৰি নানা প্ৰবাদ আছে। বাঘেশ্বৰী থান, গৰখীয়া থান, ৰাজাটিপ, ভোগেশ্বৰ গোহাঁইৰ থান, পখলা গোহাঁইৰ থানক লৈ বহুতো কাহিনী প্ৰচলিত। স্বভাৱ-কবি নিংনি ভাৰৰীয়াৰ নামত বৰপেটাত বহুতো খুঁহুতীয়া সাধুকথা প্ৰচলিত আছে। হাউলীৰ যাদৱ চন্দ্ৰ দাসে 'নিংনি ভাৰৰীয়াৰ ৰহস্য' নামৰ পুথিখনত সাধুখিনি সংকলন কৰি উলিয়ায়। ভূত-ভূতুনী, চৰাই-চিৰিকটি, জীৱ-জন্তু সম্পৰ্কীয় নানা সাধুকথা জিলাখনত প্ৰচলিত। সাধুবোৰত সাৰ্বজনীন বিষয়বস্তু থাকিলেও তাত স্থানীয় ৰহন সানি পৰিৱেশন কৰা হয়।

**১.২১.৭ লোকগীত ঃ**

বৰপেটা জিলাৰ লোকগীতৰ ক্ষেত্ৰখন চহকী। লোক-সাহিত্যৰ গুৰুত্বপূৰ্ণ ভাগ হ'ল লোকগীত। বৰপেটা জিলাৰ গাঁও-ভূঁইবোৰৰ লোক-সমাজত স্থানীয় উপভাষাত ৰচিত অসংখ্য লোকগীতৰ প্ৰচলন আছে। আচাৰ-অনুষ্ঠানৰ লগত জড়িত হৈ জনজীৱনৰ বিশ্বাস, কৰ্ম আৰু লোক সংগীতৰ ধাৰা স্বতন্ত্ৰভাৱে বয় উচ্চাংগ সংগীতৰ সমান্তৰালভাৱে।[১৩৬] "কামৰূপ অঞ্চলত এহাতে পশ্চিম অঞ্চলৰ আৰু আনহাতে পূব অঞ্চলৰ লোক সংগীতৰ সুৰৰ বৈশিষ্ট্য মিলিত হৈছে। তাৰ লগত যুক্ত হৈছে সত্ৰীয়া সংগীত আৰু ওজাপালি সংগীতৰ কিছু কিছু সংমিশ্ৰণ (Sophistication)।"[১৩৭] কামৰূপী লোকগীতক লোকগীত হিচাপে আধুনিক সমাজত প্ৰতিষ্ঠিত কৰাত জিলাখনৰ বিশেষ অৰিহণা আছে। যোগেশ ভৰালী, পুৰুষোত্তম দাস, ৰামেশ্বৰ পাঠক আদি ব্যক্তিসকল কামৰূপী লোকগীতৰ অন্যতম শিল্পী। বৰপেটা জিলাৰ অনুষ্ঠানমূলক ভক্তি নিৰপেক্ষ লোকগীতৰ ভিতৰত বিয়াগীত, মহোহো গীত, জাপাৰ গীত, বিহুগীত আদি প্ৰচলিত। ভক্তিসাপেক্ষ অনুষ্ঠানমূলক লোকগীত হ'ল হোলীগীত, তুলসীৰ গুৰিত গোৱা নাম, জগন্নাথৰ নাম ইত্যাদি। গৰখীয়া গীত, নাওখেলৰ গীত, বৰশী বোৱা গীত, ধানবান্ধা গীত, সাতশাক তোলা গীত বৰপেটা অঞ্চলত প্ৰচলিত বিভিন্ন শ্ৰেণীৰ লোকগীত। টেকেলী পিঠাৰ গীত, পচলাৰ গীত, গৰু কিনা গীত, টোকনৰ গুণৰ গীত আদি ধেমেলীয়া শ্ৰেণীৰ অন্তৰ্গত।

বৰপেটাৰ বিয়াগীতবোৰত ব্যৱহৃত ঔপভাষিক শব্দবোৰ বিশেষত্বপূৰ্ণ। বিবাহ-অনুষ্ঠানত বিভিন্ন পৰ্ব-উপলক্ষত ভিন্ন গীত গোৱা হয়। খীচা গীত, সুৱাগৰ ধানবান্ধা গীত, শলা বটা গীত, নান্দীসুখৰ শ্ৰাদ্ধৰ গীত, ঠিক ধৰা বা তেল চৰোৱা গীত, সুৱাগজাৰা গীত, পানীতোলা গীত, পানী কটা গীত, তেলৰভাৰৰ গীত, দৰা সজোৱা গীত, আখৈ তুলা গীত, দৰা বৰণ গীত, আগদিয়া গীত, কইনা বিদায়ৰ পৰত গোৱা গীত আদি বিবাহৰ নানান পৰ্বত গোৱা লোকগীত। কিছুমান গীত বিয়াৰ উপযুক্ত পাত্ৰ-পাত্ৰীক উদ্দেশ্য কৰি গায়। ইয়াৰ মাজেৰে বিবাহৰ আয়োজনত কথা শুনোৱা হয়। লগতে ছোৱালীজনীৰ ঘৰখনৰ প্ৰতি থকা স্নেহ, আদৰ গীতৰ মাজেৰে প্ৰকাশ পায়। উদাহৰণস্বৰূপে—

গাছোৰে খুলুঙত ও পদুম লতা

আহিলি মাই তই ও পদুম লতা

ইদেলি বিৰিখত কিয় মেৰাই আছা।[১৩৮]

বিবাহৰ থলীতে আয়তীসকলে ধেমেলীয়া সুৰত খীচা গীত জোৰে। কইনাৰ ফালৰ আয়তীয়ে জোৰোণত খীচাগীত এনেদৰে জোৰে—

তামুলকেইটা ধনাপৰা এ, পাণ মেক্‌ৰিৰ কাণ,

কাক লগি খাৰু আন্‌ছা, হাতত হৈছে টান।

কল থকা বাদ্‌লি খাৰা এ নাৰিকল যৰা সৰু,

দৈখিনি বেঙৰ ছাটা, আমি খাবা নৰু।[১৩৯]

তোলনী বিয়াক কেন্দ্ৰ কৰিও নানা গীতৰ প্ৰচলন আছে। কৃষিভিত্তিক বৰপেটাত গৰখীয়া গীত, নাঙলৰ গীত আৰু বাথানৰ গীতৰ প্ৰচলন আছিল। জিলাখনৰ বিভিন্ন স্থানৰ ম'হৰ খুঁটিৰ ম'হবিলাকক লৈ গোৱালে গীত গাইছিল। নাওখেলৰ গীতসমূহো বৰপেটা অঞ্চলত প্ৰচলিত উল্লেখযোগ্য লোকগীত। এই গীতবোৰত কথা আৰু সুৰৰ সৰলতা প্ৰকাশ পাইছে। চৰ-চাপৰিত গোৰা নাওখেলৰ গীতত বংগীয় প্ৰভাৱৰ লগতে স্থানীয় বৈশিষ্ট্যও প্ৰকাশ পাইছে—

'বাইচা টান দিয়'ৰে

জব কৰুম খাশি

তাৰাবাৰীৰ হাটে যাইয়া

কিনব' দাঁতেৰ মেশি

বাইচা টানি দিয়'ৰে।'[১৪০]

বৰপেটাৰ নাওখেলৰ গীতবোৰত নাও-খলৰ প্ৰসংগৰ উপৰিও নাৱেৰে মাছ মৰা, বেপাৰ বণিজৰ পৰা উভতি অহাৰ প্ৰসংগও আছে। এই গীতবোৰত বিভিন্ন বিষয় এনেদৰে স্থান পাইছে ---

হায় মোৰ হায় মোৰ মলুৱা হে

কিও যঁতৰ যঁতৰ কৰে তাই হায় ও হৰি

যঁতৰ আনি দিলোঁ মই হায় ও হৰি

যঁতৰত ধৰি ধৰি কান্দে মোৰ মলুৱা হে।'[১৪১]

টেকেলী পিঠাক কেন্দ্ৰ কৰি ধেমেলীয়া গীত ৰচিত হৈছে। এই গীত সুন্দৰীদিয়াৰ গোৰৰ্দ্ধন দাসে জনপ্ৰিয় কৰি তোলে। উদাহৰণস্বৰূপে—

হায়ৰে মোৰ টেক্‌লিপিঠা খাবাৰ কিমান মজাও

খাবাৰ কিমান মজা

তেল নাল্‌গে চেনি নাল্‌গে

নাল্‌গে খৰিৰ বোজা।[১৪২]

বৰপেটাৰ লোকগীতৰ ক্ষেত্ৰখনত হোলীগীতৰ এক বিশেষ জনপ্ৰিয়তা দেখা যায়। হোলীৰ সময়ত বৰপেটা সত্ৰ আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহ হোলীগীতেৰে মুখৰ হৈ থাকে।

জনগোষ্ঠীয় লোকসকলৰ মাজত সংশ্লিষ্ট ভাষাত ৰচিত লোকগীতৰ প্ৰচলন আছে। গথোবুৰ খায়নায় মেথায় (নিচুকণি গীত), হাবা মেথায় (বিয়াগীত), জৌহৌ লাও (বেলাড), বৌইসাও মেথায় (বিহুগীত), দোমাৰি মেথায় আদি বড়ো জনগোষ্ঠীয় লোকৰ মাজত প্ৰচলিত।

জিলাখনৰ চৰ-চাপৰিবোৰত প্ৰচলিত লোকগীতবোৰ কিছু সুকীয়া। পল্লী গীত, ভাটিয়ালী গীত, ভাৱাইৱা গীত, মাৰফৰতী গীত, ধুৱা গীত, পালা গান, নীল গান বা চাষী গীত, কুলামাগন গীত, বনবিবিৰ গীত বা বনদুৰ্গাৰ গীত, হালোৱাৰ গীত, বাউল গীত, কবি গান, বেং বিয়াৰ গীত আদিত চৰ-চাপৰিৰ জাতীয় জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। কৃষি-নিৰ্ভৰ চৰ-চাপৰিত ধুৱা গীতবোৰ খেতি কৰোঁতে গোৱা হয়। বিশেষকৈ মৰাপাট খেতিত শ্ৰমৰ ভাগৰ লাঘৱ কৰিবলৈ এক বিশেষ শ্ৰেণীৰ গায়কে এই গীতটো লগায় দিয়ে। চৰবাসী কৃষকে পথাৰত পাল পাতি ধুৱা গীত গায় বাবে এই সমূহীয়া গীতক ‘পালাগান’ বুলিও কোৱা হয়।[১৪৩]

বৰ্তমান সময়ত বৰপেটাৰ হোলীগীত, নাওখেলৰ গীত আদিৰ লগত আধুনিক গীতৰ ফিউজন কৰি সৰ্বভাৰতীয় প্ৰেক্ষাপটত দাঙি ধৰা হৈছে।

**১.২২ লোকবাদ্য ঃ**

লোকগীতৰ লগত সংগত কৰিবলৈ প্ৰকৃতিপ্ৰদত্ত উপাদানেৰে শিল্পীয়ে সৰল লোকবাদ্য নিৰ্মাণ কৰি লয়। কাঠ, বাঁহ, মাটি, জন্তুৰ ছাল, লাউৰ খোল আদি লোকবাদ্য নিৰ্মাণৰ মুখ্য উপাদান। প্ৰাচীন অসমীয়া সাহিত্যত ভামৰি, ভঙ্গি, বেনা, বেণী, ভেমেচী, দণ্ডি, মুৰুয়া, পণৱ, ৰেমচি, টকা, টুপেচী, তুৰ্য্য আদি যন্ত্ৰৰ নাম পোৱা যায়। বৰপেটা জিলাত অতীজৰে পৰা প্ৰচলিত লোকবাদ্য কেইবিধমান হ’ল —

**দোতাৰা ঃ** ততবাদ্যৰ ভিতৰত জনপ্ৰিয় বাদ্য হ’ল দোতাৰা। এই বাদ্যবিধ নামনি অসমৰ লোকগীতৰ মুখ্য বাদ্য। উজনিত ইয়াক টোকাৰী বুলি কয় (গঢ় সামান্য সুকীয়া)। পল্লী গীত, দেহ বিচাৰৰ গীত পৰিৱেশনত এই বাদ্য সংগত কৰা হয়। দোতাৰাত ছতিয়না, কঁঠাল গছৰ কাঠ আৰু ছাগলীৰ ছাল ব্যৱহৃত হয়।

**শিঙা বা পেঁপা ঃ** ম’হৰ শিঙত নল বা খাগৰিৰে সজা মাত উঠা যন্ত্ৰটো লগাই দি পেঁপা সজা হয়।

**টকা বা থৰ্‌কা ঃ** বাঁহেৰে সজা এই বাদ্যবিধ বৰপেটাৰ থিয় নামত ব্যৱহাৰ কৰা হয়।

**একতাৰা বা একলাও ঃ** ডাঙৰ ঘূৰণীয়া পানীলাও পূৰঠ হৈ গছত শুকালে তাৰ ভিতৰৰ সাঁহখিনি উলিয়াই পেলোৱা হয়। বাঁহৰ কামি লাওৰ খোলাটোত সংযোগ কৰি এডাল তাঁৰ বান্ধি দিয়া হয়। বিশেষকৈ ব'ৰাগী শ্ৰেণীৰ লোকৰ মাজত এই সৰল আকৃতিৰ বাদ্যবিধৰ প্ৰচলন বেছি।

**দগৰ ঃ** অৱনদ্ধ বাদ্যৰ অন্তৰ্গত এবিধ বাদ্য হ'ল দগৰ। দগৰৰ খোলাটো মাটি বা কাঠেৰে নিৰ্মাণ কৰা হয়। আগতে কাছ বা গুঁই সাপৰ ছাল খোলাৰ ওপৰত চিলাই কৰি দিয়া হৈছিল। বৰ্তমান কাঠৰ খোলাত সহজলভ্য বাবে গৰুৰ চামৰা ব্যৱহাৰ কৰা হয়।

**নাগাৰা ঃ** মাটিৰে নিৰ্মিত নাগাৰাত গৰুৰ ছাল লগাই দিয়া হয়। বৰপেটাৰ নাগাৰাৰ ছেওৰ এক বিশেষ বৈশিষ্ট্য আছে। ভোৰতাল, থিয়নামত সাধাৰণতে সৰু আকৃতিৰ নাগাৰা আৰু চেঙা, বহৰি, ঔমূৰা আদি অঞ্চলত বৃহৎ আৰু লগতে সৰু আকৃতিৰ নাগাৰাও ব্যৱহাৰ কৰা হয়। পাৰদৰ্শী নাগাৰা শিল্পীয়ে একেসময়তে তিনি-চাৰিটা নাগাৰা বজাব পাৰে। একেবিধ বাদ্যযন্ত্ৰকে ভিন্ ভিন্ সম্প্ৰদায়ৰ মাজত ভিন্ন নামেৰে জনা যায়। নাওখেলৰ গীতত ব্যৱহৃত নাগাৰাটোক মুছলমানসকলে 'টিকাৰা' বুলি কয়।

বড়োসকলে লোকগীতত এক বিশেষ প্ৰকাৰৰ ডাঙৰ ঢোল 'খাম্', মন্দিৰা জাতীয় তাল 'জথা', চেৰ্জা, বাঁহেৰে সজা 'থৰ্কা' পাঁচ বিন্ধাযুক্ত চিফুং বাঁহী আদি ব্যৱহাৰ কৰে। বৰপেটাৰ অন্যান্য লোকবাদ্যসমূহ, যেনে— তাল, ভোৰতাল, ডবা, ঢোল, বাঁহী, খুমক, জুনুকা, খঞ্জৰী আদি লোকগীতৰ লগত সংগত কৰা হয়।

## ১.২৩ লোকবিশ্বাস ঃ

বৰপেটাৰ জনসমাজত কেতবোৰ বিশ্বাস অতীজৰে পৰা প্ৰচলিত হৈ আছে। এই বিশ্বাসবোৰ লোক-মনস্তত্ত্বৰ ভিত্তিত গঢ় লৈ উঠিছে। লোকবিশ্বাসবোৰ লোকাচাৰৰ লগত বিশেষভাৱে সম্পৰ্কিত। কিছুমান লোকবিশ্বাস ধৰ্মক আশ্ৰয় কৰি গঢ়ি উঠিছে। ধৰ্মীয় লোক বিশ্বাসবোৰ মূলতঃ যাদু বা মেজিকধৰ্মী লোকবিশ্বাস। লোকসমাজত ভূত-প্ৰেত, পিশাচ, কুবেৰ, ধনগুলৈ, চামোন, যশ-যখিনী, বীৰা, জাউকাৰ পাল আদিক লৈ নানা লোকবিশ্বাস আছে। কিছুমান লোকবিশ্বাসৰ যুক্তি থাকে আৰু কিছুমান অন্ধবিশ্বাসৰ ভেঁটিত গঢ় লয়। বৰপেটা জিলাত খেতি-বাতি সম্পৰ্কীয়, জীৱ-জন্তু সম্পৰ্কীয়, খাদ্য সম্পৰ্কীয়, জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয়, বতৰ সম্পৰ্কীয় নানা লোকবিশ্বাসৰ প্ৰচলন আছে।

**(ক) জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় লোকবিশ্বাস ঃ**

(১) পাঁচমহীয়া গৰ্ভৱতীক জেউৰা দিয়াৰ সময়ত আয়তীসকলে এটা তামোল আৰু পাণ ঢাকি থয়। গৰ্ভৱতীগৰাকীয়ে তামোল থকা বাতিটো চুলে ল'ৰা আৰু পাণ থকা বাতিটো চুলে ছোৱালী হয় বুলি লোকবিশ্বাস আছে।

(২) গৰ্ভধাৰণ কৰা মাতৃগৰাকী আৰু পিতৃজনে মৃতকৰ লগত জড়িত কাম-কাজবোৰৰ পৰা দূৰত থাকে। নহ'লে গৰ্ভস্থ সন্তানৰ অপায়-অমংগল হ'ব পাৰে বুলি লোকবিশ্বাস আছে।

(৩) অন্তঃসত্তাই শিকৰ বা মাটিৰ খোলা দাঁতেৰে ভাঙিলে প্ৰসৱত কষ্ট নাপায়।

(৪) গণককুছি থানৰ ৰঙিয়াল ফুলৰ গুৰিত সন্তানহীনা দম্পতীয়ে কাপোৰ আগবঢ়ালে সন্তান প্ৰাপ্তি হয় বুলি লোকবিশ্বাস আছে।

(৫) বিয়াৰ সৰমালা জাপ চাতিৰ ভিতৰৰ তামোলটোক সাৱধানে লৈ অনা হয়। এই তামোলটোৰে দৰা-কইনাক আহুদি কৰিব পাৰি বুলি লোকবিশ্বাস আছে।

(৬) দৰা আৰু কইনাই আত্মৰক্ষাৰ প্ৰতীকৰূপে ক্ৰমে দাপ্‌নী আৰু ডাব্ কটাৰী লগত ৰাখে।

**খ) খেতি-বাতি সম্পৰ্কীয় লোকবিশ্বাস ঃ**

(১) ব'হাগ বিহুৰ দিনা ৰাতিপুৱা ফল-মূলৰ গছত শিল দলিয়ালে বেছিকৈ ফল ধৰে বুলি বিশ্বাস আছে।

(২) বাৰীৰ পাচলি খৰাহিত ছিঙি আনিলে পাচিয়ে পাচিয়ে লাগে বুলি বিশ্বাস আছে।

(৩) মাঘৰ বিহুত তামোল-পাণ, কঁঠাল আদি লাগনী গছত বাঁহৰ টমালেৰে বান্ধিলে ফল-মূল বেছিকৈ লাগে।

**গ) জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস ঃ**

(১) ছাগলীয়ে মাটিত পৰি গা আৰু ভৰি আচাৰিলে অমঙ্গলজনক।

(২) গৰুৱে নেজ গোহালিৰ খুঁটাত মেৰিয়াই ধৰিলে অশুভ।

(৩) মাছ মাৰিবলৈ যোৱা জাকৈয়া ছোৱালীয়ে পথাৰত হালবাই থকা হালোৱাৰ গাত চপৰা দলিয়াই গ'লে খালৈ ভৰাই মাছ আনিব পাৰে বুলি বৰনগৰ অঞ্চলত লোকবিশ্বাস আছে।

**(ঘ) খাদ্য সম্পৰ্কীয় লোকবিশ্বাস ঃ**

(১) ব'হাগ বিহুৰ দিনা মাঘ বিহুত বনোৱা মাহ-কৰাই খালে বিষাক্ত সাপৰ বিষ গাত নালাগে।

(২) চ'তৰ ভাত ব'হাগত খালে বিষতুল্য হয় আৰু পুহৰ পইতা মাঘমাহত খালে বাঘৰ সমান বল পায় বুলি বিশ্বাস আছে।

(৩) ভাদ মাহত পানীলাও অতি উপকাৰী। পানীলাও খালে গংগা স্নানৰ সমপৰ্যায়ৰ হয় বুলি লোকবিশ্বাস আছে।

(৪) ব'হাগ বিহুৰ দিনা 'জাল'ৰ আঞ্জা খালে গাৰ বিষ কমে।

**ঙ) বতৰ সম্পৰ্কীয় লোকবিশ্বাস ঃ**

(১) বৰষুণ আহিবৰ বাবে ঢেঁকী ওপৰমুৱাকৈ পোতা হয়। চৰ-চাপৰিৰ নাঙঠ ল'ৰা-ছোৱালীবোৰে 'পেকাপেকী' খেলিলে বৰষুণ হয় বুলি লোকবিশ্বাস আছে।

(২) উঁই পৰুৱা ওলালে বৰষুণৰ আগজাননী পোৱা যায়।

**চ) অন্যান্য লোকবিশ্বাস ঃ**

(১) বৰপেটাৰ গোসাঁই দৌলত থাকিলে তাঁত নবয় আৰু কাপোৰ নাঁচোৰে। এনে কৰিলে গোসাঁইৰ প্ৰতি অসন্মান কৰা হয়। দৌলত গোসাঁই থকা অৱস্থাত গুৰু আহাৰ গ্ৰহণ কৰা নহয়।

(২) বৰপেটাৰ দৌল উৎসৱৰ সুঁৰেৰীত বাঁহ ভঙাৰ পাছত বাঁহৰ চোঁচ আনি শাক-পাচলি বাৰীত দিলে শাক-পাচলি উভৈনদীকৈ লাগে বুলি লোকবিশ্বাস আছে।

**১.২৪ লোক ক্ৰীড়া ঃ**

লোক-সমাজত প্ৰচলন থকা খেল-ধেমালিৰ লগত নানা সামাজিক আচাৰ, বিশ্বাস, সামাজিক কৰ্মস্পৃহা, আমোদ-প্ৰমোদৰ প্ৰতি থকা লোক-সমাজৰ উৎসাহ আদি জড়িত হৈ থাকে। বৰপেটাৰ লোকজীৱনৰ লগত বিভিন্ন খেল-ধেমালি সংপৃক্ত হৈ আছে। লোকক্ৰীড়াই মনত অনাবিল আনন্দ প্ৰদান কৰিব পাৰে। এই খেল-ধেমালিবোৰৰ লগত নানা গীত-পদ জড়িত হৈ আছে। বয়স অনুযায়ী সৰু ল'ৰা-ছোৱালী, যুৱক, বয়সস্থসকলৰ মাজত পৃথক পৃথক লোকক্ৰীড়া প্ৰচলিত। আকৌ লিংগ অনুযায়ী কিছুমান খেলৰ পাৰ্থক্য আছে। অসমৰ বিভিন্ন জনগোষ্ঠীয় জীৱনৰ পৰা অনেক লোক-জীৱনৰ খেল-ধেমালিৰ উপাদান আহিলেও সমূহীয়া জীৱনত তেনে উপাদানবোৰ ছিঙিব নোৱাৰাকৈ মিলি গৈছে। বাঘঢাল, কড়ি খেল ভাৰতৰ অন্য ঠাইৰ পৰা অহাৰ ইংগিত পোৱা যায়।[১৪৪] এই খেল-ধেমালিবোৰ বৰপেটাৰ লোক-কৃষ্টিৰ অভিন্ন অংগস্বৰূপ। বৰপেটাৰ যুৱক-সমাজৰ মাজত অতি প্ৰিয় খেল হ'ল নাওখেল। নদী-বিলেৰে পৰিপূৰ্ণ বৰপেটাত নাওখেল যথেষ্ট জনপ্ৰিয়। সত্ৰৰ খটখটিৰ ঘাট বা আন আন নদীসমূহত গুৰুৰ কীৰ্তন মহোৎসৱত, স্বাধীনতা দিৱস, গণৰাজ্য দিৱস তথা বিভিন্ন উৎসৱৰ লগত সংগতি ৰাখি নাওখেলৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। বৰপেটা চহৰ আৰু তাৰ আশে-পাশে থকা গাঁৱত কুৰিখনৰো বেছি খেলনাও আছিল। অৱশ্যে বিভিন্ন কাৰণত ইয়াৰ পূৰ্বৰ জনপ্ৰিয়তা ক্ৰমাৎ হ্ৰাস পাই আহিছে। পাঁচটা সৰু সৰু শিলেৰে খেলা খেল হ'ল— এক্‌টি, দুইটি, তিনিটি, ডক্কা, চিপা, পাইল, দলং আৰু সঁফুৰা। লুকচেনি হ'ল বহুজন লগ হৈ খেলা এবিধ খেল। এইবিধ খেলত খুঁটা বা গছ এজোপাক ঘাই বা গৰা কৰা হয়। গৰাকী নথকা অৱস্থাত গৰাটো চুব পাৰিলে গৰাকী পৰাজিত হয়। হাউখেলত দুটা দল থাকে। এই খেল দুই প্ৰকাৰৰ ধৰাহাউ আৰু গন্ধাহাউ বা গৰা হাউ। ৰচী টনা বা কধৰা টনা বৰপেটাৰ ব'হাগ আৰু মাঘৰ দোমাহীৰ এক জনপ্ৰিয় খেল। লেকচুতি, মাটি-পানী, আই দে মোৰ গোলাপ, চাউল-পানী খাইয়া আদি কণকণ ল'ৰা-ছোৱালীৰ মাজত প্ৰচলিত জনপ্ৰিয় খেল।

চাংলি সৰকা, সাত দেইলা বাৰি, বাদলি ওমলা, শলি খেলা, মাছৰ ফিচা, আবাকুট, পাটাগুটি,

একদেইঙা জাপ আদি ক্ৰীড়া লোক-সমাজত প্ৰচলিত। চৰ-চাপৰিৰ খেলবোৰৰ নামবোৰ কিছু বেলেগ। সৰ্দাৰবাৰী খেল, বৌ-ছি খেল, টংকীপৰী, পানীখেল বা ঢৌখেল, গোল্লা-ছোট আদি চৰ-চাপৰি লোক-সমাজৰ জনপ্ৰিয় খেল। অতীতৰ পৰা প্ৰচলিত এই খেলবোৰৰ কিছুমান এতিয়া বিলুপ্তিৰ পথত।

**১.২৫ বৰপেটাৰ উপভাষা ঃ**

কামৰূপী উপভাষাৰ স্থানীয় ৰূপ হ'ল বৰপেটীয়া উপভাষা। বিভা ভৰালীয়ে কামৰূপ জিলাৰ স্থানীয় ৰূপটোক দুটা ভাগত ভাগ কৰিছে। উত্তৰ কামৰূপী আৰু দক্ষিণ কামৰূপী। উত্তৰ কামৰূপীৰ দুটা উপবিভাগ পোৱা যায়। উত্তৰ-পূৰে স্থানীয় ৰূপসমূহক লৈ উত্তৰ-পূৰ কামৰূপী আৰু উত্তৰ-পশ্চিম খণ্ডৰ স্থানীয় ৰূপসমূহক লৈ উত্তৰ-পশ্চিম কামৰূপী।[১৪৫] বৰপেটা চহৰক কেন্দ্ৰ কৰি বৰপেটা- বাউসী অঞ্চল, সৰভোগ চহৰক কেন্দ্ৰ কৰি বৰনগৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চল আৰু পাঠশালা-পাটাছাৰকুছিক কেন্দ্ৰ কৰি বজালী-সৰ্থেবাৰী অঞ্চলৰ উপভাষাক প্ৰধানভাৱে উত্তৰ-পশ্চিম কামৰূপীৰ অন্তৰ্ভুক্ত কৰিব পাৰি।[১৪৬] অৱশ্যে জিলাখনৰ সকলো ঠাইতে প্ৰচলিত ঔপভাষিক ৰূপটো একে নহয়। বৰপেটা চহৰৰ ভাষিক ৰূপৰ লগত সৰভোগ অথবা পাঠশালা-পাটাছাৰকুছিক কেন্দ্ৰ কৰি হোৱা বজালী আদি অঞ্চলৰ ভাষিক ৰূপৰ পাৰ্থক্য আছে। বৰপেটাৰোড, হাউলী, ভৱানীপুৰ, সৰুপেটা অঞ্চলৰ কথ্যভাষাৰ লগত বৰপেটীয়া কথ্যভাষাৰ মিল আছে যদিও সুৰৰ পাৰ্থক্য দেখা যায়।[১৪৭] আকৌ জাতিগত বিভিন্নতাৰ ফলত সামাজিক জাতিগত উপভাষাৰ সৃষ্টি হৈছে। বিশেষকৈ দ্ৰাবিড় গোষ্ঠীৰ অন্তৰ্গত কৈৱৰ্তসকলৰ ভাষাত স্বকীয় সুৰ বা ভাষিক ঠাঁচ লক্ষ্য কৰা যায়। এই অঞ্চলৰ কৈৱৰ্ত লোকসকল পৰম্পৰাগতভাৱে মাছৰ ব্যৱসায়ৰ লগত জড়িত। ৰায়তপাৰা, ভকতপাৰা, সৰভোগ আদি অঞ্চল কৈৱৰ্ত লোকসকলৰ বাসস্থান। বৰপেটাৰ হীৰা, বণিয়া, কুমাৰ আদি জাতিৰ মাজত সুকীয়া সামাজিক উপভাষা দেখা যায়। বৰপেটাৰ সোণাৰীসকলৰ মাজত এটা গুপ্তভাষাৰ প্ৰচলন থকাৰ কথা জনা যায়।[১৪৮] বৰপেটা উপভাষাত কথা পাতোঁতে, গালি পাৰিলে বা বিলাপ কৰিলে ধেক্ বা সুৰত বাক্যবোৰ দীঘলীয়াকৈ উচ্চাৰণ কৰা হয়। বৰপেটীয়া স্থানীয় ৰূপৰ সুৰ স্পষ্ট আৰু পৃথক। শ্ৰোতাৰ কাণত সহজে বাজি উঠে। 'তই নায' কিয়ো এ?', 'সেনে নকৰ্‌বি এ' আদি সুৰ-লহৰযুক্ত বাক্য বৰপেটীয়া উপভাষাৰ বিশেষত্ব। একে ঔপভাষিক অঞ্চলৰে বজালী নগৰ অঞ্চলৰ ভাষাটোৰ সুৰ কিছু খহটা যেন লাগে। সৰ্থেবাৰী অঞ্চলৰ কথন-শৈলী বৰপেটা অঞ্চলৰ দৰে অধিক সুৰীয়া নহয় যদিও আন অঞ্চলসমূহতকৈ এই ভাষিক ৰূপত সুৰলহৰৰ কিছু দীৰ্ঘত্ব আছে।[১৪৯]

বৰপেটা উপভাষাত প্ৰয়োগ কৰা গালি-গালাজ, শাও-শপনিবোৰত প্ৰয়োগ হোৱা শব্দবোৰ বিশেষত্বপূৰ্ণ। লাইলে মৰকো, পুইতেৰ মূৰ খালি, মৰন্‌নহ, অ ভৌঠী, ধুইমাহ্, শোগ্‌নে খাৱা, হাড়ীত খাইতী, দাংকাটি, খৌখেনী, সাঠান নহৈতী, দানোত দিয়া, ভেক্‌চা, ঢামাধৰা, পেখম্ ধৰোইতী, টেক্‌লী

পেটা, কণপৰা, তিৰীমুৰা, বেজীমুৰা, নাক্‌কাটা আদি গালিবোৰে ভিন্ন পৰিৱেশ আৰু পৰিস্থিতিত ক্ষোভ, খং, অসন্তুষ্টি আদিৰ ভাব ব্যক্ত কৰে।

বৰপেটাৰ লোক-সমাজত ব্যৱহাৰ হোৱা মৌলিক শব্দ কেতবোৰ হ'ল— লাইলেক (গিৰীয়েক), লাক্‌ৰা (কোৰোকা), মইহনেক (ঘৈণীয়েক), পাইলা (কেৰাহী), আইতা (খাৰৈ), মৎমইতা (গদ্‌গদীয়া), আতাল (চিলিং), কিৰা (শপত), তেক্ট (কষ্ট), কৈত্তাপ (জুলুম), সেইখুন্তি (সেইবাবে), বেনাজাক্‌ৰী (কান্দোন), লান (কুঁৰা), সাধ্‌ধা (ইচ্ছা), আইলন (উৰা কাপোৰ), হুৰলি (ক্ষীণাই যোৱা) আদি। কিছুমান নিষিদ্ধ শব্দ বা বেয়া শব্দৰো প্ৰচলন আছে। নামৰ ক্ষেত্ৰত সাধাৰণতে দুটা নামৰ প্ৰচলন আছে। গুপ্ত নামটো লুকুৱাই ৰখা হয়। পৰিৱেশ আৰু পৰিস্থিতিভেদে কেতবোৰ শব্দ টেবু হিচাপে ব্যৱহাৰ কৰা হয়। গালি-শপনি, অঙ্গ-প্ৰত্যঙ্গৰ লগত ভালেমান টেবু শব্দ আছে। কিছুমান শব্দ সময়সাপেক্ষে টেবু হিচাপে গণ্য কৰা হয়। ৰাতি হালধি শব্দটো বা চূণ শব্দটো নিষিদ্ধ শব্দ বুলি উচ্চাৰণ কৰা নহয়। তাৰ পৰিৱৰ্তে ৰংগুৰা আৰু বগা শব্দটোৰ প্ৰচলন আছে।

সত্ৰীয়া সংস্কৃতিৰে পৰিপূৰ্ণ বৰপেটা সত্ৰৰ ভকত-সমাজৰ কথা-বাৰ্তাত ভকতীয়া বিনম্ৰতাৰ ঠাঁচ এটা লক্ষ্য কৰা যায়। 'মই' প্ৰথম পুৰুষৰ সলনি 'আমি', 'আমাৰ' আদি বহুবচনাত্মক ৰূপ ব্যৱহাৰ কৰা হয়। সত্ৰৰ ভকতসকলে প্ৰত্যক্ষ উক্তিতকৈ পৰোক্ষ উক্তিৰ ব্যৱহাৰ বেছিকৈ কৰে। ভকতসকলে বাক্যক বিনম্ৰ কৰি তুলিবৰ বাবে বিশেষ শব্দ কিছুমান ব্যৱহাৰ কৰে। ভাত ৰন্ধাৰ পৰিৱৰ্তে অন্ন সিজোৱা, ভাত খোৱাৰ পৰিৱৰ্তে অন্নমুঠি গ্ৰহণ কৰা আদি বাক্যবোৰ ব্যৱহাৰ কৰা হয়।

জিলাখনৰ বড়ো জনগোষ্ঠীয় লোকসকলে বড়ো ভাষাত কথা-বতৰা পাতে। মুছলমানসকলে অসমীয়াত কথা-বতৰা কয়; কিন্তু চৰ-চাপৰিৰ প্ৰব্ৰজিত লোকসকলে দৈনন্দিন ঘৰুৱা ভাষা হিচাপে বাংলা ভাষাৰ এটা কথিত ৰূপ ব্যৱহাৰ কৰে। বেংগলী লোকসকলে বাংলা ভাষা কয়। কিন্তু কাম-কাজ চলাবলৈ বৰপেটীয়া উপভাষা ব্যৱহাৰ কৰে। অসমীয়া সংস্কৃতিৰ প্ৰভাৱপুষ্ট যদিও বৰপেটাৰ মানুহে নিজৰ মাজতে সামাজিক-সাংস্কৃতিক আদান-প্ৰদান সীমাৱদ্ধ ৰাখিছিল। বৰপেটা অঞ্চলৰ বাহিৰৰ লোকক 'বাইঞা গঞা' বুলি কোৱা প্ৰথা এতিয়াও আছে।[১৫০]

**১.২৬ সামগ্ৰিক আলোচনা ঃ**

বৰপেটা জিলা সাংস্কৃতিক আৰু ঐতিহাসিকভাৱে অতি প্ৰসিদ্ধ অঞ্চল। বৰপেটা বিভিন্ন ধৰ্মাৱলম্বী আৰু জাতি-জনগোষ্ঠীৰ বসতি স্থল। প্ৰাকৃতিকভাৱে অতি বৈচিত্ৰ্যপূৰ্ণ বৰপেটা নদ-নদী, বিল-পিতনিৰে ভৰপূৰ অঞ্চল। ইয়াৰ চৰ-চাপৰিয়ে ভৌগোলিক দিশক অনন্য মাত্ৰা প্ৰদান কৰিছে। জিলাখনৰ অৰ্থনৈতিক জীৱন মূলতঃ কৃষিকেন্দ্ৰিক। অতীতত নদীকেন্দ্ৰিক বেহা-বেপাৰত বৰপেটা যথেষ্ট আগবঢ়া আছিল। লোক-সাহিত্য আৰু লিখিত সাহিত্যলৈও বৰপেটা জিলাৰ যথেষ্ট অৰদান আছে। ডাকপুৰুষ, শ্ৰীমন্ত শঙ্কৰদেৱ,

শ্ৰীশ্ৰীমাধৱদেৱ, ভট্টদেৱ, গোপাল আতা আদিকে ধৰি প্ৰাচীন অসমীয়া সাহিত্যৰ যুগদ্ৰষ্টাসকলৰ প্ৰধান কৰ্মভূমি আছিল বৰপেটা অঞ্চল। আধুনিক অসমীয়া সাহিত্য তথা সমাজৰ দিশ-নিৰ্ণায়কসকলৰ ভিতৰত বাণীকান্ত কাকতি, প্ৰসন্নলাল চৌধুৰী, অম্বিকাগিৰী ৰায়চৌধুৰী আদি বৰপেটা জিলাৰ সন্তান। কৰ্মসূত্ৰে বিভিন্নজনে আহি বৰপেটা জিলাৰ সাংস্কৃতিক আৰু সামাজিক দিশত আকৃষ্ট হৈ সাহিত্য সৃষ্টি কৰিছিল। এই ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ, শৈলধৰ ৰাজখোৱা আদিসকলৰ নাম উল্লেখযোগ্য। সত্ৰৰে পৰিৱেষ্টিত জিলাখনৰ সামাজিক-সাংস্কৃতিক জীৱনত সত্ৰীয়া সংস্কৃতিৰ যথেষ্ট প্ৰভাৱ আছে। ভৌতিক সংস্কৃতিৰ ভিতৰত স্থাপত্য, ভাস্কৰ্য, লোকবাদ্য, আ-অলংকাৰ, খাদ্যাভাসে জিলাখনৰ সাংস্কৃতিক ঐতিহ্যক বিশেষত্বপূৰ্ণ কৰি তুলিছে। জিলাখনৰ ঔপভাষিক ক্ষেত্ৰখনো যথেষ্ট চহকী। এই জিলাখনত বৰপেটীয়া উপভাষা প্ৰধানকৈ কোৱা হয় যদিও কৈৱৰ্ত, ভকতীয়া সমাজ আদি অনুসৰি সংশ্লিষ্টসকলৰ কথনশৈলী কিছু সুকীয়া ধৰণৰ। জিলাখনে অসমৰ সামাজিক-সাংস্কৃতিক জগতলৈ যথেষ্ট অৰিহণা যোগাই আহিছে।■■

**প্ৰসংগ টীকা ঃ**

১. দিগম্বৰ দাস, *বৰপেটাৰ বুৰঞ্জী,* পৃ. ১

২. barpeta.assam.gov.in (Government of Assam), Retrieved: 19-02-2021

৩. দিগম্বৰ দাস, পূৰ্বোল্লিখিত, পৃ. ১০৪

৪. Pradip Hazarika, *District Census Handbook,* Barpeta District, p. 4

৫. দিগম্বৰ দাস, পূৰ্বোল্লিখিত, পৃ. ১০৫

৬. barpeta.assam.gov.in (Government of Assam), Retrieved: 19-02-2021

৭. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা,* পৃ. ২০৮

৮. গোকুল পাঠক, *বৰপেটা সত্ৰৰ ইতিহাস,* পৃ. ৩

৯. গোকুল পাঠক, উল্লিখিত, পৃ. ৩

১০. গোকুল পাঠক, উল্লিখিত, পৃ. ৩

১১. মহেশ্বৰ নেওগ (সম্পা.), *প্ৰাচ্য শাসনাৱলী,* পৃ. ১৫

১২. বাবুল চন্দ্ৰ দাস, *বৰপেটা সত্ৰ আৰু লোকজীৱনৰ উৎসৱ-পাৰ্বণ,* পৃ. ১২

১৩. গোকুল পাঠক, পূৰ্বোল্লিখিত, পৃ. ৩

১৪. মহেশ্বৰ নেওগ (সম্পা.), *কথা গুৰুচৰিত,* পৃ. ১৪

১৫. দিগম্বৰ দাস, পূৰ্বোল্লিখিত, পৃ. ১৫

১৬. দিগম্বৰ দাস, উল্লিখিত, পৃ. ৪

১৭. অ' হৰি এ হে বেহাৰে মধুপুৰ / কামৰূপে বৰপেটা, উজানে কমলাবাৰী।

১৮. মহেশ্বৰ নেওগ (সম্পা.), *প্ৰাচ্য শাসনাৱলী*, পৃ. ১৫

১৯. দিগম্বৰ দাস, পূৰ্বোল্লিখিত, পৃ. ৩

২০. দিগম্বৰ দাস, উল্লিখিত, পৃ. ৩

২১. বাবুল চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ১৫

২২. বাবুল চন্দ্ৰ দাস, উল্লিখিত, পৃ. ১৫

২৩. দিগম্বৰ দাস, পূৰ্বোল্লিখিত, পৃ. ৭

২৪. দিগম্বৰ দাস, উল্লিখিত, পৃ. ৮

২৫. প্ৰসূন বৰ্মণ আৰু অন্যান্য (সম্পা.), *চৰ-চাপৰি অৱলোকন-পুনৰৱলোকন*, শ্বেখ বদৰুজামান ফিৰদৌচী, চৰ-চাপৰিৰ জীৱনৰ সংস্কৃতি, পৃ. ১৮০

২৬. w.w.w.kaziranga-national-park.com, Retrieved: 22-02-2021

২৭. Pradip Hazarika, ibid, p. 11

২৮. উদয় নাথ, *বৰপেটাৰ সাংস্কৃতিক বুৰঞ্জী*, পৃ. ২১৭

২৯. *Statistical Hand Book of Assam-2018,* Directorate of Economics and Statistics.

৩০. উল্লিখিত গ্ৰন্থ

৩১. barpeta.assam.gov.in, Retrieved: 19-02-2021

৩২. *Statistical Hand Book of Assam-2018,* Directorate of Economics and Statistics.

৩৩. barpeta.assam.gov.in, Retrieved: 19-02-2021

৩৪. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, ভূমিকা

৩৫. দিগম্বৰ দাস, পূৰ্বোল্লিখিত, পৃ. ৩৮

৩৬. ৰজনীকান্ত বৰদলৈ, *মনোমতী*, পৃ. ৬৭

৩৭. যাদৱ চন্দ্ৰ দাস, *অসমৰ পটভূমি বাউসী বৰনগৰৰ ঐতিহ্য*, পৃ. ৯

৩৮. *Statistical Hand Book of Assam-2018.* Directorate of Economics and Statistics.

৩৯. ইছমাইল হোছেইন (সম্পা.), *বৰপেটাৰ ঐতিহ্য আৰু সংস্কৃতি*, পদ্মনাথ গোহাঞিবৰুৱা, বৰপেটা আৰু বৰপেটাৰ অসমীয়া (প্ৰবন্ধ), পৃ. ২

৪০. *Statistical Hand Book of Assam-2018.* Directorate of Economics and Statistics.

৪১. বিভা ভৰালী, *কামৰূপী উপভাষা এটি অধ্যয়ন*, পৃ. ২৮

৪২. ডেকাসত্ৰীয়া বৰপেটা সত্ৰ, বয়স- ৬০

৪৩. দিগম্বৰ দাস, পূৰ্বোল্লিখিত, পৃ. ১৮১

৪৪. দিগম্বৰ দাস, উল্লিখিত, পৃ. ১৮১

৪৫. দিগম্বৰ দাস, উল্লিখিত, পৃ. ১৮১

৪৬. দিগম্বৰ দাস, উল্লিখিত, পৃ. ১৮১

৪৭. দিগম্বৰ দাস, উল্লিখিত, পৃ. ১৮৩

৪৮. B.C. Allen, *Assam District Gazetteers*, Vol. IV

৪৯. নাৰায়ণ চন্দ্ৰ গোস্বামী, *সত্ৰীয়া সংস্কৃতিৰ ৰূপৰেখা*, পৃ. ৮৫

৫০. উদয় নাথ, বৰপেটাৰ সাংস্কৃতিক বুৰঞ্জী, পৃ. ৩২৫

৫১. যাদৱ চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ৭

৫২. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, পাতনি

৫৩. নবীন চন্দ্ৰ শৰ্মা (সম্পা.), *ডাক-প্ৰবচন*, পৃ. ১৪৭

৫৪ নবীন চন্দ্ৰ শৰ্মা, উল্লিখিত, পৃ. ৯৪

৫৫. সত্যেন্দ্ৰ নাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ. ৫৮

৫৬. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ৫৭

৫৭. অক্ষয় কুমাৰ মিশ্ৰ, *অসমীয়া সাহিত্যলৈ বৰপেটা জিলাৰ অৱদান*, পৃ. ৯

৫৮. মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ. ৯৫

৫৯. মহেশ্বৰ নেওগ (সম্পা.), *পবিত্ৰ অসম*, পৃ. ২৯৫

৬০. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ২৬৩

৬১. মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ. ৯৬

৬২. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ১২৮

৬৩. অক্ষয় কুমাৰ মিশ্ৰ, পূৰ্বোল্লিখিত, পৃ. ২১

৬৪. লক্ষ্মীনাথ বেজবৰুৱা, *মোৰ জীৱন সোঁৱৰণ*, পৃ. ৩

৬৫. অক্ষয় কুমাৰ মিশ্ৰ আৰু অন্যান্য (সম্পা.), *বাণীকান্ত কাকতিৰ ব্যক্তিত্ব আৰু কৃতিত্ব*, সুনীতি কুমাৰ চেটাৰ্জী, বাণীকান্ত কাকতিৰ স্মৰণত, পৃ. ২৯

৬৬. ভূপেন্দ্ৰ ৰায়চৌধুৰী, *বৰপেটা সত্ৰৰ ইতিবৃত্ত*, পৰিশিষ্ট, পৃ.২৩৩

৬৭. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, পাতনি

৬৮. ভূপেন্দ্ৰ ৰায়চৌধুৰী, পূৰ্বোল্লিখিত, পৰিশিষ্ট, ২৩৫

৬৯. ইছমাইল হোছেইন (সম্পা.),পূৰ্বোল্লিখিত, পদ্মনাথ গোহাঞিবৰুৱা, বৰপেটা আৰু বৰপেটাৰ অসমীয়া, পৃ. ২

৭০. ইছমাইল হোছেইন (সম্পা.), উল্লিখিত, পৃ. ৩

৭১. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, ভূমিকা

৭২. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, পদ্মনাথ গোহাঞিবৰুৱা, বৰপেটা আৰু বৰপেটাৰ অসমীয়া, পৃ. ৩

৭৩. লক্ষ্মীনাথ বেজবৰুৱা, উল্লিখিত, পৃ. ৫৮

৭৪. অক্ষয় কুমাৰ মিশ্ৰ (সম্পা.), *জীৱনীমালা*, পৃ. ১১

৭৫. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, পাতনি

৭৬. ইছমাইল হোছেইন (সম্পা.), উল্লিখিত, দীপ্তিশিখা নাথ, বনৰনগৰ অঞ্চলৰ লোকনাট, পৃ. ২৯০

৭৭. উল্লিখিত, পৃ. ২৯১

৭৮. অক্ষয় কুমাৰ মিশ্ৰ (সম্পা.), *বৰপেটা জিলাৰ লোক সংস্কৃতি*, মুনীন্দ্ৰ নাথ শৰ্মা, পুতলা নাচ, পৃ. ১৬৩

৭৯. অক্ষয় কুমাৰ মিশ্ৰ (সম্পা.), *জীৱনীমালা*, পৃ. ১৫

৮০. বাবুল চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ৫৮

৮১. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, ৰত্ন ওজা, বৰপেটাৰ উৎসৱ-পাৰ্বণ, পৃ. ১৫৯

৮২. মহেশ্বৰ নেওগ (সম্পা.), *পবিত্ৰ অসম*, পৃ. ২৭৯

৮৩. মহেশ্বৰ নেওগ (সম্পা.), উল্লিখিত, পৃ. ২৭৯

৮৪. মহেশ্বৰ নেওগ (সম্পা.), উল্লিখিত, পৃ. ২৯৫

৮৫. ধ্ৰুৱকুমাৰ তালুকদাৰ আৰু অন্যান্য (সম্পা.), *বৰপেটা সত্ৰ আৰু সংস্কৃতি*, দিগম্বৰ দাস, মথুৰাদাস বুঢ়া আতা আৰু বৰপেটা সত্ৰ আৰু সমাজ গঠনত তেওঁৰ ভূমিকা, পৃ. ৪৩

৮৬. বংশৰাসকল হ'ল ৰাম ৰাম গুৰুৰ বংশ, পাঠক বংশ, সূত্ৰধাৰ বংশ, ভীমাবায়ন বংশ, সৰ্বজয় আতৈৰ গন্ধীয়া বংশ, গালিয়াহাটীৰ বায়ন বংশ, দক্ষিণহাটীৰ বাপুসকল, আঘোণা বায়ন বংশ আৰু ওজা বংশ। মথুৰাদাস বুঢ়া আতাই ভকতসকলৰ মাজত গীত, বাদ্য, নৃত্য, প্ৰসঙ্গৰ প্ৰশিক্ষণ দি সেৱাৰ কাম সমূহ বংশৰাসমূহৰ মাজত ভগাই দিয়ে। এই বংশৰ লোকসকলে আজিও নিজৰ নিজৰ ভাগৰ সেৱাৰ কাৰ্যবোৰ কৰি আছে।

৮৭. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ২৯৬

৮৮. মহেশ্বৰ নেওগ (সম্পা.), উল্লিখিত, পৃ. ৬০

৮৯. যাদৱ চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ১৩

৯০. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ৮৪

৯১. ভূপেন্দ্ৰ ৰায়চৌধুৰী, পূৰ্বোল্লিখিত, পৃ. ৫৮

৯২. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ৬০

৯৩. মহেশ্বৰ নেওগ (সম্পা.), উল্লিখিত, পৃ. ৫৮

৯৪. মহেশ্বৰ নেওগ (সম্পা.), *পবিত্ৰ অসম*, পৃ. ৩০৬

৯৫. যাদৱ চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ৫৩

৯৬. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, ভবানন্দ ডেকা, বৰপেটা জিলাত নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ সময়ত গঢ় লৈ উঠা সত্ৰ, পৃ. ২২৪

৯৭. ইছমাইল হোছেইন (সম্পা.), উল্লিখিত, পৃ. ২১৭

৯৮. বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমৰ লোক-সংস্কৃতি*, পৃ. ১৮৮

৯৯. নগেন শইকীয়া, *অসমীয়া মানুহৰ ইতিহাস*, পৃ. ২৩৯

১০০. হৰি প্ৰসাদ নেওগ আৰু লীলা গগৈ (সম্পা.), *অসমীয়া সংস্কৃতি*, ৰাজমোহন নাথ, অসমীয়া স্থপতি বিদ্যাৰ পটভূমি, পৃ. ৩৬

১০১. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ২০৮

১০২. মহেশ্বৰ নেওগ (সম্পা.), উল্লিখিত, পৃ. ২০৯

১০৩. মহেশ্বৰ নেওগ (সম্পা.), উল্লিখিত, পৃ. ২১০

১০৪. ধ্ৰুৱকুমাৰ তালুকদাৰ আৰু অন্যান্য (সম্পা.), পূৰ্বোল্লিখিত, অৰ্জুন চন্দ্ৰ দাস, বৰপেটা সত্ৰৰ চমু ইতিবৃত্ত, পৃ. ৭

১০৫. ভূপেন্দ্ৰ ৰায়চৌধুৰী, পূৰ্বোল্লিখিত, পৃ. ১৯৭

১০৬. ভূপেন্দ্ৰ ৰায়চৌধুৰী, উল্লিখিত, পৃ. ২০০

১০৭. তথ্যদাতা ঃ মনোজ কুমাৰ দাস, বয়স-৩২, সত্ৰৰ বায়ন

১০৮. বিৰিঞ্চি কুমাৰ বৰুৱা, পূৰ্বোল্লিখিত, পৃ. ১২৭

১০৯. বিৰিঞ্চি কুমাৰ বৰুৱা, উল্লিখিত, পৃ. ১১৭

১১০. উদয় নাথ, পূৰ্বোল্লিখিত, পৃ. ৩৪২

১১১. উদয় নাথ, উল্লিখিত, পৃ. ৩৪৪

১১২. ভূপেন্দ্ৰ ৰায়চৌধুৰী, পূৰ্বোল্লিখিত , পৃ. ২১৫

১১৩. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ১২৩

১১৪. বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া ভাষা আৰু সংস্কৃতি*, পৃ. ১০৪

১১৫. হিৰণ শইকীয়া লহকৰ আৰু শোভাৰাণী দাস (সম্পাঃ), *বৰপেটা জিলাৰ লোক-কৃষ্টিত এভুমুকি*, পৃ.১৭৫

১১৬. যুগল দাস, *অসমৰ গহনা-গাঁঠৰি*, পৃ. ১৬

১১৭. নবীন চন্দ্ৰ শৰ্মা (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ৩০

১১৮. নবীন চন্দ্ৰ শৰ্মা, অসমৰ সাংস্কৃতিক ইতিহাস, দ্বিতীয় খণ্ড পৃ. ৪১২

১১৯. মহেশ্বৰ নেওগ (সম্পা.), *গুৰু-চৰিত-কথা*, পৃ. ১৭৫

১২০. বৰপেটাত হাৰিজানকে আদি কৰি বিল, জলাশয়বোৰত হাটীৰ মানুহে ৰাতি দল বান্ধি নাৰেৰে মাছ ধৰিবলৈ গৈছিল। আগতে জুইৰ ‘জোৰ’ পিছত পেট্ৰোমাক্স লাইট জ্বলাই পোহৰত ‘কচ’ আদি সঁজুলিৰে মাছটো হানি মাৰে। ইয়াক কোৱা হয় ‘বন্তি পুৰা’। নাওতে নানা গীত-পদ গায়, খোৱা-লোৱা কৰে আৰু আনন্দ কৰে পোৰা মাছখিনি হাটীত ভগাই দিয়ে। এই লোকসকলে ঘোঁৰাপাক, জাউকাৰ পাল আদি অলৌকিক কাহিনী ঘূৰি আহি প্ৰকাশ কৰিছিল।

১২১. লক্ষ্মীনাথ বেজবৰুৱা, পূৰ্বোল্লিখিত , পৃ. ৩

১২২. হিৰণ শইকীয়া লহকৰ আৰু শোভাৰাণী দাস (সম্পাঃ), পূৰ্বোল্লিখিত, হিৰণ শইকীয়া লহকৰ, খাদ্য-অভ্যাস আৰু ৰন্ধন প্ৰকৰণ, পৃ. ১৮০

১২৩. প্ৰিয়ম্বদা দাস আৰু অন্যান্য (সম্পা.), উল্লিখিত, পৃ. ১৮৪

১২৪. সত্যেন্দ্ৰ নাথ শৰ্মা, পূৰ্বোল্লিখিত, পৃ.১৯

১২৫. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, অক্ষয় কুমাৰ মিশ্ৰ, লোক-সাহিত্যলৈ বৰপেটা জিলাৰ অৱদান, পৃ. ১০১

১২৬. নবীন চন্দ্ৰ শৰ্মা (সম্পা.), পূৰ্বোল্লিখিত, পৃ. ৪৬

১২৭. হিৰণ শইকীয়া লহকৰ আৰু শোভাৰাণী দাস (সম্পাঃ), পূৰ্বোল্লিখিত,পূৰ্বোল্লিখিত, বাবুল চন্দ্ৰ দাস, লোকগীত আৰু লোকবাদ্য, পৃ. ২১০

১২৮. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, নৃপেন ৰয়, বৰপেটাৰ লোকসংস্কৃতি ঃ এক বিহঙ্গম বৰ্ণিল অনুভৱৰ ৰেঙণি, পৃ. ১৯৬

১২৯. ফুলকুমাৰী কলিতা, *লোকসাহিত্যৰ ৰহ্‌ঘৰা ফকৰা-যোজনা*, পৃ. ১৩৩

১৩০. ফুলকুমাৰী কলিতা, উল্লিখিত, পৃ. ১৪৯

১৩১. ফুলকুমাৰী কলিতা, উল্লিখিত, পৃ. ৫২

১৩২. ফুলকুমাৰী কলিতা, উল্লিখিত, পৃ. ১৩৭

১৩৩. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, অক্ষয় কুমাৰ মিশ্ৰ, লোক-সাহিত্যলৈ বৰপেটা জিলাৰ অৱদান, পৃ. ১০১

১৩৪. ইছমাইল হোছেইন (সম্পা.), উল্লিখিত, পৃ. ১০২

১৩৫. ইছমাইল হোছেইন (সম্পা.), উল্লিখিত, পৃ. ১০২-১০৩

১৩৬. বীৰেন্দ্ৰ নাথ দত্ত, *অসমীয়া সংগীতৰ ঐতিহ্য*, পৃ. ৫৮

১৩৭. বীৰেন্দ্ৰ নাথ দত্ত, উল্লিখিত, পৃ. ৬১

১৩৮. তথ্যদাতা ঃ কিৰণ বালা দাস, আয়তী, বয়স -৭০

১৩৯. তথ্যদাতা ঃ গয়াবালা গায়ন, বয়স -৬০

১৪০. ইছমাইল হোছেইন, *অসমৰ চৰ-চাপৰিৰ লোক-সাহিত্য*, পৃ. ৬৭

১৪১. তথ্যদাতা ঃ নকুল দাস, লোকগীতৰ শিল্পী, বয়স - ৫৫

১৪২. তথ্যদাতা ঃ উল্লিখিত শিল্পী

১৪৩. ইছমাইল হোছেইন, পূৰ্বোল্লিখিত, পৃ. ৩৭

১৪৪. বাবুল চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ৩১

১৪৫. বিভা ভৰালী, *কামৰূপী উপভাষা ঃ এটি অধ্যয়ন*,পৃ. ১৮

১৪৬. বিভা ভৰালী, উল্লিখিত,পৃ. ১৮

১৪৭. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, বিভা ভৰালী, বৰপেটা জিলাত প্ৰচলিত উপভাষা,পৃ. ১১৬

১৪৮. বাবুল চন্দ্ৰ দাস, পূৰ্বোল্লিখিত, পৃ. ৩১

১৪৯. ইছমাইল হোছেইন (সম্পা.), পূৰ্বোল্লিখিত, বিভা ভৰালী, বৰপেটা জিলাত প্ৰচলিত উপভাষা,পৃ. ১২৩

১৫০. বিভা ভৰালী, পূৰ্বোল্লিখিত,পৃ. ২৮